# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): Satayandra Nath Sarmah | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Saahaitaya Sabhaa Pataraika | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat |
| Year: 1958 (1880 Sak) | Edition: |
| Size: 24 cms. 64+68+64 pages | Genre: Magazine |
| Volumes: 17 — 3 issues | Condition of the original: good. |
| Remarks: illus — 1st vol. published in the year 1927. and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

অসম সাহিত্য সভা।

সাহিত্য সভা, যোৰ

নং: ২০৬৬/৮৭/৮৮
তাং: ৫/২/২০০৫

# অসম সাহিত্য সভা পত্রিকা

নং ২০৮৬/৫৭/৮৮
তাং 6/2/2001

সপ্তদশ বছৰ ॥ ॥ প্ৰথম সংখ্যা

সম্পাদক—শ্ৰীসত্যেন্দ্ৰনাথ শৰ্ম্মা

## অসম সাহিত্য সভা

## কমলাদেৱী ন্যাস সমিতি

# শিশু-সাহিত্য বিষয়ক পুথিৰ বাবে বঁটা

## জাননী

অসম সাহিত্য সভাৰ কমলাদেৱী ন্যাস সমিতিৰ জৰিয়তে "বিজ্ঞানৰ কথা" নাম দি, শিশুৰ উপযোগীকৈ তলত দিয়া মতে বৈজ্ঞানিক তত্ত্বমূলক পুথি ৰচনাৰ বাবে আহ্বান জনোৱা হৈছে। পুথি গাইগুটীয়া বা যুটীয়াকৈও লিখিব পাৰিব। ৰচনাসমূহ বিশেষজ্ঞৰ হতুৱাই পৰীক্ষা কৰোৱাই শ্ৰেষ্ঠজনক নগদ ৩০০৲ (তিনিশ টকা) বঁটা আৰু মুঠ দুশ টকা দামৰ ছপা হোৱা কিতাপ দান দিয়া হ'ব। এই পুথিৰ ছপা, বিতৰণ আদিৰ কৰ্ত্তৃত্ব আৰু দায়িত্ব সম্পূৰ্ণৰূপে অসম সাহিত্য সভাৰ হাতত থাকিব।

বঁটাৰ বাবে অহা পুথি, অহা ১৫ ডিচেম্বৰ ১৯৫৮ তাৰিখৰ ভিতৰত আমাৰ হাতত পৰিবহি লাগিব।

**"বিজ্ঞানৰ কথা"ৰ বিষয় সমূহ :—**

১। **যান-বাহন**—(ক) ৰেল-গাড়ী (খ) জাহাজ (গ) মটৰ-গাড়ী (ঘ) উৰা-জাহাজ।

২। **ডাক-তাঁৰ বিভাগ**—(ক) ডাক (খ) টেলিগ্ৰাফ (গ) টেলিফোন।

৩। **অনাতাঁৰ**—(ক) ৰেডিঅ' (খ) বোলছবি (গ) টেলিভিছন্।

৪। **আণৱিক শক্তি।**

৫। **জল-বিদ্যুৎ।**

৬। **ছপাখানা**—(ক) টাইপ-ৰাইটিং (খ) ছৰ্ট-হেণ্ড।

৭। **চিকিৎসা-বিজ্ঞানৰ মূল কথা**—(ক) আধুনিক আৱিষ্কাৰ (খ) খাদ্য-প্ৰাণ।

**(স্বাঃ) বিনন্দ চন্দ্ৰ বৰুৱা**
প্ৰধান সম্পাদক
**অসম সাহিত্য সভা,**
যোৰহাট

অসম সাহিত্য সভা
পুথিভঁৰাল

## সূচী পত্ৰ


| বিষয় | লেখক | পৃষ্ঠা |
|---|---|---|
| ১। সঙ্গীত ওজা স্বৰ্গীয় লক্ষ্মীৰাম বৰুৱা | শ্ৰীনকুল চন্দ্ৰ ভূঞা | ১ |
| ২। মহোহো বা মহখেদা উৎসৱ | শ্ৰীহেমন্তকুমাৰ শৰ্ম্মা, এম, এ | ৫ |
| ৩। চেকোশ্লোভেকিয়াৰ কবিতা | শ্ৰীমহেন্দ্ৰনাথ বৰা, এম, এ | ১০ |
| ৪। টাই জাতিৰ বুৰঞ্জী | শ্ৰীঅম্বেশ্বৰ চেতিয়া ফুকন | ১৪ |
| ৫। অসমীয়া লোক সাহিত্য | শ্ৰীলীলা গগৈ | ১৭ |
| ৬। অসমীয়া উপন্যাস | শ্ৰীদীননাথ শৰ্ম্মা | ২১ |
| ৭। পুৰণি অসমত সংস্কৃত চৰ্চ্চাৰ আভাস | শ্ৰীসত্যেন্দ্ৰ নাথ শৰ্ম্মা | ২৫ |
| ৮। যদুমণিদেৱৰ গীত | শ্ৰীকুমুদ চন্দ্ৰ মহন্ত, বি. টি | ৩০ |
| ৯। প্ৰাচীন ভাৰতত ঋতু-উৎসৱ | শ্ৰীহাজাৰীপ্ৰসাদ দ্বিবেদী | ৩৪ |
| ১০। কুসুমকুমাৰী উপন্যাস | শ্ৰীযতীন্দ্ৰনাথ গোস্বামী এম-এ, বি-টি | ৩৮ |
| ১১। পীতাম্বৰ কবি সম্পৰ্কে কেই আষাৰমান | -সম্পাদক | ৪১ |
| ১২। কেইটামান স্মৰণীয় দিন | শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা | ৪৩ |
| ১৩। তিনিচুকীয়াত অসম সাহিত্য সভাৰ ষড়বিংশ অধিৱেশনৰ বিৱৰণ | প্ৰধান সম্পাদক | ৪৪ |
| ১৪। সাহিত্য সভাৰ বাহিৰে ভিতৰে | প্ৰধান সম্পাদক | ৫০ |
| ১৫। পুথি পৰিচয় | সম্পাদক | ৫৭ |
| ১৬। সম্পাদকীয় মন্তব্য | | ৬০ |
| ১৭। পৰিশিষ্ট | | ৬২ |

# বিশেষ ঘোষণা

অসম সাহিত্য সভাৰ ষড়বিংশ অধিবেশন উপলক্ষে অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত তলত দিয়া গ্ৰন্থসমূহ কম দামত বিক্ৰী কৰিবলৈ সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সভাই থিৰ কৰিছে।

(১) সাহিত্য সভাৰ ভাষণাৱলী—১ম ভাগ ৫৲; ২য় ভাগ ৫৲; একেলগে ৮৲। (২) সাহিত্য সভা বাৰ্ষিকী ২য় ভাগ—আঠ অনা। (৩) বুৰঞ্জীমূলক প্ৰবন্ধৰ তালিকা—বাৰ অনা। (৪) নীলাচল পাঠ—এটকা। (৫) সীমান্তৰ সন্দেৰ—ডেৰ টকা। (৬) THE OUTLOOK ON NEFA—দুটকা। কেচাবন্ধা—এটকা আঠ অনা; (৭) THIS IS ASSAM—দুটকা। (৮) পত্ৰিকা (ষোড়শ বছৰ)—১ম সংখ্যা বাৰ অনা; ২য় সংখ্যা ১৲।

---

## অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত নতুন গ্ৰন্থ ঃ—

১। THIS IS ASSAM : শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী আৰু শ্ৰীপ্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য সম্পাদিত। বেচ ২৲

২। THE OUTLOOK ON NEFA : প্ৰধান সম্পাদক শ্ৰীপৰাগ চলিহা সম্পাদিত। বেচ পকাবন্ধা ২॥০, কেচাবন্ধা ২৲

৩। সীমান্তৰ সান্তৃদ : প্ৰধান সম্পাদক শ্ৰীপৰাগ চলিহা সম্পাদিত। বেচ ২৲

৪। নীলাচল পাঠ (আও নগা পুথি) : শ্ৰীমহেন্দ্ৰ সভাপণ্ডিত সম্পাদিত।

পোৱাৰ ঠাই :—

সহকাৰী সম্পাদক
**অসম সাহিত্য সভা**
**চন্দ্ৰকান্ত সন্দিকৈ ভৱন**
যোৰহাট

# অসম সাহিত্য সভা পত্ৰিকা

সপ্তদশ বছৰ | ১৮৮০ শক, বহাগ-শাওণ | প্ৰথম সংখ্যা

## সঙ্গীতৰ ওজা স্বৰ্গীয় লক্ষ্মীৰাম বৰুৱা

শ্ৰীনকুলচন্দ্ৰ ভূঞা

(এই প্ৰবন্ধটো যুগুত কৰোঁতে ৫ম ভাগ "উষাত" ওলোৱা স্বৰ্গীয় চন্দ্ৰনাথ শৰ্ম্মাদেৱৰ প্ৰবন্ধৰ সহায় লোৱা হৈছে।)

স্বৰ্গীয় বৰুৱা ডাঙৰীয়া তিৰোধান হোৱা আজি দুকুৰি চাৰি বছৰ হ'ল। সিদিনা মাথোন (১৫ মাৰ্চ্চ, ১৯৫৮) "সদৌ অসম সঙ্গীত সম্মিলনে" দিয়া নিৰ্দ্দেশত, যোৰহাটৰ চন্দ্ৰকান্ত ভৱনত তেখেতৰ এখনি স্মৃতি-সভা বহিছিল। বোধকৰো, সঙ্গীত সম্মিলনৰ নিৰ্দ্দেশত, অসমৰ আন আন ঠাইতো সেই-দিনা স্মৃতি-সভা পাতি স্বৰ্গীয় বৰুৱালৈ শ্ৰদ্ধাঞ্জলি দিছিল।

বীৰপূজাই জাতীয়জীৱনক উৎসাহ-উদগনি দিয়ে, তাক বুজাই নকলেও হয়। অসমত "বীৰপূজা" হয় কিন্তু লাহে লাহে। ভাৰতৰ আন আন প্ৰদেশৰ তুলনাত অসমত "বীৰ-পূজালৈ" উৎসাহ সেনেকা। ডেকাসকলে, এই কথাটোলৈ মন কৰিব বুলি আশা কৰো। নহলে নো, স্বৰ্গীয় লক্ষ্মীৰাম বৰুৱাক ইমান দিন পাহৰি থাকিব পাৰিলেহেঁতেন নে?

সি সময়ত অসমৰ নগৰ আনকি গাঁওবিলাকতো বঙালী গীত-মাতে বাৰিষাৰ বানৰ দৰে সোমাই পেলাই-ছিল, সেই সন্ধিক্ষণতে, স্বৰ্গীয় বৰুৱাই, বঙালী গানৰ চল ওভোতাই, নিভাঁজ অসমীয়া গানবিলাক অসমৰ

সভাহত বিয়পাই দি, অসমীয়াৰ সাংস্কৃতিক জীৱনত এটা নতুন ৰূপৰ চেতনা দিলে। এয়েই, অসমীয়াৰ জাতীয় জীৱনত বৰুৱাৰ বিশেষত্ব। ইয়াকেই লক্ষ্য কৰি, স্বৰ্গীয় চন্দ্ৰনাথ শৰ্ম্মাদেৱে তেতিয়াৰ "উষা" কাকতত বৰুৱা ডাঙৰীয়াৰ কথা, এইদৰে লিখিছিল, "অসমীয়া সাহিত্যত তেওঁৰ ( বৰুৱাৰ ) ঠাই দেশপূজ্য হেমচন্দ্ৰৰ লগত।" অৰ্থাৎ হেমচন্দ্ৰ বৰুৱাই অসমীয়া সাহিত্যৰ পুলিটি যেনেকৈ কই দিলে, সেইদৰেই লক্ষ্মীৰাম বৰুৱাইয়ো অসমীয়া "আধুনিক সঙ্গীতৰ" পুলিটি কই দিলে।

এইজন জাতীয় বীৰ লক্ষ্মীৰামৰ জীৱনলৈ চকু দিলেই, ক্ৰমে ক্ৰমে, এটা বিশেষ কথা আমাৰ চকুত পৰে যে প্ৰতিভাৱান লোকৰ প্ৰতিভা এদিনে নহয় এদিনে প্ৰকাশ পাবই। প্ৰতিভাৱানৰ প্ৰতিভা এনেয়ে কেতিয়াও লোপ নেপায়। লক্ষ্মীৰামৰ জীৱনীয়ে আমাক তাকেই কয়।

উত্তৰ গুৱাহাটীৰ শিলসাঁকোত, বেজদলৈ ভৱানী বৰুৱাৰ বংশত, ১৮৬৫ চনত বৰুৱাৰ জন্ম হয়। তেওঁৰ দেউতাকৰ নাম আছিল ৺বেণাৰাম বৰুৱা আৰু মাকৰ নাম আছিল ৺সেউতী বৰুৱা ( মজিন্দাৰ বৰুৱাৰ বংশৰ জীয়াৰী )।

লক্ষ্মীৰামৰ এবছৰ বয়সতে, তেওঁৰ পিতৃ-মাতৃ হানি হয়। লক্ষ্মীৰাম, তেওঁৰ বৰ ককাইদেৱাক ললিতৰাম বৰুৱাৰ যত্নতে ডাঙৰ-দীঘল হয়।

ক্ৰম ক্ৰমতে, উত্তৰ গুৱাহাটীৰ মজলীয়া ইংৰাজী স্কুলতে লক্ষ্মীৰামক পঢ়িবলৈ দিয়ে। লক্ষ্মীৰাম চোকা বুদ্ধিৰ ল'ৰা আছিল। সেই স্কুলত ৫।৬ বছৰ পঢ়ি, পৰীক্ষা "পাছ" কৰি বৃত্তি ধৰে ; তেতিয়া গুৱাহাটীৰ হাইস্কুলৰ চতুৰ্থ শ্ৰেণীত ( এতিয়া সপ্তম শ্ৰেণী) নাম লগাই দিয়ে।

লক্ষ্মীৰামৰ মাতটো বৰ মিঠা আছিল। সৰুৰে পৰা তেওঁৰ জন্মগত সঙ্গীতত ৰাপ আছিল। তেতিয়া গুৱাহাটী চহৰত বঙালী যাত্ৰাদলবিলাকৰ হৈ-চৈয়ে, সকল অসমীয়াৰ চকু-কাণত চমক লগাইছিল। বিশেষকৈ গাৰ'ৰ পৰা ওলাই অহা চেমনীয়া অসমীয়া ল'ৰা-বিলাকক। লগৰীয়াৰ লগত পৰি, লক্ষ্মীৰামৰ মূৰত যাত্ৰাদলৰ বায়ু সোমাল। লক্ষ্মীৰামে পঢ়াৰ ফালে আওকাণ কৰি, যাত্ৰা-দলৰ পাছত ঘূৰিবলৈ ললে।

তেতিয়া, লক্ষ্মীৰামক নগাওঁ হাইস্কুললৈ পঠিয়া হ'ল। নগাঁৱৰ শিক্ষকসকলৰ ভিতৰত, শিক্ষক ধৰ্মেশ্বৰ গোস্বামীয়ে বৰুৱাৰ বিশেষ তত্ত্বাৱধান লৈছিল। নগাঁৱত বৰুৱাই কোনোমতে তৃতীয় শ্ৰেণীলৈ ( ক্লাছ এইট ) উঠি, তাতে অলপ দিন পঢ়ি, পঢ়া সাং কৰে। নগাঁৱতো বৰুৱাৰ মিঠা সুৰৰ গানত, তেতিয়া তাত থকা স্বনাম ধন্য গুণাভিৰাম বৰুৱা, নৱনাথ মহন্ত, পীতাম্বৰ উকিল আদিয়ে বৰুৱাক স্নেহ কৰিছিল।

ইয়াৰ পাছত, বৰুৱাই চাকৰিলৈ মন মেলিলে। তেওঁ নগাঁৱৰ পৰা গৈ, মঙ্গলদৈৰ জাহাজ কোম্পানিত সৰু কাম এটাত সোমালগৈ। অলপ দিন মঙ্গলদৈত থকাৰ পাছত, বৰুৱা চিলঙলৈ, কাম বিচাৰি গ'ল। বৰুৱাই হেনো চিলঙলৈ যাওঁতে, শুদা ভৰিৰে চাৰি দিন খোজ-কাঢ়ি গৈছিল। তেওঁৰ লগত মাথোন আছিল আঠ অনা পইচা।

চিলঙতো বৰুৱাক, মিঠা-গলাৰ গানত, অসমীয়া-বঙালী সকলোৱেই সহানুভূতিৰে আদৰ কৰিছিল।

বৰুৱাৰ এটা বিশেষ শক্তি আছিল যে, ক'ৰবাত অলপ সময়লৈও, কিবা নতুন ৰাগ-ৰাগিণী শুনিলে, সেই ৰাগ-সুৰ বৰুৱাই মনত লৈ আনি, অলপো ভুল নোহোৱাকৈ, সেইদৰেই ঘৰত বা আন ঠাইত গাবহি পাৰিছিল। বৰুৱাৰ এই বিশেষ গুণে, ডাঙৰ-সৰু সকলোকে মোহিত কৰি তেখেতৰ ওচৰলৈ টানি আনিব পাৰিছিল।

চিলঙত, ক্ৰমে-ক্ৰমে বৰুৱাই এটা একটিং-কামত সোমায়। অলপ দিনৰ পাচতে এটা ৪৫৲ টকীয়া দৰ্ম্মহাৰ স্থায়ী কাম পায়। চিলঙত লক্ষ্মীৰাম বৰুৱা সাত বছৰ আছিল। চিলঙত, সঙ্গীতৰ যোগেদি, বৰুৱাক বিশেষকৈ আদৰ কৰিছিল দুজন ভদ্ৰলোকে ; প্ৰিয়লাল বসু আৰু গুৰুচৰণ দত্তই। চেতাৰ আৰু বেহেলাত বৰুৱা সিদ্ধহস্ত আছিল। এদিন গুৰুচৰণ দত্তই লক্ষ্মীৰামক বেহেলা এখন দি কলে—তাৰ সলনি তেওঁক লেভেণ্ডাৰ তেল এবটল দিবলৈ। বৰুৱাই গুৰুচৰণ দত্তক তেল এবটল দি কৈছিল, তেওঁৰ যেন বেহেলাৰ সুৰ, সেই তেল-বটলৰ গোন্ধৰ দৰে, গোটেই অসমত বিয়পি পৰে। ঈশ্বৰৰ ইচ্ছাত সঁচাকৈয়ে সেয়ে হ'ল। আজিও, বৰুৱাৰ বেহেলাৰ সুৰৰ প্ৰতিধ্বনি সঙ্গীত পিপাসুসকলৰ মুখত শুনা যায়। এইখিনিতে মনত পৰে, বৰুৱাৰ পাচত, গোটেই অসমত বেহেলাৰ সুৰত জনাজাত হোৱা, অসম গৱৰ্ণৰৰ ৰাজপ্ৰসাদত মেডেল পোৱা, গুৱালপাৰাত জন্ম হোৱা, ডিব্ৰুগড়ত ডাক্তৰী কামত গোটেই জীৱন অতিবাহিত কৰা, কথাৰে ডাঙৰ-সৰু সকলোকে মুহিব পৰা, স্বৰ্গীয় উমেশ চন্দ্ৰ দাসলৈ।

সঁচাকৈয়ে বেহেলাৰ ললিত সুৰ যাৰ প্ৰাণত সোমায়, তেওঁ সকলোকে মুহি, সকলোৰে প্ৰিয় হ'ব পাৰে।

চিলঙত তেতিয়া, অসমীয়া বঙালী সকলোটিয়ে মিলি লক্ষ্মীৰাম বৰুৱাক কেন্দ্ৰ কৰি, এটি "থিয়েটাৰ হল" প্ৰতিষ্ঠা কৰিলে। প্যাৰী বাবু ব্যাণ্ড মাষ্টাৰ আৰু বৰুৱা এচিচ্‌টেণ্ট ব্যাণ্ড মাষ্টৰ হৈ, থিয়েটাৰ হলটো সুন্দৰকৈ চলাইছিল।

চিলঙত থাকোঁতে যোগী-যোগেশ্বৰ কটকী, গুণ-গোবিন্দ বৰুৱা, শম্ভুৰাম বৰা, দানবীৰ ৰাধাকান্ত সন্দিকৈ আদি তেখেতৰ সম্মানিত বন্ধু আছিল।

ইয়াৰ পৰা লক্ষ্মীৰাম বৰুৱা নগা-পৰ্ব্বতলৈ ( কহিমা ) বদলি হৈ যায়। ১৮৯০ চনত, তাৰ পৰা বৰুৱাক ধুবুৰীৰ ইঞ্জিনিয়েৰিং অফিচলৈ কেৰাণী কামত বদলি কৰি পঠায়।

ধুবুৰীত বৰুৱা চৈধ্য বছৰ আছিল। ইয়াতেই, তেখেতে ১৮৯২ চনত বিয়া কৰায়। ইয়াতেই ১৯০৫ চনত বৰুৱাৰ পত্নী বিয়োগ হয়। তেখেতে দ্বিতীয় বাৰ বিবাহ নকৰিলে। ল'ৰা-ছোৱালী কেইটিক লৈয়েই থাকিল। ( শ্ৰীপ্ৰফুল্ল চন্দ্ৰ বৰুৱা এম-পি, শ্ৰীপৰশুৰাম বৰুৱা—এই দুজনেই, লক্ষ্মীৰাম বৰুৱাৰ সুযোগ্য পুতেক। )

ধুবুৰীত থাকোঁতে, গুৱালপৰাৰ জমিদাৰসকল আৰু আন আন গণ্য-মান্য লোকসকল, বৰুৱাৰ মিঠা সুৰৰ গানত, বৰুৱাৰ বন্ধু হৈ পৰিল। বিশেষকৈ ৰূপসিৰ জমিদাৰৰ লগত লক্ষ্মীৰাম বৰুৱাই "সখি" বান্ধিলে আৰু গৌৰীপুৰৰ ৰাজা-বাহাদুৰ প্ৰভাত বৰুৱাৰ প্ৰিয় বন্ধু হৈ পৰিল। লক্ষ্মীৰাম বৰুৱাৰ মিঠা সুৰৰ গানতে, ধুবুৰীত সকলোটি একে ঠাই হোৱাৰ সুবিধাতে, ধুবুৰীৰ "থিয়েটাৰ হল" প্ৰতিষ্ঠা হ'ল, "বিজনি হল" স্থাপন হ'ল আৰু "আসাম এছোচিয়েছনৰ শাখা-সভা গঠন হ'ল। এই দেশ-হিতকৰ কাম কেইটাৰ কেন্দ্ৰতে লক্ষ্মীনাথ বৰুৱা আছিল। সঁচাকৈয়ে বৰুৱাৰ গান-বাজনা গুৱালপাৰাত এনেদৰে বিস্তাৰিত হৈ সকলোকে মোহিত কৰিছিল যে, সেই ঠাইৰ গাওঁ আৰু নগৰৰ সকলোৱেই বৰুৱাক উমৈহতীয়া বন্ধু বুলি লৈছিল।

ইয়াৰ পাচত ছুটি লৈ বৰুৱা গুৱাহাটীলৈ আহে। শেহত, লক্ষ্মীৰাম বৰুৱাই জীৱনৰ শেহ-ছোৱা তেজপুৰত কটায়।

তেখেত তেজপুৰলৈ আহোঁতে, তেজপুৰৰ "অ, ভা, উ, সা, সভাৰ" সম্পাদক আছিল স্বৰ্গীয় পদ্মনাথ গোহাঁই বৰুৱা। ওপৰ থাপৰ চৰকাৰী চাকৰিত অসা-পিচাকৈ আছিল, শ্ৰদ্ধেয় শ্ৰীৰাধানাথ ফুকন বেদান্ত-বাচস্পতি, স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামী আৰু স্বৰ্গীয় যোগেন্দ্ৰ নাথ বৰুৱা।

লক্ষ্মীৰাম বৰুৱাই প্ৰথমতে, তেখেতৰ নিজৰ ঘৰতে, কেইজনমান তেজপুৰীয়া ডেকাক সঙ্গীত শিকা-বলৈ লয়। ইয়াৰ অলপ দিনৰ পাচতে, লক্ষ্মীৰাম বৰুৱাক মধ্যস্থ কৰি, শ্ৰীৰাধানাথ ফুকন, হেমচন্দ্ৰ গোস্বামী, পদ্মনাথ গোহাঁই বৰুৱা, তাৰিণী ভট্টাচাৰ্য্য, মুহিধৰ ভূঞা আদি তেজপুৰৰ গণ্য-মান্যসকলে তেজপুৰত বিখ্যাত "বাণ ষ্টেজ" প্ৰতিষ্ঠা কৰে। সেই "বাণ ষ্টেজৰ" স্থাই ধৰণী হৈ, বৰুৱা "মিউজিক মাষ্টাৰ" হয়। বৰুৱাৰ আশাশুধীয়া যত্নতেই, "বাণ ষ্টেজে" অসমক ভালে কেইখন উচ্চ পৰ্য্যায়ৰ অসমীয়া নাট আৰু ভালে কেইজন অসম বিখ্যাত অভিনেতা উলিয়াই দিলে। বাণ ষ্টেজৰ অসম বিখ্যাত অভিনেতা—বোধনাথ

পটন্তীয়াৰ কথা আজিও কোনেও পাহৰা নাই। তেজপুৰত বাণ ষ্টেজৰ কথা ওলালেই, লক্ষ্মীৰাম বৰুৱাৰ কথা ওলাবই।

তেজপুৰত থাকোঁতেই, লক্ষ্মীৰাম বৰুৱাই বিখ্যাত "সঙ্গীত-কোষ" আৰু "সঙ্গীত সাধনা" কিতাপ দুখন সম্পাদন কৰি ১৯০৯-১০ চনত উলিয়ায়। মন কৰিবলগীয়া, সেই সময়ৰ উচ্চ-শিক্ষিত আৰু সৰু-বৰ সকলো সাহিত্যিকৰ হতুৱাই অসমীয়া গীত লেখোৱাই নি, বৰুৱাই নিজে অশেষ যত্নেৰে সেই গীতবিলাকৰ স্বৰ-লিপি কৰি, ৰাগ-ৰাগিণী বান্ধি যুগুত কৰি প্ৰকাশ কৰিলে। অসমীয়া সাহিত্যত "আধুনিক সঙ্গীতৰ" পুলিটি কই দিলে। তেতিয়া বৰুৱাৰ আৰ্থিক অৱস্থা স্বচল নাছিল। এই কিতাপ কেইখন সকলোৰে চকুত লগা কৰিবলৈ, ভাল কাগজ আৰু ৰঙিণ চিয়াহিৰে ছাপা কৰি উলিয়াবলৈ সৰহ পইচাৰ আৱশ্যক হৈছিল। বৰুৱাই অসমৰ দুই-এজন বন্ধু-বান্ধৱৰ ওচৰ চাপিছিল। এই সূত্ৰতে, শ্ৰীযুত দেৱেশ্বৰ শৰ্ম্মা ডাঙৰীয়াৰ (জি.পি) পৰা শুনা মতে বৰুৱা যোৰহাটলৈ আহি স্বৰ্গীয় দেৱেন্দ্ৰনাথ বৰুৱাৰ লগত দেখা কৰিছিল। মুঠতে, এই কিতাপ কেইখন উলিৱাওতে, শ্ৰীযুত ৰাধানাথ ফুকন, স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামী, স্বৰ্গীয় দেৱেন্দ্ৰনাথ বৰুৱা, স্বৰ্গীয় ৰাজা-বাহাদুৰ প্ৰভাত বৰুৱা আদিৰ পৰা যথেষ্ট উৎসাহ উদগণি পাইছিল। মন কৰিবলগীয়া, কিতাপ কেইখন ওলালতেই অসমৰ নগৰ, গাৱঁত, বৰ-সৰু সকলোৰে মুখত অসমীয়া গীত হে শুনিবলৈ পোৱা হ'ল। সস্তীয়া বঙালী গীতবিলাক কিছুদিনলৈ অসমীয়াৰ মুখত শুনিবলৈ পোৱা নাছিল বুলি বহুতৰ মুখত শুনা যায়। অসমীয়া জাতিলৈ, অসমীয়া সাহিত্যলৈ বৰুৱাৰ এই জাগৰণটোৱেই মহৎ অৱদান।

লক্ষ্মীৰাম বৰুৱাৰ হতুৱাই চৰকাৰৰ শিক্ষা বিভাগেও তেওঁবিলাকৰ "নেনুৱেলত" কিছুমান গীতৰ স্বৰলিপি কৰোৱাই লৈছিল। বৰুৱাই ইংৰাজীত এখন স্বৰলিপি ( Notation ) লিখিবলৈ লৈছিল আৰু সঙ্গীত সম্বন্ধে "বীণাপাণি" নামৰ আলোচনী এখন উলিয়াবলৈ যো-জা কৰিছিল। বৰুৱাৰ অকাল মৃত্যুত তেখেতে পাতি লোৱা কাম কেইটা হৈ নুঠিল।

লক্ষ্মীৰাম বৰুৱাৰ প্ৰতিভা সঙ্গীতৰ যোগেদি, গোটেই দেশত (তেতিয়াৰ পূৰ্ব্ব বঙ্গ আৰু অসম) বিস্তাৰিত হৈ পৰিছিল। তেতিয়াৰ স্কুল ইন্সপেক্টৰ্‌ছ, মিছ্‌ গেৰেটে, বৰুৱাক শিক্ষা বিভাগত সঙ্গীতৰ লেকচাৰাৰ কৰি নিয়াৰ দিহা কৰিছিল। এনেতে পূৰ্ব্ব বঙ্গ আৰু অসম প্ৰদেশ ভাগি পৰাত, সেই কথাটো তল পৰিল।

লক্ষ্মীৰাম বৰুৱাৰ লিখা উচ্চ ধৰণৰ সাহিত্য আছিল। তেখেতে তেতিয়াৰ "উষা" কাকতত "সঙ্গীত" আৰু "ৰাগ-ৰাগিণী গোৱাৰ সময় আৰু ঠাট" সম্বন্ধে প্ৰাঞ্জল প্ৰবন্ধ লিখিছিল। প্ৰবন্ধ কেইটাত বৰুৱাই উচ্চ সঙ্গীতৰ কথা উজু ভাষাত আলোচনা কৰি, পাঠকসকলক দিছিল। সঙ্গীত শাস্ত্ৰত পাৰ্গত নহলে, সঙ্গীতৰ ইমান কঠিন আৰু জটিল কথা, ইমান উজুকৈ কেতিয়াও লিখিব নোৱাৰিলেহেঁতেন। প্ৰবন্ধ কেইটায়ে বৰুৱাৰ অসাধাৰণ প্ৰতিভাৰ চিনাকি দিয়ে।

গোটেই অসমৰ পৰ্ব্বত-ভৈয়ামত, যেনেকৈ লক্ষ্মীৰাম বৰুৱাৰ সুৰদী বেহেলাৰ সুৰ আমোল-মোলাই কেউফালে প্ৰতিধ্বনিত হৈছিল, সেইদৰেই তেখেতৰ মিঠা-গলাৰ গীতৰ ধ্বনি আৰু সঙ্গীতত পাণ্ডিত্যৰ কথা অসমৰ সীমা পাৰ হৈ বোম্বাই চহৰলৈকে জনাজাত হৈছিল। তেতিয়া সদৌ ভাৰতৰ সঙ্গীত চৰ্চাৰ সুধী সমাজে বোম্বাইৰ "অল ইণ্ডিয়া একাডেমি অব্‌ মিউজিক" ( All India Acadamy of Music ) চোচাইটিৰ পৰা লক্ষ্মীৰাম বৰুৱাক "এছোচিয়েট্‌" ( Associate ) খিতাপ দি ডিপ্লোমাৰে সন্মানিত কৰিছিল।

লক্ষ্মীৰাম বৰুৱাই অসমৰ সঙ্গীত জগতত, যিবিলাক কাম কৰিবলৈ হাতত আউতি লৈছিল, তেখেতৰ অকাল মৃত্যুত, সকলো কথা সপোনৰ ছাঁয়াৰ দৰে শূন্যত বিয়পি নাইকিয়া হ'ল।

প্ৰাকৃতিক সৌন্দৰ্য্যৰ তেজপুৰ চহৰত, ১৯১৪ চনৰ ১৫ মাৰ্চ্চৰ দিনা লক্ষ্মীৰাম বৰুৱাই ইহধাম এৰি, অসমৰ সঙ্গীতজ্ঞ আৰু সাহিত্যিকসকলক কন্দুৱাই থৈ গ'ল। তেখেতৰ মৃত্যুত তেতিয়াৰ অসমৰ কাগজ কেইখনে আৰু বহুতো সভা-সমিতিয়ে তেখেতৰ বিয়োগত শোক প্ৰকাশ কৰি কৈছিল, অসমী আইৰ এজন সুযোগ্য সন্তান অন্তৰ্দ্ধান হ'ল।

তেজপুৰৰ "বাণ ষ্টেজ" তেওঁবিলাকৰ প্ৰাণস্বৰূপ বৰুৱাক হেৰুৱাই বিশেষ শোক পালে।

বাণ ষ্টেজে এখন বিশেষ শোক-সভা আয়োজন কৰি, বৰুৱাৰ এখন ডাঙৰ ছবি ষ্টেজত" প্ৰতিষ্ঠা কৰে। সেই সভাত, স্বৰ্গীয় পদ্মনাথ গোহাঁই বৰুৱাই কৈছিল যে বৰুৱাই বিশ্ববিদ্যালয়ৰ উচ্চ শিক্ষা নোপোৱাকৈয়ে, কোনো চৰকাৰৰ ডাঙৰ কামত নথাকিও, নিজৰ ঈশ্বৰদত্ত প্ৰতিভাৰ বলত, দেশক আৰু জাতিক সন্মানিত কৰিছিল। গোহাঁই বৰুৱাই আৰু কৈছিল—"কেৱানীৰ বীৰত্বৰ পূজা কৰা তেজপুৰত নতুন দেখিলোঁ"। ই অকল অসমত নতুন নহয়, ই ভাৰতত নতুন।" সেয়েহে ক'ব খোজো, প্ৰতিভাবান মানুহৰ প্ৰতিভা একালে নহয় একালে প্ৰকাশ হ'বই। পোহৰক কোনেও যাঁৰ দি লুকুৱাই থ'ব নোৱাৰে।

"বাণ ষ্টেজে" সেইদিনা লক্ষ্মীৰাম বৰুৱাই ভাল পোৱা গোহাঁই বৰুৱাৰ "সাধনী" নাটখনি অভিনয় কৰি, স্বৰ্গগত আত্মাৰ শান্তি কামনা কৰিছিল।

বৰুৱাৰ আৰ্থিক অৱস্থা স্বচল নাছিল। সেইবাবে, তেখেতৰ বন্ধু-বান্ধৱসকলে, বৰুৱাৰ সৰু সৰু ল'ৰা-ছোৱালীৰ ভৰণ-পোষণৰ বাবে এটি ফণ্ড খুলিছিল। এই ফণ্ডলৈ, তেখেতৰ পুৰণি বন্ধু—ৰাজা প্ৰভাত চন্দ্ৰ বৰুৱা বাহাদুৰে এশ টকাৰ বৰঙণি এটা গোহাঁই বৰুৱা ডাঙৰীয়ালৈ পঠিয়াইছিল।

আমি লক্ষ্মীৰাম বৰুৱাৰ জীৱনলৈ চকু দিলে দেখিবলৈ পাওঁ, মানুহৰ প্ৰতিভা লুকাই নথাকে, আৰু দেখিবলৈ পাওঁ, মানুহ যি অৱস্থাতেই নথাকক, ইচ্ছা কৰিলে, নিজৰ মাতৃ-ভাষা আৰু দেশক সেৱা কৰিব পাৰে। তাৰ বাবে লাগে মাথোন অধ্যৱসায় ধৈৰ্য্য আৰু দেশ-হিতৈষিতা।

লক্ষ্মীৰাম বৰুৱাৰ জীৱনত এই কেইটা গুণকেই আমি দেখিবলৈ পাওঁ। একেষাৰ কথাতে, লক্ষ্মীৰাম এজন অসমী আইৰ কৃতী সন্তান আছিল।



# মহোহো বা মহখেদা উৎসৱ

আলোচনা ]

শ্ৰীহেমন্ত কুমাৰ শৰ্ম্মা

সৌন্দৰ্য্যৰ লীলাভূমি অসম লোকগীতি আৰু লোক-উৎসৱৰো লীলাভূমি। যুগে যুগে জনসাধাৰণৰ মাজেদি কিমান গীত-পদ আৰু ৰং-ৰহইচ যে বাগৰি আহিছে তাক কৈ শেষ কৰিব নোৱাৰি। অৱশ্যে এইটো ঠিক যে, এই আটাইবোৰ লোকগীতি আৰু লোক-উৎসৱৰ প্ৰচলন অসমৰ সকলো ঠাইতে দেখা নাযায়; ভিন্ ভিন্ গীত-উৎসৱৰ প্ৰচলন দেখা যায়। যেনে, উজনি অসমৰ পিনে হুচৰি আৰু বিহুগীতৰ আদৰ বৰ বেছি; কিন্তু নামনি অসমত তাৰ চৰ্চা মুঠেই নাই বুলি কব পাৰি। সেইদৰে উজনি অসমত নামনি অসমত প্ৰচলিত জগন্নাথৰ গীত, ভতেলি-উৎসৱ আদিৰ নাম-গোন্ধেই নাই বুলি কব পাৰি। এইবোৰ গীত বা উৎসৱ দেশৰ কোনো এক অঞ্চলত চলে কাৰণে তাক 'আঞ্চলিক গীত' বা 'আঞ্চলিক-উৎসৱ' আখ্যাও দিব পাৰি। আৰু সেয়ে হৰলা বিহু-উৎসৱ আজি-কালি অসমৰ সকলো ঠাইতে জাতি-বৰ্ণ নিৰ্বিশেষে পালন কৰা হয় বাবে তাক আমি জাতীয় উৎসৱ বুলি কওঁ।

মহোহো নামনি অসমত প্ৰচলিত এটি উৎসৱ—

যাক ওপৰত কোৱাৰ দৰে আঞ্চলিক উৎসৱ বুলিও কব পাৰি । অইন উৎসৱৰ দৰে এই উৎসৱ পতাৰো এটা নিৰ্দ্দিষ্ট দিন আছে আৰু সেইটো হ'ল— আঘোণী পূৰ্ণিমাৰ ৰাতি । মহোহো বুলিলে বুজিব লাগিব যে, ই এটা মহ খেদা উৎসৱ । এই উৎসৱৰ সধুলি গাৱঁৰ প্ৰায়বোৰ ল'ৰা আৰু ডেকাই কেবাটাও দল বান্ধি হাতত টোকোন বা লাঠী লৈ মহ খেদি ফুৰে । হাতত টোকোন লৈ মহ খেদি ফুৰা বুলিলে এইটো বুজিব নালাগিব যে, সিহঁতে লাঠীৰে মহবোৰ কোবাই খেদি দিয়ে । আচলতে মহ খেদোতাসকলে তেনে একো নকৰে । আগৰ পৰা মহখেদা উৎসৱত গোৱা কিছুমান গীত জনসাধাৰণৰ মুখে মুখে চলি আহিছে যাক 'মহোহো-গীত' নাম দিব পাৰি । মহখেদাৰ সময়ত এই উৎসৱত যোগ দিয়া ল'ৰা বা ডেকাবোৰে প্ৰত্যেক ঘৰ মানুহৰ চোতালত বৃত্তৰ আকাৰত ঘূৰি ঘূৰি মহোহো গীতবোৰ গায় । গীত গোৱাৰ সময়ত সিহঁতৰ এজনে হাতত অন্য টোকোন ডালৰ এটা মূৰ মাটিত ৰাখি আনটো মূৰ হাতেৰে ধৰি থাকে আৰু দলৰ বাকীবোৰে নিজৰ টোকোনেৰে গীতৰ তালে তালে সেই টোকোনডালত কোবাই ঘূৰি থাকে । গীতৰ সুৰ আৰু তাৰ তালে তালে লাঠীবোৰেৰে কৰা ঠনৰ্ ঠনৰ্ শব্দ সঁচাকৈয়ে উপভোগ্য হৈ পৰে । এই গীত গোৱাৰ নাময় দৰে প্ৰথমে এজনে লগাই দিয়ে, তাৰ পিছত বাকীবোৰে ধৰে । উদাহৰণ স্বৰূপে কেইটিমান গীতৰ নমুনা তলত দিয়া হ'ল—

( ১ )

এজনে লগাই দিয়ে বাকীবোৰে ধৰে

ভাল হ'উক....হউক ।
কুশল হউক....হউক ।
গোলিৰ[১] গৰু বাঢ়ক....বাঢ়ক ।
ভাখৰীৰ[২] ধান বাঢ়ক....বাঢ়ক ।

গৃহস্থে এটি পইচা দিবৰ শক্তিমন্ত কৰক ।
জয় ৰাম বোলা....জয় হৰি বোলা ।।

এই গীতটো লাঠীৰে বাজনা নবজাৱৈ এনেয়ে গায় । গীতটোক আশী: বচন বুলিয়ে কব পাৰি ; যিহেতু ইয়াৰে গৃহস্থৰ মঙ্গল কামনা কৰা হয় । 'ভাল হ'উক' এই শব্দ দুটাৰ অৰ্থৰ মিল ৰাখিয়ে 'ভাউল-দিয়া' শব্দটো উলিওৱা হৈছে বুলি অনুমান কৰিব পাৰি । এই গীতটোৰ পিছতে টোকোনেৰে বাজনা বজাই তলৰ গীতটো গায়—

এজনে লগাই দিয়ে বাকীবোৰে ধৰে :

অ' হৰি মহোহো । মহ খেদিব টোকান লৌ[৩] ।।
মহে বুলে মইছু[৪] দে । টৌপল পুৰা[৫] খালু[৬] দে ।।
টৌপলত নহল নুন[৭] । চাউল লাগে দুন দুন[৮] ।।
চাউল নেদি দিলাক কড়ি এই্তৰ[৯] ঘৰ লৰি চৰি ।।
লৰি চৰি যাওঁতে । সোণাৰ নাঙল[১০] পাওঁতে ।।
সোণাৰ নাঙল ৰূপাৰ ফাল । ইহঁতৰ ঘৰ দেইখ্বৰ[১১] ভাল ।।
বাঁহৰ পাত পকা । আমাক লাগে টকা ।।
বাঁহৰ পাত চিকিমিকি । আমাক লাগে আধুলি সিকি ।।
হাল গেল[১২] গাঁৱালে । মহ গেল পাতালে ।।
সকল মহক পাৰ কইনু ।[১৩] বুঢ়াদিয়াৰ ঘাটে ।।

বুঢ়াদিয়া নলবাৰী চহৰৰ পৰা সাত মাইল পশ্চিমে অৱস্থিত ব্ৰহ্মপুত্ৰৰ এটা উপনদী । বুঢ়াদিয়া নামটোৰ পৰা এই মহোহো গীতটোও যে নলবাৰী অঞ্চলত প্ৰচলিত তাক সহজে ঠাৱৰ কৰিব পাৰি । এই গীতটোৰ একাকি পদৰ লগত আনফাকি পদৰ অৰ্থৰ বিশেষ মিল দেখা নাযায় ; আনকি গোটেই গীতটোৰ মাজতো এটা সম্পূৰ্ণ অৰ্থ উলিয়াব নোৱাৰি । অৱশ্যে অকল এইটোৱে নহয়, মহোহোৰ কোনো গীততেই অৰ্থৰ সঙ্গতি দেখা নাযায় । আটাইবোৰে নুৰজোৰণি । সম্ভৱতঃ এই গীত ৰচোতাসকলে গীতৰ অৰ্থলৈ লক্ষ্য নাৰাখি কেৱল শ্ৰুতি মধুৰতালৈহে লক্ষ্য ৰাখিছিল ।

(১) গোলিৰ —গোহালি ; (২) ভাখ্ৰীৰ—ভড়ালৰ ; (৩) লৌ—ল (লোৱা) ; (৪) মইছু—মৰিলোঁ ;
(৫) পুৰা—পোৱা ; (৬) খালু—খালোঁ ; (৭) নুন—লোণ ; (৮) দুন—দোন ; (৯) এই্তৰ—ইহঁতৰ
(১০) নাঙল—নাঙল ; (১১) দেইখ্বৰ—দেখিব লৈ ; (১২) গেল—গ'ল ; (১৩) কইনু—কৰিলোঁ ;



অৱশ্যে এই গীতবোৰৰ ৰচক এজন নে সময়ে সময়ে ইয়াক মানুহে অদল-বদল কৰি আছে তাক জনা নাযায় ।

নলবাৰীৰ পূব অঞ্চলত কিছুমান মুছলমান মানুহে মহোহো উৎসৱৰ দিনা মানুহৰ ঘৰে ঘৰে কিছুমান নুৰজোৰণি গীত গাই পইচা বা চাউল লোৱা দেখা যায় । এওঁলোকে মহখেদোতাসকলৰ দৰে হাতত কোনো টোকোন বা লাঠী নালে ; কেৱল গীতহে গায় । উদাহৰণ স্বৰূপে—

কুপুতি কক্তি হাউৰা-কুপুতি[১৪]
আলিৰ মূৰত নলুৱা বাহা ।
ফৰ্ব্বাৎ[১৫] উলি মাইৰ্ বো[১৬] ডিমাজুৰি ভাইছুবো[১৭]
চানাকলেগি[১৮] নকৃৰিবা আশা ।
ও দাদা, চানাকলেগি নকৃৰিবা আশা ।।

ঘগা ঘগা[১৯] ঘগা ঐ মাছ মৰা ঘগা ।
আধুলি সিকি নেদাহমেনি[২০] চোতাল কৰিম বগা ।।
উঠি উঠি উঠি ঐ কায় কঠালৰ উঠি (খায় কঠালৰ মুচি ?)
গিৰিধৰীয়া বিদায় দিয়া আমি যাওঁ উঠি ।।*

নলবাৰীত বাহিৰেও টিংলা, বৰপেটা, গোৱালপাৰা আদি নামনি অসমৰ ভিন্ ভিন্ অঞ্চলত মহোহো গীত আৰু উৎসৱৰ প্ৰচলন এতিয়াও দেখা যায় । এইবোৰ অঞ্চলত প্ৰচলিত মহোহো গীতবোৰৰ মাজত দুই-চাৰিটা শব্দ আৰু বাক্যৰ ঠায়ে ঠায়ে অমিল হলেও অধিক ক্ষেত্ৰতেই সাদৃশ্য দেখা যায় । অৱশ্যে বেলেগ বেলেগ ঠাইত বেলেগ বেলেগ সুৰৰ প্ৰচলন আছে ।

বৰপেটা অঞ্চলত প্ৰচলিত 'আউনি মহোহো' বা মহখেদা উৎসৱত গোৱা গীতৰ কেইটামান নমুনা তলত দিয়া হ'ল । এই গীতবোৰো নুৰজোৰণি হোৱা কাৰণে তাৰ প্ৰকৃত অৰ্থ উলিওৱা টান ।

( ১ )

মহোহোৰে মহোহো,
মহ খেদিবা টোকান ল,
কানা-কুঁজা একফাল হো ।
কানা-কুঁজা খেদা ওৰা,
অজা মাতিলো বৰেৰ পুতা ।
অজা মাতি লবোঁ লাজ,
চাৰি বামুণৰ চাৰি কাজ ।
একলা বামুণৰ হাউৰা পেট,
হাউৰা পেটত পৰিল পানী,
যমে মানুহে[২১] টানা টানি ।।....ইত্যাদি

( ২ )

আউনি অৰণে,
মা লক্ষ্মীৰ চৰণে ।
মা লক্ষ্মী দিগাম্বৰ,
ভাখ্ৰি ভৰি মাটিত পৰ ।
ভাখ্ৰিৰে উনি দুনি,
সণাইদি বান্ধাম ধুনি ।
সণাৰে ৰংপুৰ,
চাউল লাগে একুদুন[২২] ।
ভাল হ'ক, কুশল হ'ক,
হ'ক মহা চিৰী[২৩] ।
ধনে ধানে আখ্ৰি[২৪] ৰৰক
হ'ক মহা গিৰি ।।
আবুও মই বিয়া খাওঁ ।
নাঘ নাৰিবা বণে যাওঁ ।।
বাঘ কাকা হানিয়া ।
মুইহ্[২৫] কাকা জিনিয়া ।।
মুইহৰ সিং হেকাৰ-বেকা ।
তাতে পৰিল মাছ বোকা ।।

(১৪) হাউৰা-কুপ্‌তি—ডাঙৰ কপৌ ; (১৫) ফৰ্ব্বাৎ—ফৰ্‌তি ; (১৬) মাইৰবো—মাৰিব ;
(১৭) ভাইছুবো—ভাঙিব ; (১৮) চানবেলেগি—পোৱালীলৈ ; (১৯) ঘগা—এখন স্থানীয় বিল ;
(২০) নেদাহমেনি—নিদিয়ালৈ ; (২১) মান্‌হে—মানুহে ; (২২) একুদুন—একোদোন ; (২৩) চিৰী—শ্ৰী ;
(২৪) আখ্ৰি—আওৰি; (২৫) মুইহ—ম'হ ।

*এই গীতটো উক্ত অঞ্চলৰ শ্ৰীমান নৃপেন্দ্ৰ চন্দ্ৰ দত্ত এম এৰ সৌজন্যত পোৱা ।

মাছ বোকাৰ দীঘল ঠোঁট ।
কুৰে মাৰ ধাপ-ধুপ ॥
কলৰ চুচুনি বাঁহৰ দৈ ।
ভাল-ভালুকী নাচন দেই ॥....ইত্যাদি

"কলৰ চুচনি....নাচন দেই ॥" এই পদফাঁকি প্ৰসঙ্গত কব লগা এয়ে যে, মহোহো উৎসৱত কিছুমান ঠাইৰ ল'ৰাই লগৰ এজনক কলৰ চোচনি বা কল-ঠৰুৱা গাত মেৰুৱাই ভালুক সাজি ঘৰে ঘৰে মহ খেদি ফুৰে । কিছুমানৰ বিশ্বাস যে, আচল ভালুকে দেখিলে সেই ভালুক-সজা ল'ৰাটোক মাৰিবলৈ খেদি আহে ; সেইহে ভালুক সজা লৰাটোক দলৰ বাকীবোৰে মাজত লৈ যায় । আৰু এটি লোক-বিশ্বাস যে, সেই কল-চোচনি পালে কুমন্ত্ৰ কৰি ভালুক হোৱা ল'ৰাটোক মাৰি পেলাবও পাৰি । সেই কাৰণে মহখেদা উৎসৱৰ পিছতেই হেনো ল'ৰাবোৰে সেই ৰাতিতে কলৰ চোচনিবোৰ আনে সৰ নোপোৱা ঠাইত পুতি থৈ আহে গৈ । অৱশ্যে এইবোৰ ধাৰণা আজিকালি মানুহৰ মাজৰ পৰা উঠি যাব ধৰিছে আৰু আজিকালি ল'ৰা-ভালুক-সজা প্ৰথাটো প্ৰায় নাই বুলিয়ে কব পাৰি ।

মহখেদা গীতৰ অন্তত গৃহস্থৰ পৰা পইচা বা চাউল ভিক্ষা কৰা হয় ; কিন্তু গৃহস্থই দিয়াত হেলা কৰা যেন দেখিলে মহ খেদোতাসকলে ঠাট্টা কৰি গায়—

( ৩ )

আহিছো ভকত মাৰিছো খুটি ।
নেদাহ মানে নাযাওঁ উঠি ॥
চন্দ্ৰকটো লৰে চৰে ।
পইচাটো ওলাই পৰে ।
দিওঁ বুলি ভুবুকে[27] মাৰে ॥

আমি খাওঁ টেঙাই দি ।
মহ যায় চেঙাই[28] দি ॥

আমি খাওঁ ডালি দি ।
মহ যায় আলি দি ॥
আঁহাৰ ঘৰত বুঢ়া উ ।
বুঢ়ী হাগে একো টৌ ॥
আঁহাৰ[29] ঘৰত ভাঙা কাচি ।
বুঢ়ী হাগে একো পাচি ॥
আঁহাৰ ঘৰত ভাঙা দা ।
বুঢ়ী হাগে একো না[30] ॥....ইত্যাদি

মঙ্গলদৈ অঞ্চলত প্ৰচলিত গীতৰ নমুনা—

শাৰী হোৰে শাৰী হো ।
কণা-কুঁজা এফাল হো ॥
কণা-কুঁজা খোঁৱা খোৱা ।
ওজা মাতো বৰেৰ পুৱা ॥

গোৱালপাৰাৰ পিনে আকৌ গায়—

লাউৰ মাত ঝিলাও লাউঁ ।
সকৃখায়া নিন্ পালাওঁ ॥
নিন্‌খিনি হাচাৰে ।
চকুটিপা নাচেৰে ॥ ইত্যাদি

মহখেদোতাসকলে এই উৎসৱত যি পইচা বা চাউল পায় তাক তেওঁলোকে হয় নদীৰ পাৰত 'বালি-ভাত' নাইবা ঘৰতেই 'লগভাত' বা 'দলভাত' খায় । কিছুমানে আকৌ এই পইচা আৰু চাউল বেচি পোৱা পইচাখিনি ধূপ কৰি নামৰ উৰুকালৈ সাঁচি থয় । উৰুকাৰ ৰাতি মেজিৰ ওৰিত ভেলাঘৰ বান্ধি সেই পইচাৰে লগভাত খায় ।

মহোহোক উজনি অসমৰ হুচৰি গোৱা প্ৰথাৰ লগত কিছু পৰিমাণে তুলনা কৰিব পাৰি । হুচৰি গীত অৱশ্যে বঙালী বিহুৰ সময়তহে গোৱা হয় । হুচৰিত একোখন গাঁৱৰ নাইবা একোটা খেলৰ ল'ৰা-ডেকা-বুঢ়া সকলো গোটখাই ঘৰে ঘৰে গৈ ভগবানৰ নাম-কীৰ্ত্তন কৰে । তেওঁলোকে হাতত লাঠি নিনিয়ে ;

(২৬) চুচনি—চোচনি (২৭) ভুবুকে—আশাদি ; (২৮) চেঙা—বৰপেটাৰ ওচৰৰ এখন গাওঁ ; (২৯) আহাৰ—এওঁলোকৰ, ইহঁতৰ ; (৩০) না—নাও বৰপেটা অঞ্চলত প্ৰচলিত এই গীত তিনিটা বৰপেটাৰ শ্ৰীযুত শ্ৰীৰাম চন্দ্ৰ দাসৰ পুতেক শ্ৰীমান দামোদৰ চন্দ্ৰ দাসৰ পৰা পোৱা হৈছে । —লেখক ।



তাৰ পৰিবৰ্ত্তে নিয়ে ঢোল, পেপা, টকা, তাল আদি বাদ্য । হুচৰিত প্ৰথমে তেওঁলোকে গোসাই ঘৰত নাম-কীৰ্ত্তন কৰে ; তাৰ পিছতহে নিজ আৰু অইন গাঁৱৰ মানুহৰ ঘৰলৈ হুচৰি গাবলৈ যায় । হুচৰিত প্ৰথমে গৃহস্থৰ কুশলৰ অৰ্থে হৰিধ্বনি কৰি ঘূৰি ঘূৰি চোতালত নাম-কীৰ্ত্তন কৰে ; তাৰ পিছতহে ডেকাবোৰে বাজনা বজাই বিহু মাৰে । গীতৰ শেষত গৃহস্থই শক্তি অনুসাৰে এখন বঁটা নাইবা শৰাইত তামোল-পান, গামোচা বা চেলেঙৰ লগতে টকা-পইচা আগবঢ়াই সেৱা জনায় । বাইজে আশীৰ্ব্বাদ দি বস্তুখিনি লয় । হুচৰিত পোৱা চেলেং বা গামোচা তেওঁলোকে ভগাই লয় আৰু টকাৰে মাছ-লোণ আদি কিনি ভগাই খায় । মহোহোত কিন্তু তেনে নকৰে ; তাত পোৱা পইচা আৰু চাউলেৰে লগভাতহে খোৱা হয় মাত্ৰ ।

অন্যান্য লোক-উৎসৱৰ দৰে মহোহো উৎসৱৰো উৎপত্তিকাল সঠিককৈ নিৰ্ণয় কৰা টান । এই প্ৰথাটো যে অতি প্ৰাচীন তাক প্ৰমাণ কৰিবলৈকো বিশেষ যুক্তি পোৱা নাযায় । অৱশ্যে ই যে একেবাৰে আধুনিকো নহয়, এইটোও ঠিক । গীতৰ এঠাইত থকা "চাউল নিদি দিলে কড়ি" এই ফাঁকিটোৰ পৰা এই প্ৰথাটোৰ উৎপত্তিকাল সম্বন্ধে অলপ অনুমান কৰিব পাৰি । আমাৰ দেশত মুদ্ৰাৰ প্ৰচলন হোৱাৰ আগেয়ে কড়িৰ প্ৰচলন আছিল । চাউলৰ ঠাইত কড়ি পালেও যে মহখেদোতাসকল সন্তুষ্ট হৈছিল, তাক গীত ফাঁকিৰ পৰাই বুজা যায় । সেইহে অসমত কড়ি মুদ্ৰা হিচাপে চলাৰ সময়ত নাইবা তাৰ আগৰ পৰাই যে মহোহো গীত তথা মহোহো উৎসৱৰ প্ৰচলন আছে—ইয়াৰ পৰাই ধাৰণ কৰিব পাৰি ।

মহোহো উৎসৱ পতাৰ ফলত মহ আঁতৰ হওঁক নহওঁক, সি সুকীয়া কথা ; কিন্তু এই উৎসৱত গাঁৱৰ ডেকা আৰু ল'ৰাবোৰে যে বিমল আনন্দ লাভ কৰে ই ধ্ৰুৱ । আঘোণী পূৰ্ণিমা আহিলেই ল'ৰা-ডেকা সকলৰ মন আনন্দই নধৰা হয় ; পূৰ্ণিমাৰ দুই তিনি দিন আগৰ পৰাই তেওঁলোকে এই উৎসৱৰ কাৰণে ব্যস্ত হৈ পৰে । দ্বিতীয়তে এই উৎসৱৰ পৰাই ল'ৰা-ডেকাবোৰৰ মাজত স্বাভাৱিকতে ঐক্যভাৱ বঢ়াত সুবিধা মিলে । সেইহে আমি বৰ্ত্তমান সভ্যতাত দীক্ষিত হৈ পুৰণি কালৰ পৰা চলি অহা মহোহোৰ দৰে লোক-উৎসৱসমূহক বিষ চকুৰে চোৱা উচিত নহয় । নগৰৰ কথা সুকীয়া ; কিন্তু সহজ-সৰল গাওঁবাসীবোৰৰ কথা ভাবি এই উৎসৱসমূহ জীয়াই ৰখাৰ কাৰণে গাওঁবাসীক উৎসাহিত কৰা সকলোৰে কৰ্ত্তব্য ।

# চেকোশ্লোভেকিয়াৰ কবিতা

শ্ৰীমহেন্দ্ৰ বৰা

চেক জাতিৰ কবিতা জেঞ্চিয়ান ফুলৰ দৰে। মৃদু তাৰ সুৰভি, ৰং তাৰ উজ্জ্বল। তেওঁলোকৰ কবিতাত উগ্ৰ প্ৰেম নাই, উগ্ৰ বিদ্ৰোহো নাই। পুৰণি কবিতাত আছিল যদিও জানিবৰ কোনো উপায় নাই। সোতৰ শতিকাৰ মাজ ভাগত সমগ্ৰ চেক-সাহিত্য ধৰ্ম্মৰ জুইত পৰি নষ্ট হ'ল। প্ৰতি-সংস্কাৰবাদীসকলে ক্ষমতাৰ আসনত বহিয়েই পুৰণি সকলো পুথিতে খৃষ্ট-বিৰোধী মনোভাবৰ গোন্ধ পালে। কনিয়াচ নামৰ এজন ধৰ্ম্মযাজকে নিজ মুখে স্বীকাৰ কৰিছে, তেওঁ অকলে ৩০ হেজাৰ পুথি দাহ কৰা বুলি। চেক জাতিৰ সাহিত্য সেনিৰ, সমাধিভূমিৰ ওপৰত গঢ়ি তোলা সাতৰঙী কাৰেং। তাৰ পাচতো দুৰ্ভাগ্যই লগ এৰা নাই। কেইবাবাৰো চেক জাতিৰ স্বাধীনতা হেৰাইছিল। অকল কুৰি শতিকাতে দুখনকৈ মহাসমৰ চেকোশ্লোভেকিয়াৰ বুকুৰ ওপৰতে ঘটিছিল। কিন্তু সেইবিলাক দুৰ্ভাগ্যৰ আঁচোৰ তেওঁলোকৰ কবিতাত নাই।

বেছিভাগ চেক কবিতা নৈসৰ্গিক বৰ্ণনা মাথোন। সেই বৰ্ণনাৰ বৰ্ণময় মাধুৰ্য্য আছে। আইভান গলৰ এটা কবিতাত পোৱা যায় পুৱাৰ সুন্দৰ বৰ্ণনা, "জুই লাগিলে যেনেকৈ মাইকী মানুহে মণি-মুকুতাবোৰ কোঁচত ভৰাই লয়, ঠিক তেনেকৈয়ে ৰাতিয়ে তৰাবোৰ খপিয়াই নিলে। পূবৰ স্বৰ্গৰ দুৱাৰ মুকলি হ'ল। দিগন্ত নতুন পুৱাৰ ক্ষৰিত ৰক্তেৰে ৰক্তাক্ত হৈ উঠিছে। সাৰ-পাই উঠা চৰাইটোৱে ডেউকাত লাগি থকা নিয়ঁৰ কণিকাবোৰ জোকাৰি পেলাইছে। আৰু সৌ পাহাৰটোৱে কুঁৱলীৰ সাজ সোলোকাই পেলাইছে।" চেক কবিতাৰ প্ৰধান সুৰ এইটোৱেই। এক মুহূৰ্ত্তৰ অনুভূতিৰ আশ্চৰ্য্য প্ৰকাশ। তাত কোনো দৰ্শনৰ গধুৰ বোজা নাই। আছে মাথোন চিত্ৰশিল্পীৰ কলাকুশল হাতৰ ৰঙৰ নিপুণ সমাৱেশ।

অৱশ্যে কেতিয়াবা সেই নৈসৰ্গিক শোভাৰ মাজত আপোন-মনৰ প্ৰতিফলনো দেখা পায়, চেক কবিয়ে। চেলাকভ্স্কিৰ 'হেৰোৱা আনন্দ' নামৰ কবিতাটো তাৰে সুন্দৰ নিদৰ্শন। তেওঁ লিখিছে, "হেৰা ওক গছ! এই ৰাতিপুৱা তুমি ক'ৰ পৰা আহিছিলা, ধুঁৱলীয়া কুঁৱলীৰ সাজ পিন্ধি? মোৰ তাহানিৰ আনন্দবোৰ ক'ত হেৰাই গ'ল বাৰু? তুমি কি পূবৰ পিনে সৰি পৰিলা, ফুলৰ কলিক তোমাৰ সৌন্দৰ্য্য দান কৰি? নহলে কি স্বৰ্গৰ পিনে উঠি গৈছিলা আৰু জহকালিৰ ডাৱৰৰ গাত সেই ৰং সানি দিবলৈ? উঁ-হো, সেই আনন্দ ফুলৰ সুৰভিতো নাই, আকাশৰ তৰাৰ খূলতো নাই। ৰতাহে তাক ছিঙি নিছিল আৰু নৈৰ সোঁতত সিঁচি দিছিল।"

চেক কবিতা দুজন কবিৰ কাব্যেৰে উজ্জ্বল হৈ আছে। এজনৰ নাম হ'ল, জেৰোশ্লাভ ভাৰ্খলিট্স্কি; আনজনৰ নাম, আঁটনিন ছোভা। ভাৰ্খলিট্স্কিৰ লিখনিৰে চেক-সাহিত্যৰ ভঁৰাল খুন্দ খাই আছে। তেওঁ মুঠতে ৮৩ খন কবিতাৰ পুথি লিখিছিল আৰু ৪২৬৫টা খণ্ড-কবিতা। অদ্ভুত তেওঁৰ উপমাৰ বৈচিত্ৰ্য, অদ্ভুত তেওঁৰ শব্দৰ যাদুকৰী প্ৰয়োগ; আৰু তাতোকৈয়ো অদ্ভুত তেওঁৰ কাব্যৰ মাজেদি জিলিকি উঠা ছবিবোৰ। 'নীৰৱ প্ৰেম' নামৰ এটা সৰু কবিতা পঢ়িলেই আমাৰ চিনাকি হৈ যায়, এই প্ৰতিভাবান কবিৰ স'তে। তেওঁ লিখিছে, "মোৰ অন্তৰত শুই থকা অনুভূতিখিনিক দুটামান কথাৰে তোমাৰ ওচৰলৈ আনি দিব নোৱাৰোঁ। মোৰ নীৰৱ চকুৱে যিখিনি



ক'ব পাৰে, মোৰ বাবে সেয়ে যথেষ্ট। শামুকৰ খোলা, তুমিতো জানা, সাগৰৰ ঢৌৱে পাৰৰ উপকূলত সিঁচি থৈ যায়। কিন্তু সাগৰৰ গভীৰ তলিৰ দৰে, মোৰ হিয়াৰ গভীৰ তলিতো চকচকীয়া মুকুতাবোৰে জিৰণি লৈ থাকে।"

ভাৰ্খলিট্স্কিয়ে যেতিয়া ৰাতিৰ নিস্তব্ধ সৌন্দৰ্য্যৰ বৰ্ণনা দিয়ে, তেতিয়া আমাৰ মনেও সঁহাৰি জনায়। তেওঁৰ কবিতাত কিজানি ৰাতিৰ বৰ্ণনাই আটাইতকৈ মধুৰ। কেতিয়াবা আকৌ ৰূপকৰ অৱতাৰণা কৰে। এই ৰূপকবোৰ সঁচাই বৰ অনুপম। আটাইতকৈ উল্লেখযোগ্য কথা, এই ৰূপক তেওঁৰ কাব্যৰ বাহ্যিক অংগ নহয়। ই তেওঁৰ কল্পনাৰ জগতখনৰ সঁচা ঘটনা। এটা কবিতাৰ মাজত তেওঁ লিখিছে, "আটাইবোৰ শুলে। কেৱল পাহাৰৰ নামনিত এটা ক'লা ভালুকে তাৰ বেচনী নোমৰ শূন্যতাখিনি বিস্তাৰ কৰি দিছে। গছৰ ডাল-পাতবিলাক জোনাকত জিলিকি উঠিছে। জোনটোৱে ৰগা জোনাকখিনি চাৰিওপিনে মুঠিয়ে মুঠিয়ে সিঁচি দিছে। কোনোবাই যেন সেই ভালুকটোৰ নোমৰ ওপৰত আঙুলি বুলাই দিছে। চিকাৰীজনৰ দেহৰ ওৰত ভালুকটো মাটিত বাগৰি পৰিল। তেওঁ হাতৰ সোণালী জোন-ৰঙী যাঠিডাল তাৰ বুকুত বহুৱাই দিলে। যাঠিডাল উলিয়াই আনোতে, পুৱাৰ দৰে ৰঙা তেজবোৰ ওলাই আহিল।"

এই অপূৰ্ব্ব চিত্ৰ-ৰচনাই তেওঁৰ কাব্যৰ বৈশিষ্ট্য নহয়। তেওঁৰ কবিতাত এটা মিষ্টিক মনো চিনাকি পোৱা যায়। সেইবাবেই তেওঁৰ আত্মাই হেনো সৰগ-তলিৰ মুকুতাৰ দৰে নিঃসংগ জীৱন কামনা কৰে। তেওঁৰ আত্মা হেনো শুভ্ৰ নিখিলৰ দ্যুতিমান দুটা উপকূলৰ মাজত নাচি থকা এটা অকণমানি ঢৌ। তেওঁৰ কাব্যত সেইবাবেই পাওঁ সোণালী সিংহৰ সূৰ্য্য উপাসনাৰ ৰহস্যময় কথা। এনেকুৱা মিষ্টিক অথচ বৰ্ণবহুল ছবি এখন আছে 'তাৰকালিপি' নামৰ এটা কবিতাত। তাত আছে, "ৰাতিয়ে তৰা-ভৰা পুথিৰ পাতবোৰ মেলি ধৰিছে। যোৱা ৰাতিৰ আখৰবোৰ আৰু নাই। সেইবোৰ সলনি হৈ গ'ল। কুঁৱলীৰ জিলজিলীয়া পাতে ঢকা তৰাৰ আখৰবোৰ ঘোলা হৈ যোৱা যেন লাগিছে। কিন্তু জোনৰ পোহৰত পঢ়িব পৰাকৈ উজ্জ্বল হৈ আছে। এতিয়া সোণালী আখৰবোৰ পঢ়া। তোমাৰ বেদনাবোৰে পাখি মেলি দিছে। আত্মাটো কঁপি উঠিছে। তাৰ কাপোৰত লাগি থকা ধূলিবোৰ জোকাৰি উৰাই দিছে। সৌৱা চোৱা, এজনী পৰীয়ে পুথিখনৰ পাতবোৰ মনে মনে লুটিয়াই দিছেহি। তাইৰ উজ্জ্বল চাৱনিটো আকাশৰ নক্ষত্ৰবোৰৰ মাজত হেৰাই গৈছে। নতুন নতুন অচিন আখৰবোৰ কোনোবা যাদুৰ দেশৰ জুইৰ দৰে জিলিকি উঠিছে। সেই গাঁথৰৰ বাটত তোমাৰ চাৱনিটো হেৰাই যাবলৈ দিয়া। হেৰাই যাবলৈ দিয়া, আকাশত মেলি ৰখা পুথিখনৰ পৃষ্ঠাবোৰৰ মাজত।" এটা ৰাতিৰ দিন-পঞ্জী ইমান প্ৰাণময় হৈ উঠিছে, কবিৰ বুকুৰ উম পাই।

ভাৰ্খলিট্স্কিয়ে পৃথিৱীক কিমান প্ৰাণৰ উম দি ভাল পাইছিল আৰু তেওঁৰ কাব্যৰ মাজত কি মহৎ জীৱন-জিজ্ঞাসা আছিল বুজিব পাৰি, তেওঁৰ 'প্ৰাণৰ আকুতি' নামৰ কবিতাটো পঢ়িলে। কবিতাটো দীঘলীয়া। তথাপি এই কবিতাটোত ভাৰ্খলিট্স্কিৰ সমগ্ৰ ব্যক্তিত্ব ফুটি উঠিছে। সেইবাবে গোটেই কবিতাটো পঢ়িবই লাগিব। তেওঁ লিখিছে, "মই পৃথিৱীৰ সুৰাৰ দানী শেষ কৰি দিলোঁ। এতিয়া মোৰ আত্মাৰ মহাসাগৰৰ কল্লোল আৰু মোৰ দৃষ্টিৰ উত্তাপ লৈ তোমাক আহ্বান কৰিছোঁ, হে অনন্ত জীৱন! মই এই পৃথিৱীৰ সমগ্ৰ সুৰভি গ্ৰহণ কৰিছোঁ, এই পৃথিৱীৰ সমস্ত ৰহস্য জানি লৈছোঁ। মই নীল আকাশৰ ওপৰেদি উৰি গৈছোঁ। আৰু মোৰ কাপোৰত লাগি ৰোৱা তৰাৰ টুকুৰাবোৰ জাৰি পেলাইছোঁ। এই পৃথিৱীক প্ৰণাম জনাইছোঁ। তুমি মোক অকৃপণ হাতেৰে সকলো দিছা। মেঘৰ গৰ্ভত উম লৈ থকা, সূৰ্য্যৰ বুকুত জিৰণি লৈ থকা জুইৰ শিখা তুমিয়ে দিছা। সেই জুইৰ শিখাই আকাশৰ মুখ ৰঙা কৰি তোলে। আৰু সেই জুইৰ সোণালী পোহৰে সাগৰক দিয়ে, প্ৰাণৰ আশীৰ্ব্বাদ। আৰু সেই সোণালী পোহৰ

উপচি পৰে খেজুৰৰ থোপাত। সেই খেজুৰ উপচি পৰে সুৰাৰ দানীত। সেই সুৰাৰ দানীৰ পৰা উজাৰ হৈ যায় মোৰ আত্মাত। আৰু সেই আত্মাৰে ভৰি উঠে মোৰ প্ৰাণৰ আকুতি। এই যে জুইৰ শিখা, তাক মই কি বুলি অভ্যৰ্থনা জনাম ; কাৰণ এই জুয়ে নাতি অনা বতাহৰ বোকোচাত উঠি চাৰিওপিনে সিঁচৰতি হৈ পৰিব, মোৰ চিতাৰ ছাই। হে পৃথিৱী! সিহঁতে উত্তাপ দিব পাইনৰ বিশাল তৰুমূলত। নাইবা জেঞ্চিয়ান ফুলৰ গুৰিত। ওৰণিৰ মাজেদি দেখা পোৱা গাভৰুৰ নীল চকুৰ দৰে, পাতে-ঢকা জেঞ্চিয়ান ফুল-বোৰৰ গুৰিত। মই পৃথিৱীৰ সুৰাৰ দানী শেষ কৰি দিলোঁ। তাৰ প্ৰাণেৰে অভিষিক্ত হৈ মই কবৰৰ পৰা মূৰ তুলি উঠিম, অনন্ত জীৱনৰ কামনাৰে। মই চিঞৰি কম, এই যে সূৰ্য্য, সেয়া মোৰ শ্মশান-যাত্ৰাৰ জোৰৰ পোহৰ। আৰু যে সেই স্কাইলাৰ্ক, মোৰ কবৰৰ ওপৰত সূৰ্য্য-কৰোজ্জ্বল স্কাইলাৰ্কটো, সেয়া মোৰ সংগীত! আৰু এই বাসন্তী জোৱাৰৰ ৰাতি জোনাক-সনা গোলাপ ফুলপাহি। মোৰ কবৰৰ ওপৰত এয়া মোৰ প্ৰেম। এই প্ৰেমেই মোৰ জীৱন।" তেওঁৰ কাব্যৰ এই গভীৰতা আৰু চিন্তাৰ বিশালতা চেক কবিতাৰ অপূৰ্ব্ব সম্পদ। সমগ্ৰ পৃথিৱীৰ কাব্য-ভাণ্ডাৰৰে অমৃত স্বৰূপ। ভাৰ্খলিট্স্কিক চেক-কবি বুলি কলে ভুল হ'ব। তেওঁ পৃথিৱীৰ কবি। তেওঁৰ কাব্যৰ বিশ্বজনীন সুৰে পৃথিৱীৰ সকলো মানুহৰে মৰম পৰশি গৈছে।

চেক কবিতাৰ আনজন অমৰ কবি হ'ল, আঁটনিন ছোভা। তেওঁৰ কাব্যত পোৱা যায় প্ৰতীকৰ স্বচ্ছন্দ ব্যৱহাৰ। অপূৰ্ব্ব গীতময় তেওঁৰ সৃষ্টি। 'দুখলগা গধূলি' নামৰ এটা কবিতাত তেওঁ লিখিছে, "সৌ ষাঁহনিৰ পৰা দূৰৰ নাওখনলৈকে বেদনাৰে ঢকা। ডুবিব চঞ্চল পানীৰ ওপৰত ওলমি আছে নিষ্প্ৰভ কুঁৱলী। হৰিণাৰ পালেৰে ভৰা প্ৰাচীন প্ৰমোদ-কাননত খোঁৱাবৰ্ণী কুঁহিপাতৰ পৰা এটা পাতল হেঙুলীয়া ৰং জিলিকি উঠিছে। বুঢ়া ওক গছবোৰৰ মাজেদি দেখা পোৱা শেঁতা জোনটো যেন এটা তৃষ্ণাতুৰ কুকুৰ আৰু সি মৌন হৈ পুখুৰীৰ পানী খাইছে। দূৰৰ দিগন্তত বতাহে উচুপিছে। গছবোৰ কঁপি উঠিছে, কাঁচৰ ঘৰবোৰ কোবাই গৈছে। তাৰ পাচত পিতনিখনৰ ওপৰেদি অদৃশ্য হৈ গ'ল।"

এক অস্বাভাৱিক সূক্ষ্মানুভূতি তেওঁৰ কবিতাৰ বৈশিষ্ট্য। আনে সহজে উপলব্ধি কৰিব নোৱাৰে, তেওঁৰ কাব্যিক মনৰ প্ৰতিফলন। তথাপি তাৰ গভীৰতাই মন আচ্ছন্ন কৰি যায়। তেওঁৰ কবিতাত সদায় বহুতো মানস-চিত্ৰৰ মিছিল চকুত পৰে। এক মুহূৰ্ত্তৰ অনুভূতিৰ বং বুজাবৰ কাৰণে সিহঁতৰ আৱৰ্ত্তৰ সৃষ্টি হয়। সেয়ে তেওঁৰ কবিতা। এটা কবিতাত লিখিছে, "গধূলিৰ শান্ত সুৰভি সনা এল্ডাৰ গছজোপাৰে মোৰ যে কি অদ্ভুত মৰম! পানীৰ ওপৰত দোঁ খাই ফুৰোঁতে, তাৰ ছাঁটো উফৰি ফুৰে। ৰাতিৰ গভীৰতা ভাঙি ওপঙি আহিছে ক'ৰবাৰ পৰা মাছমৰীয়াবোৰৰ কণ্ঠস্বৰ। যাঁতকলৰ পাখি কেইখন কঁপিলে, মোৰো অন্তৰত কঁপি উঠে পুৰণি দিনৰ স্মৃতি। তৰা-বনৰ মাজত এটা সৰু চৰাই ঠিক যেন এটা ক'লা দাগ ; পুখুৰীৰ পানীখিনি সি কঁপাই তুলিছে। ঠিক তেনেকৈয়ে মোৰ আত্মাৰ ভিতৰলৈয়ো ক'ৰবাৰ পৰা যেন স্বপ্নিল স্বপুৰ এটা পখী উৰি আহিছে।"

চেক কবিতা সদায় যে গধুৰ ভাবেৰে পৰিপূৰ্ণ, তেনে নহয়। মাজে মাজে তৰল চিন্তাৰ কাৰণেও ঠাই আছে। তাৰ ভিতৰত লেখত পৰে, জন নিৰুদা আৰু মাচাৰৰ কবিতা। নিৰুদাৰ আটাইতকৈ উপভোগ্য কবিতা হৈছে, সুৰাৰ বৰ্ণনা। এটাত লিখিছে, "যিজনে সুৰাৰ সোৱাদ লৈ পোৱা নাই, তেওঁ মৃত্যুৰ দিনালৈকে বৰং পানী খোৱাই ভাল। যিজনে আজেবাজে বলকি পোৱা নাই, তেওঁ নো বাৰু জ্ঞানীৰ লেখত পৰে কেনেকৈ? মই যথেষ্ট আবোল-তাবোল বলকিছো ; ডেকা বয়সত মদো খালো বাৰুকৈয়ে। এতিয়া মই অসীম জ্ঞানৰ অধিকাৰী। সেইবাবে মোৰ যে ইমান আনন্দ!" কবিতাটো পঢ়িলে চীনা কবিলৈ মনত পৰে। তেওঁ-লোকেও কৈছিল, পৃথিৱীত জ্ঞানীবোৰ কিমান দিন জীয়াই থাকে? দুদিন পাচত সকলোৰে পাহৰি যায়। বিখ্যাত মাতালবোৰক কিন্তু পৃথিৱীয়ে বহুত দিনলৈকে মনত ৰাখে। নিৰুদাই বোধকৰো সেইবাবেই লিখিছে আন এটা কবিতাত, "আঙুৰ লতাবোৰে প্ৰত্যেক বসন্ত ঋতুতে বৰ বেয়াকৈ চকুলো টুকিব লাগে। জানাইতো, পৃথিৱীত তেনে মানুহৰ সংখ্যা কম, যি পানী নেখায় কেৱল মদ খায়। পৃথিৱী তাৰ আপোন-ককত বুৰিছে নে নাই, মোৰ কি প্ৰয়োজন? কেৱল চকুলো টুকি ভাবিছো, আকৌ আহিল নহয় দুখৰ দিন!"

এনেকুৱা এমোকোৰা হাঁহি লৈয়েই তেওঁলোকে জীৱন উপভোগ কৰে। যৌৱনো উপভোগ কৰে। মাচাৰে সেইবাবেই লিখিব পাৰিছে, "সূৰ্যটো যেতিয়া তললৈ নামি আহিছিল, আন্ধাৰৰ বুকুত শুবৰ কাৰণে, তেতিয়া সময় আছিল গোলাপ ফুলৰ, গানৰ আৰু উজ্জ্বল আত্মাৰ। আমাৰ প্ৰেমে তেতিয়াই পাহি মেলিছিল। এতিয়া পচোৱা বতাহ বৈ আছে এটা সোসোৰনিৰ শব্দ লৈ। গান শেষ হৈ গ'ল, গোলাপ ফুলো মৰহিল। জহৰ দিনত মোৰ হৃদয় আছিল এটা পখীৰ নীড়ৰ দৰে। তাতে এটা ৰাহ হেৰোৱা চৰায়ে খন্তেক জিৰাই গৈছিল। "তেওঁলোকৰ জীৱনত ক'তোৱেই উগ্ৰতা নাই। বৰ বেছি বেদনা নাইবা অনুশোচনা নাই। জীৱনত আৰু বহুতবাৰ প্ৰেমৰ বাণ আহিব, এয়েই তেওঁলোকৰ আশাবাদী দৰ্শন।

তেওঁলোকৰ দেশতো নতুনৰ জোৱাৰ আহিছে। কিন্তু তেওঁলোকৰ কাৰো কবিতাত তাৰ আঁচোৰ লগা নাই। মনটো সলনি হৈছে সচা ; কবিতা হলে কবিতা হৈয়েই আছে। নতুন চীনা কবিতাৰ দুৰ্দ্দশা হোৱা নাই। আগেয়ে চীনা ছোৱালীয়ে কাঠৰ জোতা পিন্ধিছিল। এতিয়া কবিতাই পিন্ধে। চেক কবিতাৰ কেৱল বিষয়-বস্তু সলনি হৈছে। ৰজাঘৰীয়া শোৱনি-কোঠাৰ সাধু আৰু নাই। জেঞ্চিয়ান ফুলৰ কোমল গোন্ধ হলে আছে। তাৰে চিন, জিৰি ৰকাৰৰ এই কবিতাটো, "আলি-কেঁকুৰিৰ সৌ চিঠিৰ বাকচটো হাঁহি উৰাই নিদিবা। সি এটা নীলৱৰ্ণী ফুল। মানুহে তাক বৰ ভাল পায়। তাৰ ওপৰত সম্পূৰ্ণ বিশ্বাস ৰাখি, তেওঁলোকে তাত দুয়ো পিনে লিখা চিঠি ভৰাই থৈ যায়। এখন দুখৰ, আনখন আনন্দৰ। চিঠিবোৰ জানিবা ফুলৰ ৰেণু। সিহঁত তাতে পৰি থাকে, যেতিয়ালৈকে ৰেল, জাহাজ আৰু পিয়নে, মৌ-মাখি আৰু বতাহৰ দৰে দূৰ-দূৰণিত সিঁচি নিদিয়েগৈ ; য'ত আছে হৃদয়, গোলাপী আৱৰণে ঢাকি থোৱা তেজবৰ্ণী গৰ্ভ-কেশৰ। চিঠিবোৰ যেতিয়া তাত পৰেগৈ, তাতে নতুন ফলৰ জন্ম হয়। কিছুমান মিঠা, কিছুমান টেঙা।" জীৱনৰ সহজ সাধাৰণ বস্তুৰ বিষয়ে এইদৰে বৰ্ণনা দিয়াটো চেক কবিতাৰ নতুন সুৰ। বহুতো নতুন কবিৰ জন্ম হৈছে। তেওঁলোকে এইবাৰ আলিৰ দাঁতিত চকু ফুৰাইছে। জীৱনৰ গলিৰ কথা লিখিছে। সেইবোৰ কবিতাৰ কিছুমান মিঠা, কিছুমান টেঙা।

---

# টাই জাতিৰ বুৰঞ্জী

( আহোম স্বৰ্গদেউসকলৰ নামত উৎপত্তি )

**শ্ৰীঅম্বেশ্বৰ চেতিয়া ফুকন**

টাই ভাষাৰ "ফা" আৰু "চু'" শব্দ আহোম স্বৰ্গদেওসকলৰ নামত ব্যৱহাৰ কৰা হৈছিল। হিন্দু-ধৰ্ম্ম গ্ৰহণ কৰা মাত্ৰ দুই-এজন ৰজাইহে হিন্দুমতে নাম ৰাখিছিল। আহোমৰ বাইলং (বাইলুং—জ্যোতিষী)-সকলে সেইবিলাক নাম দিছিল; আৰু অদ্যাপিও টাই জাতিৰ বুৰঞ্জীত সেইদৰেই লিখা আছে।

এদিন স্বৰ্গাধিপতি লেংডনে (ইন্দ্ৰদেৱতা) নিজ প্ৰেয়সী শচীৰ সৈতে সোমাৰ পীঠত পূৰ্ব্বদিশ, হীৰকূট পৰ্ব্বতৰ দক্ষিণ আৰু স্বৰ্ণাদ্ৰিৰ উত্তৰত অৱস্থিত বিহগাদ্ৰি নামৰ বন্য-ভূমি ঠাই এখনত ক্ৰীড়া কৰি ফুৰোতে বশিষ্ঠ মুনিয়ে দেখা পাই বাঘ হ'বলৈ লেংডনক শাপ দিলে। লেংডনে বাঘ ৰূপ ধাৰণ কৰি সেই অৰণ্যত বাস কৰিবলৈ ধৰিলে। কিছুদিনৰ পিছত শাপমুক্ত হৈ লেংডন পুনৰ স্বৰ্গলৈ গুচি যায়।

টাই ভাষাৰ "লিক্ফাক্'ক্" নামৰ কাকতত ইয়াৰ বিশদ বিৱৰণ দিয়া আছে। "ফা" আৰু "চু'" শব্দৰ উৎপত্তিৰ বিষয়ে দুটি মত তলত দাঙি ধৰা হ'ল।

১। ফা—আকাশ। অতীতত ব্ৰহ্মদেশেই পৃথিৱীৰ ভূ-স্বৰ্গ আছিল। আহোমসকল উত্তৰ বৰ্ম্মাৰ শ্যান দেশৰ পৰা অহা টাই জাতিৰ লোক। সেই কাৰণে, আহোম ৰজাসকলক স্বৰ্গদেও বোলা হৈছিল।

২। চু'—বাঘ। অতীতত টাই দেশৰ এজন ৰজাৰ ৰাণীৰ গৰ্ভত এগৰাকী আঁকৰী ছোৱালী জন্ম হৈছিল। তাতে ৰজাই মনত বৰ কষ্ট পালে আৰু জীয়েকে কেনেকৈ কথা কব পাৰে, সেই বিষয়ে বাইলং আদি জ্যোতিষী পণ্ডিতসকলক মতাই আনি সুধিলে। তেতিয়া পণ্ডিতসকলে গণনা কৰি ৰজাক কলে যে, যদি কোনোবাই নাগ-দেশৰ পৰা মক্ফা (এবিধ সুগন্ধি ফুল) আনিব পাৰে, তেনেহলে ছোৱালীটিয়ে কথা ক'ব পাৰিব; আৰু সেই কাম কৰোতে এশ হাতী, এশ ঘোঁৰা, এশ গাহৰি, এশ হাঁহ, এশ পাৰ, এশ কুকুৰা কাটি দেৱতাসকলক পূজা দিব লাগিব। এই কথাত ৰজা সন্মত হ'ল। পূজা আয়োজন কৰি নাগ-দেশৰ পৰা মক্ফা আনিবৰ কাৰণে ৰজাই কট্কং (মইনা চৰাই), নাংটে'ন্ (মাছৰোকা চৰাই), খেউখান্ (শালিকী চৰাই) এই তিনিওকো পঠাই দিলে। সিহঁতে ৰজাৰ আদেশ পাই উৰি উৰি গৈ নাগ-দেশ পালেগৈ। সেই সময়ত নাগ-দেশৰ কন্যাহঁতে ফুলৰ গুৰিত পানী ঢালি শেষ কৰি বিশ্ৰাম লবৰ কাৰণে আন ঠাইলৈ গৈছিল। মাত্ৰ, ফুলনিৰখীয়া হিচাবে থাকিল—এজন মালী। সেই সময়ত কট্কং চৰাইটিয়ে গছৰ ডালত পৰি সুললিত সুৰে মাতিবলৈ ধৰিলে। সেই মাত শুনি নাগ-কন্যাহঁতে আপোন পাহৰা হৈ সেই গছজোপাৰ তলত গোট খালেগৈ। নাগ-কন্যা আৰু ফুলনি ৰখীয়াই তেনেদৰে থাকোতেই, ইপিনে টেঙৰ নাংটে'নে ফুলনিৰ পৰা মক্ফা দুপাহ ছিঙি ঠোঁটত লৈ, ফুলনিত থকা সোণৰ আঁৰ-কাপোৰখন ফালি কট্কঙৰ ওচৰ পালেহি। তেতিয়া নাংটে'ন্ আৰু কট্কঙে কোনেও গম নোপোৱাকৈ উৰা মাৰি স্বদেশলৈ গুচি আহিল। নাগ-কন্যাহঁতে বহুত সময় কট্কঙৰ মাত নুশুনি বেজাৰ মনেৰে ফুলনিলৈ গুচি গ'ল। ফুলনি সোমাই সিহঁতে দেখে যে, মক্ফা দুপাহ কোনোবাই ছিঙি



নিলে; আৰু তাৰ সোণৰ আঁৰ-কাপোৰখনো ফালি থৈ গ'ল। তেতিয়াহে সিহঁতে বুজিলে যে, সুললিত সুৰে গীত গোৱা চৰাইটোৰহে সেইবিলাক কাম। সেই মুহূৰ্ত্ততে, নাগ-কন্যাহঁতে নাগ-ৰজাক সকলো কথা জনালেগৈ। নাগ-ৰজাই তৎক্ষণাৎ গীত গোৱা চৰাইটোক ধৰিবৰ কাৰণে এজনী ৰাক্ষসীক নিৰ্দ্দেশ দিলে।

ৰজাৰ আদেশ পাই ৰাক্ষসীজনীয়ে চিলনীৰ ৰূপ ধৰি আকাশেদি উৰা মাৰি কট্কঙক ধৰিবৰ কাৰণে পিছ ললে। কট্কং আৰু নাংটে'নে বহুত দূৰ গৈ উলটি চাই দেখে যে, সিহঁতক ধৰিবৰ কাৰণে এজনী ৰাক্ষসী চিলনীৰ ৰূপ লৈ উৰি আহিছে। ততালিকে কট্কঙে মক্ফা দুপাহ এজোপা ডিমৰু গছৰ শিপাৰ তলত থৈ লুকাই থাকিল। ইপিনে, নাংটে'নে ওচৰৰ সাগৰৰ পানীত মাছ ধৰা বেশ ধৰি গাঁতুলি ফুৰিবলৈ ধৰিলে। মায়াবিনী ৰাক্ষসীয়ে আকাশৰ পৰা তীব্ৰ গতিৰে নামি আহি নাংটে'নক ধৰিবলৈ থাপ মাৰোতে পাখি দুখন সাগৰৰ পানীত লাগি উৰিবৰ শক্তি নোহোৱা হ'ল। সেই ছেগতে কট্কং আৰু নাংটে'নে ডিমৰু গছৰ শিপাত লুকুৱাই থোৱা মক্ফা দুপাহ লৈ উৰি আহি ৰজাৰ দেশ পালেহি। খেউখানেও সাগৰ পাৰ হৈ আহি সিহঁতৰ লগ লাগিলেহি। ভাগৰ লগাত তিনিও এগৰাকী বেমাৰী বুঢ়ীৰ ঘৰত ৰাতিটো থাকিবৰ কাৰণে আশ্ৰয় ললে।

মক্ফাৰ তীব্ৰ গন্ধ পাই বুঢ়ীৰ বেমাৰ ভাল হৈ আহিল। তাতে বুঢ়ীয়ে বৰ আচৰিত হৈ ঘৰৰ চাৰিও ফালে চাবলৈ ধৰিলে। এইদৰে চাই ফুৰোতে হঠাৎ টোপনিত ক্লান্ত হৈ থকা চৰাই কেইটিৰ মাজত মক্ফা দুপাহ দেখি বুঢ়ীয়ে আনন্দত নাচি উঠিল; আৰু সিহঁতে গম নোপোৱাকৈ আনি মৌহ'ৰত (তিৰোতা-সকলে কাপোৰ ৰং দিয়া পাত্ৰ) লুকুৱাই থ'লে। সেইদৰে থওঁতে মক্ফাৰ আগৰ ৰূপ পৰিৱৰ্ত্তন হৈ ক'লা পৰি গ'ল; আৰু তাৰ তীব্ৰ গন্ধো কমি আহিল।

ৰাতিপুৱা চৰাই কেইটিয়ে সাৰ পাই দেখে যে, সিহঁতে বহু কষ্ট কৰি অনা মক্ফা দুপাহ তাত নাই। তেতিয়া তিনিও অনুসন্ধান কৰি ক'তো নেদেখি ভাবিবলৈ ধৰিলে, নিশ্চয় বুঢ়ীয়ে মক্ফা দুপাহ লুকুৱাই ৰাখিছে। সিহঁতে বুঢ়ীক বৰ অনুনয়-বিনয় কৰি মক্ফা দুপাহ খোজা সত্ত্বেও বুঢ়ীয়ে উলিয়াই নিদিলে; আৰু "নাই ৰখা" বুলি আগে মাতিলে। চৰাই কেইটিয়ে তাতে মনত বৰ কষ্ট পাই ৰজাৰ আগত সকলো কথা ভাঙি-পাতি কলেহি। ৰজাই মক্ফা উদ্ধাৰৰ কাৰণে কিছুমান সৈন্য সেই বুঢ়ীৰ ঘৰলৈ পঠিয়াই দিলে। সিহঁতে গৈ বুঢ়ীক নানা শাস্তি দিয়াত বুঢ়ীয়ে "মৌহ'ৰৰ ভিতৰত মক্ফা দুপাহ আছে" বুলি আঙুলিয়াই দেখুৱালে। তেতিয়া সৈন্যসকলে সেই পাত্ৰৰ পৰা মক্ফা দুপাহ লৈ ৰজাক দিলেহি। ৰজাই মক্ফা দুপাহেৰে দেৱতাসকলক পূজা দিয়াত জীয়েকে কথা কব পৰা হ'ল। তাকে দেখি ৰজা-ৰাণী আৰু ৰাজ্যৰ সমস্ত প্ৰজাই আনন্দ কৰিবলৈ ধৰিলে।

কিছুদিনৰ পিছত ৰজাৰ জীয়েক গাভৰু হ'ল। এদিন ৰজাই এখন নাও সাজি তাত নানা খাদ্যবস্তু ভৰাই দিলে; আৰু কলে যে, জীয়েকৰ নাওখনি গৈ যি ঘাটত চাপিবগৈ সেই ঠাইত যি জাতিৰ পুৰুষ দেখে, তাকে তাই বিয়া কৰাব লাগিব। নাৱত গৈ গৈ জীয়েকে এটা ঘাট পালেগৈ। নাওখনি তাৰ পৰা আৰু নোযোৱা হ'ল। সেই ঘাটৰ কিছু দূৰত ইন্দ্ৰ দেৱতাই এটা বগা বাঘ হৈ গাঁত খানি বাস কৰিছিল। ছোৱালীজনীয়ে নাৱৰ পৰা নামিয়েই বাঘৰ গাঁতটো পালেগৈ। গাঁতটো ইমান সুন্দৰ যে, ছোৱালীজনীয়ে দেখি বৰ ভাল পালে আৰু বাপেকৰ আদেশ মতে কোনোবা পুৰুষ তাত আছে বুলি অপেক্ষা কৰিবলৈ ধৰিলে। এনেতে সেই বগা বাঘটো চিকাৰৰ পৰা গাঁতলৈ উলটি আহি ছোৱালীজনীক দেখা পাই খাবৰ কাৰণে গুজৰিবলৈ ধৰিলে। তেতিয়া ছোৱালীজনীয়ে বাঘৰ আগত তাইৰ বাপেকৰ প্ৰতিজ্ঞাৰ কথা সবিশেষ বৰ্ণনা কৰিলে। বাঘৰূপী ইন্দ্ৰ দেৱতাই শান্তমূৰ্ত্তি ধাৰণ কৰি তাইক বিয়া কৰালে। বিয়া কৰাই দুয়ো মহা সুখেৰে জীৱন যাপন কৰিবলৈ ধৰিলে। কাল-

ক্ৰমে তেওঁবিলাকৰ এটি মহা তেজস্বী বীৰ সন্তান জন্মিল। সেই সন্তানৰ বংশধৰসকলে পৃথিবীত ৰজা হৈ ৰজাসকলক "চু'" অৰ্থাৎ "বাঘৰ সন্তান", "ফা" অৰ্থাৎ "স্বৰ্গদেও" বুলি নামত প্ৰয়োগ কৰিবলৈ বাইলং-সকলে পৰামৰ্শ দিলে।

আহোম স্বৰ্গদেওসকলৰ নামৰ অৰ্থ-তালিকা এখন তলত প্ৰকাশ কৰা হ'ল—

১। চু'কাফা (চু'=বাঘ, কা=যোৱা, ফা=আকাশ) আকাশৰ অধিপতি।

২। চু'তেউফা (চু'=বাঘ, তেউ=জাননী দিয়া, ফা=আকাশ) আকাশৰ বাতৰি দিয়া পুৰুষ।

৩। চু'ৰোন্‌ফা (চু'=বাঘ, ৰোন্=জাপমৰা, ফা আকাশ) জাপমৰাত পাৰ্গত পুৰুষ।

৪। চু'খাংফা (চু'=বাঘ, খাং=দলিমৰা, ফা=আকাশ) দলিমৰাত পাৰ্গত পুৰুষ।

৫। চু'খাম্‌ফা (চু'=বাঘ, খাম্=সোণ, ফা=আকাশ) সোণালী আকাশৰ দৰে যাৰ চৰিত্ৰ উজ্জ্বল।

৬। চু'তুফা (চু'=বাঘ, তু=খুন্দামৰা, ফা=আকাশ) সৰাতকৈ বলীষ্ঠ পুৰুষ।

৭। ত্যাও খাম্‌থি (ত্যাও=পুৰুষ, =খাম্‌থি=সমনে পাৰ হোৱা) সমনে পাৰ হ'ব পৰা পুৰুষ।

৮। চু'নাংফা (চু'=বাঘ, নাং=সৰজি উঠা, ফা আকাশ) আকাশ কপোৱা যাৰ মাত।

৯। চু'য়্যাংফা (চু'=বাঘ, য়্যাং=থকা, ফা=আকাশ) ওখ ঠাইত বাস কৰা পুৰুষ।

১০। চু'ফক্‌ফা (চু'=বাঘ, ফক্=গুলীবৰ্ষণ কৰা, ফা=আকাশ) হিলৈ মৰাত পাৰ্গত পুৰুষ।

১১। চু'চেন্‌ফা (চু'=বাঘ, চেন্=চিয়ঁৰা, ফা আকাশ) আকাশ-বাণী কৰা পুৰুষ।

১২। চু'হান্‌ফা (চু'=বাঘ, হান্=সাহসী, ফা আকাশ) সাহসী পুৰুষ।

১৩। চু'পিম্‌ফা (চু'=বাঘ, পিম্=কাম চপা, ফা আকাশ) সৰাতকৈ ওখ পুৰুষ।

১৪। চু'হুংমুং (চু'=বাঘ, হুং=বিখ্যাত, মুং=দেশ) বিখ্যাত দেশৰ পুৰুষ।

১৫। চু'কা-ল্যোন্‌মুং (চু'=বাঘ, কা-ল্যোন্=ধেমালি কৰা, মুং=দেশ) ধেমেলীয়া পুৰুষ।

১৬। চু'খাম্‌ফা (চু'=বাঘ, খাম্=সোণ, ফা আকাশ) সোণালী আকাশৰ দৰে যাৰ চৰিত্ৰ উজ্জ্বল।

১৭। চু'চেংফা (চু'=বাঘ, চেং=মাণিক, ফা আকাশ) আকাশৰ মাণিক।

১৮। চু'হুম্‌ফা (চু'=বাঘ, হুম্=ঢাকি ধৰা, ফা আকাশ) সকলোকে নিজৰ বশলৈ আনিব পৰা পুৰুষ।

১৯। চু'তিয়ম্‌ফা (চু'=বাঘ, তিয়ম্=মাউৰা, ফা আকাশ) মাউৰা পুৰুষ।

২০। চু'তাম্‌লা (চু'=বাঘ, তাম্=কঁটীয়া, লা=দেখি হোৱা) কঁটীয়া লাগি থকা পুৰুষ।

২১। চু'পংমুং (চু'=বাঘ, পং=বাগৰি অহা মুং=দেশ) ভ্ৰমণকাৰী পুৰুষ।

২২। চু'ন্যাত্‌ফা (চু'=বাঘ, ন্যাত্=সৰস, ফা=আকাশ) তীক্ষ্ণ বুদ্ধিৰ পুৰুষ।

২৩। চু'কা-ল্যান্‌ফা (চু'=বাঘ, কা-ল্যান্=ধ্বংস কৰা, ফা আকাশ) সৰ্ব্ব শক্তিমান পুৰুষ।

২৪। চু'হুং (চু'=বাঘ, হুং=বিখ্যাত) বিখ্যাত পুৰুষ।

২৫। তুংখাং (তুংখুঙীয়া) (তুং বহল, খাং (মুং)=দেশ) বিশাল দেশৰ ৰাজ-ফৈদৰ পুৰুষ।

২৬। চু'জিন্‌ফা (চু'=বাঘ, জিন্=শীতল, ফা=আকাশ) শান্ত পুৰুষ।

২৭। খাম্‌য়্যিংচু'নৈ্যফা (খাম=সোণ, পাৰ হৈ যোৱা, য়্যিং=মাইকী, চু'=বাঘ, নৈ্য=ভাগৰি পৰা, ফা=আকাশ) পত্নী-বিয়োগত কাতৰ হোৱা পুৰুষ।

২৮। চু'লিক্‌ফা (চু'=বাঘ, লিক্=লোহা, ফা=আকাশ) লৌহ-মানৱ।



২৯। নাঙ্গিচু'পাত্‌ফা (নাঙ্গি=দ্বিতীয়, চু'=বাঘ, পাত্=কটা, ফা=আকাশ) বাঘ-হত্যা কৰা পুৰুষ।

৩০। নাইপ'ম্‌চু'খংফা (নাই=প্ৰথম, প'ম্=বৰমুৰীয়া, চু'=বাঘ, খং=বস্তু, ফা=আকাশ) আদি বীৰ পুৰুষ।

৩১। চেংদন্‌চু'তন্‌ফা (চেং=মাণিক, দন্=ৰসিক, চু'=বাঘ, তন্=বন্ধ কৰা, ফা=আকাশ) সৰ্ব্বজন প্ৰিয় ধেমেলীয়া পুৰুষ।

৩২। চেংপ'মুচু'ন্যোন্‌ফা (চেং=মাণিক, প'=হত্যা কৰা, মু=গাহৰি, চু'=বাঘ, ন্যোন্=নৰমৰা, ফা=আকাশ) পাৰ্গত চিকাৰী পুৰুষ।

৩৩। চু'ধেন্‌ফা (চু'=বাঘ, ধেন্=টেঙৰ, ফা=আকাশ) কূট-নীতিবিদ্ পুৰুষ।

৩৪। চু'ন্যোওফা (চু'=বাঘ, ন্যোও=নিকটা, ফা=আকাশ) সমাজপ্ৰিয় পুৰুষ।

৩৫। চু'হিতপংফা (চু'=বাঘ, হিতুপং=বাঢ়ি অহা মঙ্গহ, ফা=আকাশ) শকত বা বলীষ্ঠ পুৰুষ।

৩৬। চু'ক্লিন্‌ফা (চু'=বাঘ, ক্লিন্=ধেমালি কৰিবলৈ যোৱা, ফা আকাশ) আমোদপ্ৰিয় পুৰুষ।

৩৭। চু'ডিংফা (চু' বাঘ, ডিং ৰঙা, ফা=আকাশ) তেজাল পুৰুষ।

৩৭। চু'ডিংফা (চু=বাঘ, ডিং=ৰঙা, ফা=আকাশ) তেজাল পুৰুষ।

---

# অসমীয়া লোক সাহিত্য

## শ্ৰীলীলা গগৈ

ইংৰাজীৰ ফ'কল'ৰ (Falklone) শব্দটো আজিকালি সাধাৰণতে লোক সাহিত্যৰ অৰ্থত ব্যৱহাৰ কৰিলেও, এই শব্দটোৰ মূল অৰ্থ কিন্তু ব্যাপক। ফ'কল'ৰ বুলিলে লোক-সাহিত্য, লোক-বিশ্বাস, লোক-পৰম্পৰা আদি সকলো বিষয় ইয়াৰ ভিতৰত পৰে। লোক-বিশ্বাস, লোক-পৰম্পৰা আদি লোক সাহিত্যৰ যোগেদি প্ৰতিভাত হৈ উঠে বাবে আজিকালি সাধাৰণ অৰ্থত ফ'কল'ৰ মানে লোক সাহিত্যিকে বুজোৱা হয় কিন্তু ব্যাপক অৰ্থ ব্যাপক হৈয়ে থাকে। এই শব্দটোৰ ব্যাপক অৰ্থই লোকগীত, সাধুকথা, ফকৰা-যোজনা, পটন্তৰ, সাঁথৰ, ভূত-প্ৰেত বিশ্বাস আৰু আদিম কালৰ আদিম মানৱৰ বিভিন্ন বিশ্বাস আদিকো সামৰি লয়। ভেকুলী বিয়া পাতিলে বৰষুণ দিয়া, তিনি আলিৰ মূৰত কান্দনি কলাই ভাব এখন পেলাই দিলে কেচুৱাৰ কান্দোন ভাল হোৱা, চকুত লোগ হলে অপেচৰীৰ দোষ হোৱা আৰু তাক নিবাৰণ কৰিবলৈ চোতালত কলপিঠা খুৱাই আশীৰ্ব্বাদ লোৱা আদি লোক-বিশ্বাস-সমূহ বা ইয়াৰ লগত জড়িত থকা উপকথা আদি ফ'কল'ৰৰ ভিতৰত পৰে।

সাহিত্য সমাজৰ প্ৰতিবিম্ব। লোক সাহিত্যত লোক সমাজৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, আৱেগ-অনুভূতি আদিৰ প্ৰতিচ্ছবি দেখিবলৈ পোৱা যায়। সাহিত্যৰ আদিম ৰূপটো শ্লোক বা গীত। গতিকে লোক সাহিত্যৰ অধিকাংশ সম্ভাৱেই গীত; অৱশ্যে কথাও নোহোৱা নহয়, আছে, সেয়েই হল সাধু কথা। লোক গীতবোৰৰ ছন্দ, ভাব, ভাষা আৰু গতি যেনে উন্মুক্ত, সবল, সহজ আৰু আকৰ্ষণীয় তেনে কৈ সাধু-কথা বা লোক কথাবোৰবো ভাষা জনসাধাৰণৰ কথিত

ভাষাৰ গাঁচত চলা আৰু গতি উন্মুক্ত। সাধুকথা আৰু গীত দুয়োবিধেই আজি হেজাৰ হেজাৰ বছৰৰ পিছতো আদিম যুগৰ মনৰ কথা কব পাৰে। সেইদৰে ফকৰা-যোজনা পটন্তৰ আদিত যুগৰ অভিজ্ঞতা আৰু জ্ঞান সঞ্চিত হৈ আছে। সেইদৰে সাঁথৰবোৰ আদিম বুদ্ধি জোখাৰ এক উত্তম উপায়। আমাৰ ভাষাত থকা সৰু-সুৰা সাঁথৰবোৰৰ দৰে সংস্কৃত ভাষাতো ব্যাপক অৰ্থবোধক সাঁথৰ কিছুমান আছে। অসমীয়া ভাষাত থকা ভকতীয়া ফকৰাবোৰ বাস্তৱিকতে গভীৰ অৰ্থ আৰু তত্ত্ব যুক্ত একো একোটা সাঁথৰ। এইবোৰ যুগ যুগান্তৰ ধৰি মানুহৰ মুখে মুখে চলি আহিছে। কৰবাত ভাষাৰ বা শব্দব্যঞ্জনাৰ ব্যতিক্ৰম ঘটিলেও মূল ৰূপটো নষ্ট হোৱা নাই।

অসমীয়া ভাষা আৰু সাহিত্য লোক সাহিত্যত অতি চহকী। বুৰঞ্জী সাহিত্যত অসমীয়া ভাষা ভাৰতৰ অন্যান্য প্ৰাদেশিক ভাষাবোৰতকৈ যেনেকৈ অতুলনীয় ভাবে চহকী লোক সাহিত্যতো অসমীয়া ভাষা সিমান চহকী। অসমীয়া ভাষাত যেনেকৈ বিভিন্ন শ্ৰেণীৰ লোক গীতি আছে আন ভাষাত সিমান নাই; এইটো অনস্বীকাৰ্য্য কথা। প্ৰকৃত লোক-সাহিত্যৰ অন্তৰ্গত মালিতা বা বেলাড অসমীয়াত যিমান আছে ইংৰাজী ভাষাতো নাই। ইংৰাজী ভাষাত মধ্য যুগৰ লিখক-সকলে যিবোৰ কাহিনী কবিতা ৰচনা কৰিছিল সেইবোৰ পিছত বেলাডৰ অন্তৰ্গত কৰা হয়। কিন্তু অসমীয়া ভাষাত সৌ সিদিনালৈকে অজ্ঞাত নামা স্বভাৱ কবিৰ মালিতা ৰচনা হৈছিল। অৱশ্যে আমাৰ আওহেলাত কিছুমান হেৰাই গৈছে কিন্তু বাস্তৱ অৰ্থত বেলাড বা মালিতা বুলিলে যি বুজায় তেনে বেলাড অসমীয়া ভাষাত বহুতো আছে। ফুলকোঁৱৰ-মণিকোঁৱৰৰ মলি-তাকে পুৰণি বুলি ধৰি, সেন্দুৰী-পমিলীৰ গীতলৈকে প্ৰায় একুৰি মালিতা আছে। তদুপৰি দেশৰ ইতিহাসৰ পাতত কিবা নহয় কিবাৰূপে বিখ্যাত লোকসকলৰ কাহিনী আৰু জীৱনীৰ ওপৰতো মালিতা ৰচিত হৈছিল। ঐতিহাসিক পটভূমিৰ ওপৰত এইদৰে ৰচিত হোৱা গীত বা মালিতাসমূহত লোকবিশ্বাস, লোক-পৰম্পৰা আদিৰ উপৰিও ঐতিহাসিক সত্যতা নিৰ্দ্ধাৰণৰ আৰু তথ্য সংগ্ৰহৰ সমল পোৱা যায়।

অসমীয়া লোকগীতসমূহক কিছুমান ভাগত ভাগ কৰি লব পাৰোঁ—যেনে বিহুনাম বা বিহুগীত, বিয়ানাম, নিচুকনি আৰু লৰা ধেমালিৰ গীত, মালিতা, লোক পৰম্পৰা আৰু বিশ্বাস জড়িত গীত ইত্যাদি। বিহু অসমীয়াৰ জাতীয় উৎসৱ। বিশেষকৈ ৰঙালী বিহু বা ৰহাগ বিহু ৰং-আনন্দৰ বাবে প্ৰখ্যাত। এই বিহুত যি গীত গোৱা হয়, সেয়ে বিহুগীত। বিহুগীত শব্দটোৱে আজিকালি আটাইবোৰ সামৰি ললেও এই বিহুগীতৰ ভিতৰতে গৰখীয়া নাম বা বনঘোষা, ৰাতি-বিহু বা চ'তৰ বিহুৰ গীত, হুচৰি গীত আৰু যৌন সংক্ৰান্ত ডেকা-গাভৰুৰ মাজত একানত নৈৰ ঘাটত, পথাৰত, মাছৰ তলী আদিত গীত আকাৰে হোৱা কথা-বতৰাবোৰো ইয়াৰ ভিতৰতে সোমাই আছে। এসময়ত ৰহাগৰ বিহুৰ প্ৰায় এমাহৰ আগৰ পৰাই উজনি অসমত ডেকা-গাভৰুৱে গছৰ তলত, পথাৰৰ মাজত বা সমাজৰ পৰা আঁতৰত ৰাতি-বিহু পাতিছিল। ইয়াত ডেকা-গাভৰুৱে মুকলিমূৰীয়াকৈ যৌনউচ্ছ্বাসসুলভ গীত গাইছিল আৰু কোনোবাই কেতিয়াবা প্ৰণয়ৰ আবেদনো জনাইছিল। এইবিধ বিহু আই-বাই-ভনীৰে ভৰা সমাজৰ বাবে নহয়। হুচৰি গীতৰ ভিতৰতো দুবিধ। এবিধত পদ আৰু ঘোষা আছে আৰু পিচৰ বিধত সম্পূৰ্ণ বিহুৰ নাম। হুচৰি আৰম্ভ কৰোঁতে ফুলকোঁৱৰ, মণিকোঁৱৰ, পগলা-পাৰ্ব্বতী আদিৰ গীতো গায়। বিহুগীতবোৰত আদিম যৌন জীৱনৰ বহুতো কথাই পোৱা যায় লগতে বিভিন্ন সময়ৰ সামাজিক গতি আৰু চিত্ৰও স্বভাৱ কবিৰ অঙ্কনত অঙ্কিত হৈছে। তদুপৰি সময়ৰ গাঁচ আৰু বুৰঞ্জীৰ আঁচোৰো এই গীত-বোৰত পৰিছে।

স্বৰ্গদেৱ ওলালে       বাট চৰাৰ মুখলৈ
দুলীয়াই পাতিলে দোলা,
কানত জিলিকিলে       মকৰ কুণ্ডলে
গাত গোমচেঙৰ চোলা



দিখৌত গোমেগোমাই   কোম্পানীৰ জাহাজ ঐ
ঢেঁকীত গোমেগোমাই খোৱা

অ কোম্পানী       পালেহি জাপানী
পলাই বা সাৰিবা কত? ইত্যাদি।

অসমত শাস্ত্ৰীয় পদ্ধতিৰে বিয়া হোৱাৰ আগতে জন-জাতীয় ৰীতিয়েই প্ৰচলিত আছিল। কিন্তু বিভিন্ন সৰু-সুৰা পদ্ধতিৰে আজিকালিও কন্যা সম্প্ৰদান হলেও সকলোতে বিয়ানাম গায়। বিয়া নামবোৰ স্বাভাৱিকতে নাৰীৰ ৰচনা। গতিকে ইয়াত নাৰী মনৰ গাঁচ পৰাটো একো আচৰিত নহয়। তদুপৰি নাৰীৰ দ্বাৰা ৰচনা হোৱাৰ বাবেই ইয়াৰ ভাবৰ মাধুৰ্য্য, ভাষাৰ কোমলতা আৰু শব্দ ব্যঞ্জনা অতি মোহ লগা। বিয়ানামৰ জাউৰিয়ে ৰভাতলী মুখৰিত কৰাৰ উপৰিও সুৰ আৰু ধ্বনি ব্যঞ্জনৰ মাজেদিয়েই দৰা-কন্যাৰ নতুন মহান দায়িত্ব আৰু সৃষ্টি-ৰচনাৰ মৌলিক কথাবোৰ সোঁৱৰাই দিবলৈ চেষ্টা কৰে। তদুপৰি বিয়ানামৰ ভিতৰেদি উষা-অনিৰুদ্ধ, কৃষ্ণ-ৰুক্মিণী, ৰাম-সীতা, হৰ-গৌৰী আদিৰ কথাও সোঁৱৰাই বিবাহৰ মহান দায়িত্ব বুজাই দিয়াৰ দিহা আছে। জোৰণৰ পৰা বাহীবিয়ালৈকে বিয়াৰ বিভিন্ন অনুষ্ঠানত সুকীয়া সুকীয়া বিয়ানাম গোৱা হয়।

এঁঙনি জেঙনি       তিনি ফেৰেঙনি
মাণিক খোপাখুপি লাগে,
হৰলৈ গৌৰীকে       নিদিওঁ নুবুলিবা
সৃষ্টি বাঢ়িব লাগে।

লাওফুল ছিঙোতে       ছিগিল লাওকলি
ছিগিল মুছিয়ালৰ জৰী,
মনৰ যোঁৰা মেলি       ফুৰিব নোৱাৰা
ভাৰ্য্যা হল যোচামৰ জৰী।

এই কেইফাকি বিয়ানামৰ ভিতৰত একো একোটা ডাঙৰ উপদেশ নিহিত হৈ আছে।

নিচুকনি গীত আৰু লৰা-ধেমালিৰ গীত দুয়োটাকে একে পৰ্য্যায়তে পেলালেও প্ৰকৃততে দুয়োটা বেলেগ। নিচুকনি গীতক ধাইনাম বুলিও কোৱা নহয়। যি গীতেৰে কেচুৱাক নিচুকায় বা সঙ্গীতৰ মূৰ্চ্ছনা কাণত বাকি দি টোপনি অনাৰ চেষ্টা কৰে—সেয়েহে নিচুকনি গীত। ইয়াক ডাঙৰে গায়—লৰাৰ আত্ম বিনোদনৰ অৰ্থে। কিন্তু লৰা ধেমালিৰ গীতবোৰ লৰাই নিজে গায়।

ইৰিকিটি বাঁহৰ শলা,
মোমাইৰ পদূলিত বান্ধিলো ঘোঁৰা,
বজাৰ জীয়েকে গা ধুবলৈ যাওঁতে
পহু পোৱালী এটি পাইছিলে
তাকে চাই জালি কোমোৰা এটা দিয়া।

এই গীতটো গাই লৰাই এটা খেল খেলে। কিন্তু—

মোৰ বোপাই সৰু,
ৰাখে বৰে গৰু,
ঐ ৰাম, এচাৰি হেৰুৱাই কান্দে হে,
লোকৰ ধানে খাব,
কোৱাই কিলাব,

এইফাঁকি গীতৰ মূৰ্চ্ছনাত সৰু এধানমান পোনাটোৱে টোপনি যোৱাৰ লগে লগে কৃষিজীৱি সমাজৰ এগৰাকী মাতৃয়ে নিজৰ পুতেক ডাঙৰ হৈ গৰু চৰোৱাৰ সপোন দেখিছে। এই দুয়োবিধ গীতৰে ভাষা সহজ সৰল। কোনো কোনো ক্ষেত্ৰত লৰা-ধেমালীৰ গীতবোৰৰ ভাব বা ভাষাৰ কোনো অৰ্থ নেথাকে, ইয়াৰ ধ্বনিটোহে প্ৰধান। হৈ-গুডু খেলোতে গোৱা নামটোৱেই উৎকৃষ্ট প্ৰমাণ—

চুচু চালি পেঁপা বলি
ঘোৰাৰ আগত দিলোঁ পানী,
ঘোঁৰাই বোলে নেখাওঁ পানী,
বিৰিণাৰ আগ ঐ, বনমলা ঘাট ঐ,
আটি যাম, কাটি যাম
দলনিত লাগি যাম।
দলো কেৰেকেৰায়,
গুটি ধৰেফৰায়;
গুটি ও মালী,
তোৰ মাৰ কোনজনী
মোক পাবে গালি,

হাতত তৰোৱাল লৈ
যাওঁ খেদা মাৰি।

সেইছবে—

আই ঔ মৰিলোঁ
বোপাই ঔ মৰিলোঁ,
বগৰী জেওতে পৰিলোঁ ;
এনে কথা হেং জেং
কপৌটি বনমালী
কুকুলুং কুকুলুং হিলৈদাৰী।"

তদুপৰি এই গীতবোৰত পুৰণিকলীয়া খেল-খেলানি আৰু আদিম সমাজ এখনৰ মানুহঁতৰ আশা-আকাংক্ষা আদিৰো চিন পোৱা যায়।

মালিতা বা বেলাড্ অসমীয়া ভাষাত বহুতো আছে। এটা সীমাবদ্ধ প্ৰবন্ধত তাৰ দীঘলীয়া আলোচনা সম্ভৱ নহয়। ফুলকোঁৱৰৰ গীত, মণিকোঁৱৰৰ গীত, সেন্দুৰী-পমিলীৰ গীত আদি মালিতা সম্পূৰ্ণ কাল্পনিক। কিন্তু চিকন-সৰিয়হৰ গীত, নাহৰৰ গীত, মণিৰাম দেৱানৰ গীত, জনা গাভৰুৰ গীত, বৰফুকনৰ গীত আদি মালিতা বুৰঞ্জীমূলক আৰু হয়তো ঠায়ে ঠায়ে স্বভাৱ কবিৰ কল্পনাৰ প্ৰভাৱো পৰিছে। ইয়াৰ উপৰিও পাহৰণিৰ বুকুত পৰি ভাগি-ছিগি যোৱা পদুমকুঁৱৰীৰ গীত, কমলা কুঁৱৰীৰ গীত, বাখৰ ৰজাৰ গীত, হালকুন চাহাবৰ গীত, মৰাণৰ গীত আদি বহুতো মালিতাৰ ক'ৰবাত কেনেবাকৈ কেইফাঁকিমানকৈহে পোৱা যায়।

আদিম সমাজৰ পৰম্পৰা বা লোকবিশ্বাস অনুযায়ী আজিকালিও কিছুমান অনুষ্ঠান পতা হয়। বসন্তৰোগৰ গুৰিত কোনো এক দৈৱিক শক্তি নিহিত আছে বুলি মানুহৰ ধাৰণা। সেইকে বসন্ত ওলালে আইক শৰাই দি আই মাননি দিয়ে আৰু আইৰ আসন পাতে। ইয়াত যি নাম গোৱা হয় তাকে আই নাম বোলে। সেইদৰে আদিম মানুহে মেঘৰ লগত বা ইন্দ্ৰ দেৱতাৰ লগত ভেকুলীৰ সম্বন্ধ বিচাৰি পাইছিল আৰু সেই বাবেই খেতিৰ দিনত বৰষুণ নহলে ভেকুলীৰ বিয়া পাতি নাম গায়। সেয়ে ভেকুলী বিয়াৰ নাম। তদুপৰি চকু বোগ হলে বা যথেষ্ট বয়স হোৱা ছোৱালী শান্তি নোহোৱাকৈ থাকিলে চোতালত কল পিঠা দি অপেচৰা সবাহ পাতে। তাত যি নাম গায় সেয়ে অপেচৰা সবাহৰ নাম আৰু পথাৰৰ ধান তথা লখিমীৰ অপায় বিঘিনি নহবলৈ উজনি অসমত লখিমী সবাহ পাতে। এই সবাহত যি নাম গায় সেয়ে লখিমী সবাহৰ নাম। এই গীতবোৰত মানুহৰ বিশ্বাস আৰু ভক্তিৰ প্ৰমাণ পোৱা যায়। তদুপৰি যঁতৰৰ গীত, নাওৰ গীত, চকৰী নাম আদি বহুতো সৰু-সুৰা গীতে অসমীয়া লোক সাহিত্যৰ ভঁৰাল চহকী কৰি ৰাখিছে।

ফকৰা-যোজনা-পটন্তৰো অসমীয়া লোক সাহিত্যত অসংখ্য আছে। ফকৰা মানে সাধাৰণ অৰ্থত যি বুজা যায় আচলতে সি নহয়। ফকৰা শব্দৰ অৰ্থ এফাঁকি কথা। "বাৰ কুৰি বৰগীত ; তেৰ কুৰি ফকৰা" অসমীয়া ভাষাত আছে বুলি শুনা যায়। ফকৰাবোৰ ভকতীয়া আৰু আধ্যাত্মিক অৰ্থযুক্ত।

"একেটি খুটাৰ ঘৰখন
খুন খুন কৰে মেলখন ?"

ইয়াত খুটি মানে এটি জীৱ। জীৱৰ বাবেই দেহটো। ঘৰ মানে দেহ। মেল মানে বিষয় বাসনা। যোজনা-বোৰ কোনো কথাৰ অৰ্থ বুজাবলৈ বা চুডা চাই সোপা দিবলৈ এফাঁকি অৰ্থহীন কথাৰ লগত আন এফাঁকি অৰ্থযুক্ত সাঙুৰি দিয়া হয় ; সেয়ে যোজনা। যেনে—

"খিনদো বগৰী পাত,
ফুকনৰ টেকেলা এইফালে নাহিবা—
বিহা নাইকিয়া পাত।"

কিছুমান বাক্য আছে, তাৰ দুয়ো ফাঁকিৰে অৰ্থ থাকে। যেনে—

"অমাতৰ মাত
আকালৰ ভাত।"

এইবিধেই পটন্তৰ। তদুপৰি ডাকৰ বচনবোৰতো পটন্তৰ আৰু যোজনা সোমাই আছে। ফকৰা-যোজনা-পটন্তৰবোৰত অসমীয়া জন জীৱনৰ জ্ঞান আৰু অভিজ্ঞতা সঞ্চিত হৈ আছে। বহুতো পটন্তৰ আৰু যোজনাৰ অৰ্থ বিভিন্ন ভাৰতীয় প্ৰাদেশিক ভাষাবোৰৰ লগত মিল থকাৰ উপৰিও সুদূৰ লেটিন, গ্ৰীক, ইংৰাজী আদি ভাষাৰ পটন্তৰ বা প্ৰভাৱৰ লগত মিল থকা দেখা যায়।



সাধুকথা বা লোককথাও অসমীয়া মৌখিক লোক সাহিত্যৰ এক অমূল্য সম্পদ। সংস্কৃতৰ পঞ্চতন্ত্ৰ, হিতোপদেশ আৰু ঈচপৰ সাধু কথাবোৰৰ লগতো অসমীয়া সাধুকথাবোৰ আজিকালি সানমিহলি হৈ পৰিছে। এইবোৰৰ উপৰিও বহুতো সাধুকথা এতিয়াও মানুহৰ মুখে মুখে সিঁচৰতি হৈ আছে। কোনো কোনো সাধুৰ চৰিত্ৰ মানুহ আৰু কোনোৰ জীৱ-জন্তু। মানুহৰ চৰিত্ৰৰ ভিতৰত অতি টেঙৰ মানুহৰ কাহিনীয়েই সৰহ। সৰল বা হোজা ৰজা আৰু টেঙৰ মন্ত্ৰী আৰু টেটোন শ্ৰেণীৰ মানুহৰ চৰিত্ৰই সৰহ। সতীয়া পো-জী আৰু সতিনী জীৱনৰ চৰিত্ৰও নোহোৱা নহয়। তদুপৰি নিচেই হোজা আৰু সৰল মানুহৰ চৰিত্ৰৰ পৰিণতি সদায় ভাল কৰি দেখুওৱা হয়। জীৱ-জন্তুবোৰে মানুহৰ দৰে কথা পাতিব পাৰে আৰু তাৰে ভিতৰত বান্দৰ, শিয়াল আদিক অতি সিয়ান, বুধিয়কৈ অঙ্কন কৰা হয়। এই সাধুকথাবোৰত আদিম সমাজৰ ৰীতি-নীতি আচাৰ-ব্যৱহাৰ আৰু চিন্তাশক্তি বা বুদ্ধিৰ ব্যৱহাৰ আদিও দেখিবলৈ পোৱা যায়।

অসমীয়া লোক সাহিত্যৰ ভঁৰাল বৰ ডাঙৰ। ইয়াক আলোচনা কৰিবলৈকো যথেষ্ট সময়ৰ আৱশ্যক। থুলমুলকৈ আজিৰ এই আলচত মাথোন বিভিন্ন বিষয়-বোৰত একোটাকৈ আঁচোৰ মাৰি যোৱা হৈছে বুলিহে কব পাৰো।

# অসমীয়া উপন্যাস

## শ্ৰীদীননাথ শৰ্ম্মা

সাহিত্যত উপন্যাসৰ মূল্য আধুনিক যুগত যথেষ্ট। ই পশ্চিমৰ আমদানী। খুব সম্ভৱ খৃষ্টীয় ওঠৰ শতিকাত উপন্যাসৰ সৃষ্টি হয়—ইংলণ্ড, ফ্ৰান্স, জাৰ্ম্মান আদি ইউৰোপীয় দেশসমূহত।

ভাৰতীয় সাহিত্যত নাটক, কবিতা, কাব্য, গীত, নৃত্যাদি যথেষ্ট পুৰণি হলেও চুটি গল্প আৰু উপন্যাস নাছিল। সাধুকথা বা আখ্যান অৱশ্যে পোৱা যায়। কিন্তু সেইবোৰ আধুনিক উপন্যাস বুলিলে যি বুজা যায় সি নহয়। ভাৰতবৰ্ষ বৃটিছৰ হাতলৈ অহাৰ লগে লগে ইংৰাজৰ সাংস্কৃতিক প্ৰভাৱ ভাৰতৰ ওপৰত পৰে। ইংৰাজী ভাষাৰ যোগেদি ইউৰোপীয় সাহিত্য-সংস্কৃতিৰ লগত ভাৰতৰ পৰিচয় ঘটে। ফলত ভাৰতীয় সাহিত্য-সমূহত পশ্চিমীয়া সাহিত্যৰ ইটো সিটো বস্তু সোমাবলৈ ধৰে। এইদৰেই চুটি গল্প আৰু উপন্যাসো ভাৰতীয় বিভিন্ন ভাষাৰ সাহিত্যত সৃষ্টি হবলৈ আৰম্ভ কৰে।

অতি আধুনিক আৱিষ্কাৰ উপন্যাস ইংৰাজী সাহিত্যত পোন প্ৰথম প্ৰকাশ হয় ১৭৪০ চনত। ৰিচাৰ্ডছনৰ 'পামেলা' বোলা উপন্যাসখনেই বোধ হয় প্ৰথম ইংৰাজী উপন্যাস।

এইখিনিতে আমি কৈ থোৱা ভাল যে চুটি গল্প আৰু উপন্যাস দেখাত একে যেন লাগিলেও আচলতে একে নহয়। ইহঁতৰ পাৰ্থক্য কেৱল আকাৰগতেই নহয় প্ৰকৃতিগতো।

উপন্যাসত সাধাৰণতে ছয় বিধ মূল নীতি অনুসৰণ কৰা হয়। যি কোনো উচ্চ খাপৰ উপন্যাসতে এই

ছয় বিধ লক্ষণ কম-বেছি পৰিমাণে দেখিবলৈ পোৱা যায়। সেয়ে হল—ঘটনা (Plot), চৰিত্ৰ (Character), সংলাপ (Dialogue), ঘটনাৰ সময় আৰু স্থান (Time & Place of action), ৰচনা-কৌশল (Style) আৰু জীৱনবোধ বা জীৱন-দৰ্শনৰ ইঙ্গিত।

অসমীয়া সাহিত্যাতো উপন্যাসৰ জন্ম বেছি দিন হোৱা নাই। খৃষ্টান পাদুৰীসকলৰ 'অৰুণোদয়' কাকতত 'যাত্ৰীকৰ যাত্ৰা' নাম দি Piligrim's Progress উপন্যাসৰ অসমীয়া ভাঙনি ধাৰাবাহিক ৰূপে উলিয়ায়। ১৮৭৭ চনত জি-এচ গাৰ্ণীৰ 'কামিনীকান্ত' নামৰ প্ৰথম মৌলিক অসমীয়া উপন্যাস প্ৰকাশ হয়। তাৰ পাচত ৺পদ্মাৱতী দেৱী ফুকননীৰ 'সুধৰ্মাৰ উপাখ্যান' ১৮৮০ চনত প্ৰকাশ হয়। ইয়াৰ ভিতৰতে মিচেচ মুলেনে "ফুলমণি আৰু কৰুণা" নামৰ এখন বঙালী উপন্যাস অসমীয়ালৈ তৰ্জ্জমা কৰি প্ৰকাশ কৰে। ৺হেমচন্দ্ৰ বৰুৱাৰ "বাহিৰে বং চং ভিতৰে কোৱা ভাতুৰী"ক কোনো কোনো সমালোচকে এই কেইখন উপন্যাসতকৈ উন্নততৰ উপন্যাস বুলি কব খোজে। ইয়াক সমাজ সংস্কাৰৰ উদ্দেশ্যেৰে লিখা হৈছিল। ফলত সেই সময়ৰ বাস্তৱবাদী চৰিত্ৰ সৃষ্টিও ইয়াত কৰা হয়। ৺পদ্মনাথ গোহাঁই বৰুৱাৰ 'লাহৰী' আৰু 'ভানুমতী' নামৰ আদি ৰসাত্মক দুখন উপন্যাস ১৮৯০ চনৰ ভিতৰত প্ৰকাশ পায়। ইয়াৰ পিচতে ৺ৰজনীকান্ত বৰদলৈৰ 'মিৰিজীয়ৰী' নামৰ উপন্যাসখন ওলায়।

সাহিত্যৰথী ৺লক্ষ্মীনাথ বেজবৰুৱাৰ 'পদুম কুঁৱৰী' প্ৰকাশ হয় ১৯০৫ চনত। ইয়াৰ আগতে ১৮৯৯ চনত 'কুসুম কুমাৰী' নামৰ এখন উপন্যাস ৺হৰেশ্বৰ শৰ্ম্মা বৰুৱাই প্ৰকাশ কৰে। এইদৰে দেখা যায় উনৈশ শতিকাৰ শেষ ভাগ আৰু কুৰি শতিকাৰ আগ ভাগৰ ভিতৰত কেইবাখনো ভালে-বেয়াই উপন্যাস অসমীয়া ভাষাত প্ৰকাশ হবলৈ ধৰে।

ইয়াৰ ভিতৰত ৺দণ্ডিনাথ কলিতাৰ 'ফুল', 'সাধনা', ৺হিতেশ্বৰ বৰবৰুৱাৰ 'মালিতা', শ্ৰীদৈৱচন্দ্ৰ তালুকদাৰৰ 'ধুঁৱলী-কুঁৱলী', চিন্তাহৰণ পাটগিৰিৰ 'সংসাৰ-চিত্ৰ' আদি কেইখনমান উপন্যাসৰ নাম উল্লেখ কৰিব পাৰি।

ইংৰাজ সাহিত্যিক ছাৰ ৱাল্টাৰ স্কট আৰু বঙালী সাহিত্যিক ৺বঙ্কিমচন্দ্ৰৰ দৰে ৺ৰজনীকান্ত বৰদলৈয়ে 'মিৰিজীয়ৰী'ৰ বাহিৰে কেইবাখনো বুৰঞ্জীমূলক উপন্যাস লিখে। তেখেতৰ 'দন্দুৱাদ্ৰোহ', 'মনোমতী', 'ৰঙ্গিলী', 'নিৰ্ম্মল ভকত', 'ৰাধা-ৰুক্মিণীৰ ৰণ', 'ৰহদৈ লিগিৰী' আদি আটাই কেইখন উপন্যাসেই লেখত লবলগীয়া। তেখেতৰ লিখাৰ ধৰণ, চৰিত্ৰৰ বিশ্লেষণ, ঘটনাৰ বিন্যাস চমৎকাৰ। যথাৰ্থতে তেখেতক অসমীয়া 'উপন্যাস সম্ৰাট' বুলি অভিহিত কৰাতো সমীচীন হোৱা যেন লাগে। অসমীয়া উপন্যাসৰ জন্ম-পত্ৰিকাত বৰদলৈৰ নাম সোণালী আখৰেৰে জিলিকি থাকিব।

বৰ্ত্তমান দেখা যায় বুৰঞ্জীমূলক উপন্যাসৰ প্ৰতি মানুহৰ ধাউতি বহুতখিনি কমিছে। লিখকসকলেও এই বিষয়ে বৰ উৎসাহবোধ কৰা দেখা নাযায়। আমাৰ ভাষাতো বৰ্ত্তমান সময়ত বুৰঞ্জীমূলক উপন্যাস বিশেষ একো লিখা হোৱা নাই, যদিও অসমৰ বুৰঞ্জীত উপন্যাসৰ সজুলী যথেষ্ট পাব পাৰি।

দ্বিতীয় মহাসমৰৰ আগলৈকে অসমীয়া উপন্যাসৰ অৱস্থা বৰ টনকিয়াল নাছিল। অৱশ্যে দুই-এখনকৈ যে ভাল উপন্যাস ওলাই থকা নাই এনেও নহয়। ইয়াৰ ভিতৰত গাৱঁলীয়া জীৱনক কেন্দ্ৰ কৰি লিখা বীণা বৰুৱাৰ 'জীৱনৰ বাটত' নামৰ উপন্যাসখন উল্লেখযোগ্য।

দ্বিতীয় মহাসমৰৰ পাচত অসমীয়া উপন্যাস আৰু চুটি গল্পই অতি দ্ৰুতভাৱে উন্নতি কৰিবলৈ ধৰে। অৱশ্যে চুটি গল্পৰ দৰে অসমীয়া উপন্যাসে এতিয়াও পূৰ্ণাঙ্গ প্ৰাপ্তি হবলৈ আৰু বহুখিনি বাকী।

মানুহ, প্ৰকৃতি আৰু ভগবান সাহিত্যৰ প্ৰধান উপজীব্য। উপন্যাস সাহিত্যৰ এটি জনপ্ৰিয় আৰু প্ৰধান অঙ্গ। মানুহক লৈয়ে উপন্যাস লিখা হয়। সংগ্ৰাম, ব্যৰ্থতা, প্ৰেম-বিৰহ ইত্যাদিবোৰ উপন্যাসৰ বিষয়বস্তু হৈ পৰে আৰু ইয়ে স্বাভাৱিক। সেই কাৰণে বিভিন্ন সময়ৰ মানুহৰ অৱস্থা আৰু ব্যৱস্থাই বিভিন্ন সময়ত লিখা উপন্যাসত প্ৰভাৱ বিস্তাৰ কৰে। একো একোখন উপন্যাসে একো একো সময়ৰ সমাজ-ব্যৱস্থা,



ভাৱ-চিন্তা, আচাৰ-নীতি আদিক উদঙাই দেখুৱাব পাৰে। মানুহৰ লগত সম্পৰ্ক নথকা উপন্যাস কিয় কোনো সাহিত্যাই প্ৰতিষ্ঠা লাভ কৰিব নোৱাৰে। অৱশ্যে এইটো নহয় যে উপন্যাসত কোনো কল্পনা নাথাকিব। কল্পনাৰ ৰহণ নথকাকৈ লিখা উপন্যাস আৰু উপন্যাস হৈ নাথাকে, সি হব বুৰঞ্জী। কল্পনা কেৱল অস্বাভাৱিক হব নালাগিব। আচলতে উপ-ন্যাসতো এক সত্যকে প্ৰকাশ কৰা হয়। ই অৱশ্যে বৈজ্ঞানিক সত্য নহয়। সকলো সৃষ্টি ধৰ্ম্মী সাহিত্যৰ উদ্দেশ্য হৈছে সৌন্দৰ্য্যক জীৱন্ত কৰি প্ৰকাশ কৰা। প্ৰকৃত সৌন্দৰ্য্য হবলৈ হলে তাত সত্যও থাকিব লাগিব। এই সত্যক কোনো কোনো সমালোচকৰ মতে ( Poetic Truth ) বা কাব্যিক সত্য বুলিব পাৰি। কুৰূচ বা কুৎচিতৰ মাজতো সৌন্দৰ্য্য বা সত্যক আবিষ্কাৰ কৰা-তোতহে লিখকৰ কৃতিত্ব। "যিখনি মুখ অন্তৰাত্মাৰ জ্যোতিৰে ফুলি উঠে সেইখনি মুখেইহে প্ৰকৃত শিল্পীৰ চকুত ওৰনী" বুলি মহাত্মা গান্ধীৰ কোৱা কথাষাৰ ইয়াতে মনত পৰে।

গভীৰ অনুভূতি, বহল দৃষ্টিভঙ্গী, সূক্ষ্ম পৰ্য্যবেক্ষণ, অনাবিল মানৱীয় বোধ, অসীম ধৈৰ্য্য আৰু বিৰাট সাধনা নহলে এনে ধৰণৰ উপন্যাস বা সাহিত্য সৃষ্টি কৰাতো সম্ভৱপৰ নহয়। অসমীয়া সাহিত্যৰ বেলিকা আমি হয়তো এনে স্ৰষ্টা পাবলৈ অপেক্ষা কৰিব লাগিব। তথাপি আমাৰ হতাশ হবৰ কোনো কাৰণ নাই। কিয়নো যোৱা ৮০।৯০ বছৰৰ ভিতৰতে নানা অসুবিধা আৰু বাধাৰ মাজেদিও অসমীয়া উপন্যাসৰ ভালেমান উন্নতি পৰিলক্ষিত হৈছে আৰু ভৱিষ্যত উজ্জ্বলতাৰো ইঙ্গিত পোৱা গৈছে।

যি কি নহওক যুদ্ধোত্তৰ কালছোৱাৰ ভিতৰত যিবোৰ অসমীয়া উপন্যাস ওলাইছে সেইবোৰৰ কেইখন-মানৰ নাম উল্লেখ কৰিব পাৰি। মহম্মদ পীয়াৰৰ 'হেৰোৱা স্বৰ্গ', 'সংগ্ৰাম' আদি কেইবাখনো উপন্যাস এই সময়ৰ ভিতৰতে ওলায়। পীয়াৰৰ উপন্যাসবোৰৰ ভাষা সুন্দৰ, ঘটনা সহজ, ফলত পাঠকসকলৰ মাজত এওঁৰ কিতাপবোৰে বৰ জনপ্ৰিয়তা লাভ কৰে। যদিও এওঁৰ উপন্যাসত কোনো গভীৰ মনস্তাত্বিক বিশ্লেষণ বা অভূতপূৰ্ব্ব সৃষ্টি প্ৰতিভা নাই তথাপি অসমীয়া পাঠক সমাজৰ দাবী পূৰণ কৰাত যথেষ্ট কৃতকাৰ্য্যতা লাভ কৰিছে। ইয়াৰ উপৰিও শ্ৰীহিতেশ ডেকাৰ 'আজিৰ মানুহ', মথুৰা ডেকাৰ 'হুমুনিয়াহ', শ্ৰীৰাধিকা মোহন গোস্বামীৰ 'চাকনৈয়া', শ্ৰীপ্ৰফুল্ল দত্ত গোস্বামীৰ 'কেঁচা পাতৰ কঁপনি', শ্ৰীনৱকান্ত বৰুৱাৰ 'কপিলী পৰীয়া সাধু', শ্ৰীযোগেশ দাসৰ 'ডাৱৰ আৰু নাই', শ্ৰীবীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ 'ৰাজপথে ৰিঙিয়াই', শ্ৰীচন্দ্ৰ-কান্ত গগৈৰ 'সোণৰ নাঙল', শ্ৰীপ্ৰেমধৰ ৰাজখোৱাৰ 'ভুলৰ সমাধি' আদি কেইখনমান উপন্যাসৰ নাম কব পৰা যায়। এই উপন্যাসবোৰৰ প্ৰতিখনৰে বিষয়বস্তু সুকীয়া। ইয়াৰ ভিতৰত শ্ৰীৰাধিকা মোহন গোস্বামীৰ 'চাকনৈয়া' উপন্যাসখন সম্ভৱতঃ আকাৰত সৰ্ব্বৰৃহৎ। শ্ৰীপ্ৰফুল্ল দত্ত গোস্বামীৰ 'কেঁচাপাতৰ কঁপনি'ত চৰিত্ৰ বিশ্লেষণৰ নৈপুণ্য মন কৰিবলগীয়া। শ্ৰীনৱকান্ত বৰুৱাৰ 'কপিলী পৰিয়াৰ সাধু' এখন আঞ্চলিক বিষয়-বস্তু লৈ লিখা উপন্যাস। শ্ৰীকৃষ্ণপ্ৰসাদ বৰঠাকুৰৰ 'লুইত পাৰৰ ধুনীয়া ছোৱালীজনী' আৰু 'লুইতৰ ইপাৰে সিপাৰে' নামৰ দুখন উপন্যাসকো আঞ্চলিক বা ৰিজিয়নেল উপন্যাস বুলিব পাৰি যদিও সি বৰ কৃতকাৰ্য্যতা লাভ কৰিব পৰা নাই যেন লাগে।

আঞ্চলিক উপন্যাস বা কোনো বিশেষ অঞ্চল লৈ লিখা উপন্যাস আমাৰ ভাষাত নোহোৱাৰ নিচিনাই। এনে ধৰণৰ উপন্যাস ইংৰাজী, ফৰাচী, ৰুচ আদি দেশত অলেখ আছে। আন নালাগে আমাৰ ওচৰৰ বঙালী ভাষাতো এনে উপন্যাসৰ অভাৱ নাই। শ্ৰীতাৰাশঙ্কৰ বন্দোপাধ্যায় আদি কেইবাজনো বিখ্যাত লিখকে এনে ধৰণৰ উপন্যাস লিখি সুখ্যাতি লভিছে।

অসমত এনে ধৰণৰ আঞ্চলিক উপন্যাস লিখিবলৈ বহুতো খল আছে। পৰ্ব্বত-ভৈয়ামৰ বিভিন্ন জনজাতি, চাহ বাগিছাৰ বনুৱা, মৈমানচিঙীয়া, নেপালী বা গুৰ্খা, উপন্যাস লিখিব পাৰো। অসমৰ বনুৱাসকলক লৈ মুলুকৰাজ আনন্দই লিখা (Two Leaves and a Bud) নামৰ উপন্যাসখন এটি উৎকৃষ্ট সৃষ্টি। অথচ অসমীয়া

লিখকৰ কাপৰ পৰা এই বিষয়ে এখনো উপন্যাস ওলোৱা নাই। অসমৰ ভৈয়ামৰ লোকসকলৰো বিভিন্ন অঞ্চলৰ আচাৰ-নীতি আদি বিভিন্ন ধৰণৰ। এইবোৰৰ বিষয়েও উপন্যাস লিখিব পাৰি। উপন্যাসৰ সমল বিচাৰি অসমীয়া লিখকে হাবাথুৰি খাই ফুৰাৰ প্ৰয়োজন নাই। অৱশ্যে আঞ্চলিক উপন্যাস লিখিবলৈ হলে নিজৰ অভিজ্ঞতা আৰু সূক্ষ্ম অধ্যয়নৰ প্ৰয়োজন। আমাৰ উপন্যাস লিখকসকলে এনে ধৰণৰ উপন্যাস লিখাৰ চেষ্টা কৰিলে ভাল হয়।

এইখিনিতে আমি উল্লেখ কৰিব পাৰো যে মৌলিক উপন্যাস লিখাৰ লগে লগে পশ্চিমীয়া লিখকসকলৰ উৎকৃষ্ট উপন্যাসসমূহ অসমীয়ালৈ অনুবাদ কৰি প্ৰকাশ কৰাটোও উচিত। যদিও দুই চাৰিখন এনে উপন্যাস অনুবাদ কৰা হৈছে তথাপি এতিয়াও বহুতখিনি বাকী আছে। ডিকেন্স, জেন অষ্টিন, এইচ-জি ৱেলচ্, টলষ্টয়, গৰ্কী, ডষ্টয়ভস্কি, হামচন, ৰেমাৰ্ক, হেমিংৱে, পাৰ্লবাক আদি বিভিন্ন দেশৰ বিশ্ববিখ্যাত লিখকসকলৰ উপন্যাসসমূহ অসমীয়াত ভাঙনি কৰি উলিয়াব পাৰিলে আমাৰ সাহিত্যৰ যথেষ্ট উপকাৰ কৰা হয়।

পম্পিয়াইৰ প্ৰলয় কাহিনী, পশ্চিম সীমান্তত সম্পূৰ্ণ শান্তি, মাতৃ, পৰম ক্ষুদা, তীৰ্থযাত্ৰী, ৰামধেনু আদি কেইখনমান উৎকৃষ্ট অনুবাদ উপন্যাস অৱশ্যে এতিয়ালৈকে প্ৰকাশ পাইছে। কিন্তু সিয়ে যথেষ্ট নহয়। বিদেশী উপন্যাস অনুবাদ কৰাটো বৰ সহজ কামো নহয়। কিয়নো মূল গ্ৰন্থৰ বিষয় বস্তু আৰু প্ৰকাশভঙ্গী সঠিককৈ ৰাখি নিজৰ ভাষাত অনুবাদ কৰিবলৈ হলে ভাঙোতাৰ যথেষ্ট জ্ঞান আৰু সাহিত্য-প্ৰতিভা থাকিব লাগে। যি যি ভাষাৰ পৰা অনুবাদ কৰা হয় সেই সেই ভাষাত বিশেষ ব্যুৎপত্তি নাথাকিলেও অনুবাদ ভাল হোৱাৰ আশা নাথাকে। বহুত সময়ত ৰসবো হানি হয়। আমাৰ অনুবাদবোৰ অৱশ্যে ইংৰাজীৰ পৰাই বিশেষভাৱে কৰা হৈছে। আচলতে ফৰাচী বা জাৰ্ম্মান ভাষাৰ উপন্যাস এখন অনুবাদ কৰিবলৈ হলে ইংৰাজী অনুবাদৰ আশ্ৰয় নলৈ মূল কিতাপৰ পৰা অনুবাদ কৰা উচিত।

আন এটি কথা হল—শিশু পাঠকসকলৰ কাৰণে আমাৰ ভাষাত কোনো উপন্যাস নাই বুলিলেই হয়। ৺হৰগোবিন্দ শৰ্ম্মাৰ 'পাতালপুৰী', শ্ৰীপ্ৰেমনাৰায়ণ দত্তৰ 'পোহৰৰ বাটত', যোগেন শৰ্ম্মাৰ 'সূৰ্য্য উঠা দেশৰ পিনে' আদি দুই-এখন শিশু-উপন্যাসৰ বাহিৰে আৰু আন কিতাপ নাই। এই বিষয়েও উপন্যাস লিখক-সকলে চকু দিব লাগে। শিশু মনৰ সন্তুষ্টিৰ কাৰণে তেওঁলোকৰ মনস্তত্ত্ব বুজি অন্যান্য ভাষাত যথেষ্ট উপন্যাস ওলাইছে। এইবোৰ অনুবাদ কৰি বা আহি লৈ হলেও আমাৰ শিশুসকলৰ কাৰণে উপন্যাস লিখি উলিয়াব পাৰিলে বহুখিনি উপকাৰ হয়।

এইদৰে আমাৰ ভাষাত ডিটেক্টিভ বা চোৰাংচোৱা উপন্যাসো বৰ বেছি নাই। আজিকালি এনে বিধ উপন্যাসে মানুহৰ মন বিশেষভাৱে আকৰ্ষণ কৰে। শ্ৰীকুমুদেশ্বৰ বৰঠাকুৰৰ গোলাই চিৰিজ আৰু শ্ৰীপ্ৰেম-নাৰায়ণ দত্তৰ পা-ফু চিৰিজৰ এনে ধৰণৰ উপন্যাস যদিও ওলাইছে ইয়ে যথেষ্ট বুলিব নোৱাৰি। এই চোৰাংচোৱা জাতীয় উপন্যাসবোৰত বাস্তৱতকৈ কল্পনাৰ বহণ আৰু অস্বাভাৱিক পৰিৱেশ বেছি থকা যেন অনুমান হয়। তদুপৰি আজিকালি যিবোৰ বিদেশী চোৰাংচোৱা উপন্যাস ওলাইছে সেইবোৰৰ তুলনাত ইয়াত বুদ্ধি কৌশলৰ সূক্ষ্ম বিশ্লেষণৰ বৰ অভাৱ যেন বোধ হয়।

অসমীয়া উপন্যাস সাহিত্য সম্পৰ্কে আমাৰ বোধেৰে ভাল সমালোচনা কৰিবৰ হৈছে। কাৰণ সমালোচনা নহলে লিখাৰ মান ( Standard ) বা আমাৰ সাহিত্য নো কোনখিনিত ৰৈছেগৈ তাক জানিব নোৱাৰি। ফলত সাহিত্যৰ বিকাশৰ পথত বাধা পৰাৰ সম্ভাৱনা থাকে। আমাৰ চকুত এনে বহুত অসমীয়া উপন্যাস পৰিছে যে যিবোৰক উপন্যাস বুলিব নোৱাৰি। তদুপৰি আৰ্ট বা কলাৰ নামত যি কোনো কিতাপকে বজাৰত উলিয়াব বাবে সামাজিক বিকৃতি আৰু উচ্ছৃঙ্খলতাক আসৈ দিয়াহে হয়। এই প্ৰসঙ্গত কব পাৰি যে প্ৰেম বা যৌন বিষয়ৰ কথা লৈ লিখা এনে বহুত উপন্যাস ওলাইছে যিবোৰক অপাঠ্য বুলি কব পাৰি। শ্লীলতাৰ



গণ্ডী পাৰ হৈ যোৱা এনে জাতীয় উপন্যাসৰ নামত ওলোৱা কিতাপবোৰে সাহিত্যৰতো কোনো উপকাৰ নকৰেই জাতি আৰু দেশৰ অনিষ্ট সাধনহে কৰে। আমি এতিয়াই ইয়াৰ কাৰণে সাৱধান হোৱাতো বাঞ্চনীয়।

সৃষ্টিধৰ্ম্মী সাহিত্যৰ এই ফালটোক উৎসাহিত কৰিবৰ কাৰণে বছেৰেকীয়া পুৰস্কাৰাদি ঘোষণা কৰি সাহিত্যিক-সকলক উদগণি দিবলৈও চেষ্টা কৰিব লাগে। এনে ব্যৱস্থা ভাৰত সাহিত্য একাডেমীয়ে সৰ্ব্বভাৰতীয় ভিত্তিত লৈছে যদিও বঙ্গ আদি ৰাজ্যৰ দৰে আমাৰ অসমতো ৰাজ্যিক ভেটিত লব লাগে। আমাৰ মনেৰে অসম সাহিত্য সভাই ৰাজ্যিক চৰকাৰৰ সাহায্য লৈ বা নোলোৱাকৈয়ে এই বিষয়ে আগ বাঢ়িব পাৰে।

শেহত অসমীয়া উপন্যাস সম্পৰ্কে আৰু একেষাৰ কৈ ইয়াৰ সামৰণি মাৰিম। এতিয়ালৈকে যিবোৰ উপন্যাস ওলাইছে সেই আটাইবোৰৰে লিখকসকল হল পুৰুষ। যদি অসমীয়া প্ৰথম উপন্যাস লেখিকা এগৰাকী মহিলা তথাপি আধুনিক অসমীয়া উপন্যাস লেখিকা চকুত পৰাকৈ ওলোৱা নাই। পাৰ্লবাক, জৰ্জ্জ ইলিয়ট, জেন অষ্টিন আদিৰ দৰে বিখ্যাত উপন্যাস লেখিকা আমাৰ মাজত এতিয়াই নোলালেও সাধাৰণভাৱে উপন্যাস লিখিকা ওলোৱা উচিত। মহিলা কবি, গল্প লেখিকা আমাৰ মাজত আছে। স্নেহলতা ভট্টাচাৰ্য্যৰ 'বীণা', হিৰণ্যময়ী দেবীৰ 'জীৱন সংগ্ৰাম', শুচিব্ৰতা ৰায়চৌধুৰীৰ 'ৰামাৱলী'—অসমীয়া মহিলা লিখিকাৰ উল্লেখযোগ্য উপন্যাস। আমাৰ বিশ্বাস আমাৰ মহিলা লিখিকাসকলে উপন্যাস লিখিবলৈ ললে উৎকৃষ্ট উপন্যাস সৃষ্টি কৰিব পাৰিব।

---

# পুৰণি অসমত সংস্কৃত চৰ্চ্চাৰ আভাস

**শ্ৰীসত্যেন্দ্ৰনাথ শৰ্ম্মা**

কেইবা হাজাৰো হাতেলিখা সংস্কৃত পুথি যদিও অসমৰ বিভিন্ন অনুষ্ঠানত সংৰক্ষিত কৰা হৈছে, তথাপি প্ৰাচীন আৰু মধ্যযুগৰ অসমত সংস্কৃত চৰ্চা কেনে ধৰণৰ আছিল সেইটো জনসাধাৰণৰ দৃষ্টি গোচৰলৈ আনিবলৈ চেষ্টা হোৱা নাই। নলবাৰীত প্ৰতিষ্ঠিত "সংস্কৃত সঞ্জীৱনী সভাৰ" গ্ৰন্থাগাৰত এহেজাৰৰো ওপৰ সংস্কৃত পুথি সংৰক্ষণ কৰা হৈছে। যথেষ্ট সংখ্যক হাতে লিখা পুথি "কামৰূপ অনুসন্ধান সমিতি" আৰু গুৱাহাটীত প্ৰতিষ্ঠিত চৰকাৰৰ "ঐতিহাসিক আৰু পুৰাতত্ত্ব বিভাগ"ৰ অফিচত ৰখা হৈছে। বহুত হাতেলিখা পুথি এতিয়াও অনেক লোকৰ ব্যক্তিগত সম্পত্তি হৈ আছে আৰু সেইবোৰ গৰাকীসকলৰ অৱহেলা আৰু অমনোযোগিতাৰ কাৰণেই দিনে দিনে ধ্বংসৰ মুখলৈ যাব লাগিছে।

এই হস্তলিপিবিলাকৰ সৰহভাগেই 'স্মৃতি'ৰ পুথি। মধ্যযুগৰ অসমে কেইবাজনো 'স্মৃতি' লেখকৰ (নিবন্ধকাৰ) জন্ম দিছিল আৰু তেওঁলোকৰ কামৰ সমাদৰ অসমত এতিয়াও আছে। জ্যোতিষ শাস্ত্ৰৰ চৰ্চাই স্মৃতিৰ পাচৰ ঠাই অধিকাৰ কৰিছিল কিন্তু প্ৰকৃত সাহিত্যৰ চৰ্চা আৰু ৰচনাও যে নহৈছিল তেনে বুলি কব নোৱাৰি। মহাকবি কালিদাসৰ কাব্য-সমূহ, ভাৰবী, মাঘ, শ্ৰীহৰ্ষ আদিৰ মহাকাব্য আৰু

ৰামায়ণ মহাভাৰতৰ একো একো অংশ পোৱা যায় যদিও প্ৰাচীন সংস্কৃত নাটৰ হস্তলিপি বৰ বেছি চকুত নপৰে।

পূৰ্ব্বভাৰতৰ বিশেষকৈ অসমৰ জনদিয়েক সংস্কৃতজ্ঞৰ লিখাই আমাৰ দৃষ্টি আকৰ্ষণ কৰে। তেওঁলোকৰ কামৰ এটা চমু আভাস তলত দিবলৈ চেষ্টা কৰা হৈছে মাত্ৰ।

**নাট :** খৃষ্টীয় অষ্টাদশ শতিকাত লিখিত চাৰিখন সংস্কৃত নাটক অলপতে আবিষ্কাৰ কৰা হৈছে। সেই কেইখন হ'ল (১) কবিচন্দ্ৰ দ্বিজৰ "কামকুমাৰহৰণ", (২) কবি সূৰ্য্যৰ "বিঘ্নেশজন্মোদয়", (৩) দীন দ্বিজৰ "শঙ্খচূড়বধ নাটক" আৰু (৪) ধৰ্ম্মদেৱ দ্বিজৰ "ধৰ্ম্মোদয় নাটক"।

এই চাৰিখন নাটকৰ নাটকীয় কলা-কৌশল ষোড়শ শতিকাৰ অসমৰ ধৰ্ম্ম সংস্কাৰক শ্ৰীশঙ্কৰদেৱৰ ৰচিত অঙ্কীয়া নাটসমূহৰ দৰে। শঙ্কৰদেৱৰ এই নাটসমূহত সূত্ৰধাৰেই আদিৰ পৰা শেষলৈকে প্ৰভাৱ বিস্তাৰ কৰি নাট পৰিচালনা কৰে। সূত্ৰধাৰেই নাটখনৰ প্ৰস্তাৱনা আৰম্ভ কৰি ভাৱৰীয়াসকলক চিনাকি কৰণ কৰি দিয়ে আৰু নাটকখনৰ বিভিন্ন ঘটনাৰ মাজত যোগসূত্ৰ স্থাপন কৰি দৰ্শকক নাচ, গান, আবৃত্তিৰে আনন্দ প্ৰদান কৰে। নাটবোৰৰ গদ্য ভাগটো দুই ভাগত বিভক্ত—কথোপকথন আৰু সূত্ৰধাৰৰ নিৰ্দ্দেশ আৰু ব্যাখ্যামূলক টিপ্পনী। সূত্ৰধাৰৰ ব্যাখ্যা আৰু টিপ্পনীৰ ওপৰত বেছি জোৰ দিয়াৰ কাৰণে কথোপকথনৰ মূল্য কিছু কম যেন লাগে। সেইদৰেই ছন্দ ভাগকো দুই ভাগত বিভক্ত কৰা হয় যেনে বিষয় নিৰ্দ্দেশসূচক শ্লোক আৰু ছন্দযুক্ত গীত। এই সংস্কৃত নাট কেইখনতো এই বিশেষত্ববোৰ আছে। ইয়াত অসমীয়া গীতৰো ব্যৱহাৰ দেখা যায়।

এনে ধৰণৰ সংস্কৃত নাটকত গল্পৰ মৌলিকতা আৰু চৰিত্ৰসমূহৰ বৈশিষ্ট্য দেখা পোৱা নেযায়। যদিও সংস্কৃতকেই প্ৰকাশৰ মাধ্যম কৰা হৈছিল তথাপি ইয়াত ব্যৱহাৰ কৰা ভাষা বৰ বেছি উচ্চ পৰ্য্যায়ৰ নহয়। এই নাট কেইখনৰ ভাষা আৰু সংলাপ সহজ বুলি নিঃসন্দেহে কব পাৰি কিন্তু কালিদাস বা ভাসৰ নিচিনা স্বতস্ফুৰ্ত্ত আৰু কবিত্বপূৰ্ণ নহয়।

কবিচন্দ্ৰ দ্বিজৰ "কামকুমাৰ হৰণ" নাটত উষা আৰু অনিৰুদ্ধৰ প্ৰণয়ৰ ঘটনাক সাতটা অঙ্কত ভাগ কৰি চিত্ৰিত কৰিছে। নাটকীয় চৰিত্ৰ সৃষ্টিৰ কাৰণে গল্পটো হৰিবংশত যেনে আছে ইয়াতো তেনে ধৰণেই লোৱা হৈছে। এটা কি দুটা হাস্যৰসৰ দৃশ্যৰ বাহিৰে পুৰাণত থকা ঘটনাৰ পৰিবৰ্ত্তন কৰা নাই।

এই নাটখন আহোম ৰজা শিৱসিংহ আৰু ৰাণী প্ৰমথেশ্বৰীৰ বুঢ়ীয়া অনুপ্ৰেৰণাত লিখা হৈছিল। প্ৰস্তাৱনাত কবিয়ে পৃষ্ঠপোষক দম্পতী সম্বন্ধে লিখিছে :

"অৱিৰতসুৰবৃন্দৱন্দিতহৰগৌৰীচৰণাৰবিন্দমকৰন্দ পানোন্মত্তমধুকৰেণ, কুন্দেন্দুধৱলকীৰ্ত্তিৰাজিবিৰাজিত-দিগ্‌দিগন্তৰেণ, দোৰ্দ্দণ্ডাপিতকোদণ্ডখণ্ডিতদুৰ্ব্বাৰ বৈৰি-বীৰনিৱহেন, চমৎকাৰকৰপ্ৰভাপ্ৰাগ্‌ভাৰভাস্বৰবিবিধ-বিদ্যাবিদ্যোতিত বিগ্ৰহেন, চাতুৰ্য্যাশাসিতাশেষলোক লাৱণ্যলীলাকলিতকলেৱৰস্তুৰসুন্দৰীবিৰাজমান বৃহদ্ৰাজ-পদপ্ৰখ্যাতপ্ৰথিতগুণগ্ৰামৰামাভিৰামশ্ৰীপ্ৰমথেশ্বৰী মহাদেৱী-দয়িতেন শ্ৰীস্বৰ্গদেৱ শিৱসিংহমহীমহেন্দ্ৰেন কামকুমাৰ নাম নাটকং নাটয়িতুং আদিষ্টোহস্মি।"

মহাৰাজ শিৱসিংহ স্বৰ্গদেৱ ১৭১৪ খৃঃত সিংহাসন আৰোহন কৰি কেইবছৰমানৰ পাচতেই ৰাণী প্ৰমথে-শ্বৰীক সিংহাসন এৰি দিয়ে আৰু ৰাণীয়ে ১৭৩০ চনলৈকে ৰাজ্য শাসন কৰে। ইয়াৰ পৰা বুজা গল যে, নাটখন ১৭২০ আৰু ১৭৩০ চনৰ ভিতৰতে লিখিত। স্বৰ্গদেৱ শিৱসিংহ এজন বিদ্যানুৰাগী ৰজা আছিল আৰু তেওঁৰ সহায়-সহানুভূতি পাইহে কেইবা-জনো সংস্কৃত পণ্ডিতে "অভিজ্ঞান শাকুন্তলম", "গীত গোবিন্দ", "ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ", "আনন্দ লহৰী" "বৰ্ম্ম পুৰাণ" আদি সংস্কৃত গ্ৰন্থ অসমীয়ালৈ অনুবাদ কৰিবলৈ সুবিধা পাইছিল।

কামকুমাৰ হৰণৰ গীতবিলাক জয়দেৱৰ "গীত গোবিন্দৰ" আহিৰে ৰচনা কৰা হৈছে। কিন্তু সংলাপ অংশ ৰসহীন আৰু নাটকীয় সৌন্দৰ্য্য ( Darmatic quality ) ৰৰ্জ্জিত হৈছে। ইয়াত ৩৪টা সংস্কৃত শ্লোক, ১৮টা সংস্কৃত ৰাগ প্ৰধান গীত আৰু ১০টা অসমীয়া গীতৰ সমাবেশ হৈছে।



কবিসূৰ্য্যৰ 'বিঘ্নেশজন্মোদয়' নাটখনৰ মূল ঘটনাটো পাৰ্ব্বতীপুত্ৰ গণেশৰ জন্ম বৃত্তান্তলৈ লিখা। শনিগ্ৰহৰ কোপদৃষ্টিত পৰি কেনেকৈ গণেশে নিজৰ মূৰ হেৰুৱাব লগাত পৰিল আৰু তাৰ পৰিবৰ্ত্তে এটা হাতীৰ মূৰ লগাই দিয়া হল এই কথাৰে উল্লেখ কৰিছে। নাটখন তিনি অঙ্কত বিভক্ত। কবিৰ প্ৰকৃত নাম গৌৰীকান্তহে কবি সূৰ্য্য তেওঁৰ ছদ্মনামহে। "গৌৰীকান্ত নিজাভিধান নিদিতো বিপ্ৰাদয়ঃ আদস্তৱান, নাম শ্ৰীকৱিসূৰ্য্যাইত্যা-পৰকং ব্ৰহ্মায়নো ব্ৰাহ্মণ। ভৱমাজ পৱিত্ৰগোত্ৰ জনিনা বিঘ্নেশজন্মোদয়ে, নাটেতেন মনীষিনা বিৰচিতে যাতোহয়াং অঙ্কঃ পৰঃ॥"

নাটখন ১৭৯৯ খৃঃত লিখিত, সেই সময়ত কমলেশ্বৰ সিংহ স্বৰ্গদেৱ আহোম ৰাজপাটত আছিল (১৭৯৫—১৮১০) নাটখনৰ শেষাংশত ইয়াৰ ৰচিত কাল সম্পৰ্কে এইদৰে কৈছে—

"পৃথ্বীভুজাচল শশাঙ্কিমিতে শকাব্দে।
যাতে বৃষং দিনকৰে দ্বিজৰাজৱাৰে।
জাতেহ নাটক ইহ ত্ৰিতয়াঙ্ক পূৰ্ণে।
মাৎসৰ্য্য দোষৰহিতাসুধিয়ো ভৱন্তু।

এই নাটৰ গল্পাংশ ব্ৰহ্মবৈৱৰ্ত্তপুৰাণৰ "গণেশ জন্মখণ্ডৰ" পৰা লোৱা হৈছে। "কামকুমাৰ হৰণ"ৰ দৰেই এই নাটখনতো সংস্কৃত আৰু অসমীয়া দুয়োবিধ গীতৰ সমাবেশ হৈছে—কবিয়ে ইয়াৰ সংস্কৃত গীতবিলাক অসমীয়া ছন্দ, দুলড়ী, লেচাৰী আদিৰ আহিত লিখিবলৈ ব্যৰ্থ প্ৰয়াস কৰা যেন লাগে। তলত কেইটামান উদাহৰণ দিয়া হ'ল।

"কৃষ্ণ নাৰায়ণ দেৱ সনাতন,
ত্ৰৈলোক্য কাৰণ সংসাৰ তাৰণ এ
জানামি ত্বমেৱমীদৃশমুত্তম বেশ।
নৱঘনশ্যাম জগদাভিৰাম,
কোটি সূৰ্য্যধাম পৰিপূৰ্ণকাম এ
ন জাতুমীশ্বৰী ধামহং চ হৃষীকেশ॥
(প্ৰথম অঙ্ক)

ধৰ্ম্মদেৱ ৰচিত "ধৰ্ম্মোদয়" নাটখন ঐতিহাসিক পটভূমিত ৰচিত এখনি ৰূপক নাট। স্বৰ্গদেৱ লক্ষ্মী-সিংহৰ দিনত (১৭৬৯—১৭৮০) হোৱা মোৱামৰীয়া বিদ্ৰোহৰ আলম লৈ লিখা এইখন এখন পাঁচ অঙ্কীয়া নাট। খৃঃ অষ্টাদশ শতিকাৰ শেষভাগত মোৱামৰীয়া-সকলে তেওঁলোকৰ কেইজনমান ধৰ্ম্মগুৰুক অপমান কৰাৰ কাৰণে আহোম ৰজাৰ ওপৰত প্ৰতিশোধ লবলৈ বিদ্ৰোহ ঘোষণা কৰে। বিদ্ৰোহৰ প্ৰথমাৰ্দ্ধত তেওঁলোক কৃতকাৰ্য্য হৈ স্বৰ্গদেৱ লক্ষ্মীসিংহক সিংহাসনচ্যুত কৰিবলৈ সক্ষম হৈছিল। কিন্তু তেওঁলোকৰ কৃতকাৰ্য্যতা ক্ষণস্থায়ী হ'ল। কেইমাহমানৰ পাচতে ৰাজকীয় লোকৰ দ্বাৰা সিংহাসনচ্যুত ৰজাক আকৌ ৰাজপাটত বহুৱা হ'ল। কবিয়ে এজন ৰাজানুগামী লোক হিচাবে মোৱামৰীয়া বিদ্ৰোহক অধৰ্ম্মৰ পতন আৰু ধৰ্ম্মৰ অভ্যুদয় হিচাবে দেখুৱাইছে। এই নাটৰ প্ৰথম অঙ্কৰ শেষৰ ফালে—আমি এনে ধৰণে পাওঁ—

নমঃ কম্ৰপদাম্বুজে ভগৱতঃ শ্ৰীধৰ্ম্মদেৱঃ কবিঃ
যং স্তুতে কমলাপ্ৰিয়া ভগৱতী সংশুদ্ধবংশোদ্ভৱা।
লক্ষ্মীসিংহ নৰেশ্বৰস্য চৰিতে ধৰ্ম্মোদয়ে নাটকে
তস্যাগাৎ প্ৰথমাঙ্ক এষঃ বিশদঃ কীৰ্ত্ত্যাদভৱাজ্জোমহান্।

"শঙ্খচূড় বধ" নাটখন দীন দ্বিজৰ দ্বাৰা দুৰৰা বংশৰ সন্দিকৈ বৰফুকনৰ পৃষ্ঠপোষকতাত লিখা হয়। এই সন্দিকৈ বৰফুকনৰ জনাজাত নাম হল কলীয়া ভোমোৰা বৰফুকন। তেওঁ বৰফুকন পদত অধিষ্ঠিত হয় ১৭৯৫ খৃঃত আৰু ১৮১০ খৃঃ পৰ্য্যন্ত এই পদত থাকে। নাটখন ৰচিত হয় ১৭২৪ শকাব্দত (শাকে তত্ত্বমুনীন্দুভিৰিগণিতে ভাষা বিনিদৈশ্ৰমুদা)। নাট্যকাৰে নাটখনত পৃষ্ঠপোষকৰ কথা এনেদৰে উল্লেখ কৰিছে—

শ্ৰীমান শক্ৰবংশোদ্ভৱনৃপতি ৰতিকান্ত সংক্ৰান্তমূৰ্ত্তিঃ
নানাভূপাল শীৰ্ষ প্ৰণত পদযুগোহমিত্ৰপক্ষে কৃতান্তঃ॥
তৎশ্লাঘ্যোহমাত্যমুখ্যঃ সকল বুধজনপ্ৰীতিদঃ শুভ্ৰকীৰ্ত্তিঃ
সন্দিকৈ বংশজন্মা জয়তি বিমল ধীঃ শ্ৰীবৃহৎফুক্কনাসৌ॥

তিনি অঙ্কত সমাপ্ত নাটখনিত কবিয়ে ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণত থকা তুলসী আৰু শঙ্খচূড়ৰ কথা চিত্ৰিত কৰিছে। গল্পাংশৰ মৌলিকতা আৰু চৰিত্ৰাংশৰ বৈচিত্ৰ্য যদিও পৰিলক্ষিত নহয় তথাপি ইয়াত কেইটি-মান সুন্দৰ কবিত্বপূৰ্ণ ছন্দযুক্ত গীতৰ সমাবেশ হৈছে।

দুখ-বেদনাৰ গীতবিলাক অসমীয়াত লিখা হৈছে। এই নাটৰ প্ৰথম অঙ্কত বেদৱতীৰ জন্ম বৃত্তান্ত আৰু গঙ্গা, লক্ষ্মী, সৰস্বতীৰ পাৰস্পৰিক অভিশাপৰ কথা উল্লেখ আছে। (ইতি ব্ৰহ্মবৈবৰ্ত্তপুৰাণে প্ৰকৃতিখণ্ড সমুদ্ধৃতে শঙ্খচূড়াখ্যানস নাটকে গঙ্গা-লক্ষ্মী, সৰস্বতী শাপপ্ৰাপ্তি বেদৱতী জন্মোপাখ্যানং চ নাম প্ৰথমঃ অঙ্কঃ)।

দ্বিতীয় অঙ্কত তুলসীৰ জন্ম আৰু তেওঁৰ লগত দৈত্যৰাজ শঙ্খচূড়ৰ বিবাহৰ কথা, আৰু তৃতীয় অঙ্কত শঙ্খচূড়ৰ মহাদেৱৰ হাতত মৃত্যু আৰু শেষত শ্ৰীকৃষ্ণৰ হাতত তুলসীৰ সতীত্ব নাশৰ কথা উল্লেখ আছে।

**টীকা ঃ** আবিষ্কৃত প্ৰায়বোৰ টীকাই খণ্ডিত। সেইবিলাকৰ ভিতৰত মাত্ৰ কেইটামানহে সম্পূৰ্ণভাবে উদ্ধাৰ হৈছে। ৰাজাধৰ মিশ্ৰৰ দ্বাৰা লিখিত "শিশুপালবিবেচন"খন কবি মাঘৰ বিখ্যাত কাব্যৰ ওপৰত লিখা টীকা। ইয়াৰ একাংশহে পোৱা গৈছে। প্ৰথম অঙ্কৰ শেষত কবিয়ে নিজকে এইদৰে অভিহিত কৰিছে—ইতি মহীস্থাপনীয় কবিচক্ৰৱৰ্ত্তী ৰাজাধৰমিশ্ৰাচাৰ্য্যকৃতে শিশুপালবিবেচনে নাৰদসমাগমাখ্যঃ প্ৰথমসৰ্গঃ ॥

দণ্ডীৰচিত "কাব্যাদৰ্শ"ৰ এটা খণ্ডিত টীকা আৰু এটা টিপ্পনী উদ্ধাৰ হৈছে। এই টিপ্পনী জনৈক কৃষ্ণদত্ত শৰ্ম্মাৰ দ্বাৰা লিখিত। (শ্ৰীকৃষ্ণ চৰণদ্বন্দ্ব-পদ্মাসৱঃ মধুব্ৰতঃ। শ্ৰীকৃষ্ণদত্ত শৰ্ম্মাস্তঃ লিখতি দণ্ডী টিপ্পনী)। টীকাটো কোনো এজন গৌৰী শৰ্ম্মাৰ দ্বাৰা লিখিত। লিখকে নিজকে ৰামশৰ্ম্মাৰ পুত্ৰ বুলি অভিহিত কৰিছে।

> পণ্ডিতঃ শ্ৰীৰামশৰ্ম্মাত্মজ শ্ৰীগৌৰী শৰ্ম্মনা।
> টিকেয়ং ক্ৰিয়তে লঘ্বী দণ্ডিনঃ কাব্যলক্ষণা ॥

গদসিংহৰ "তত্ত্ব চন্দ্ৰিকা" কিৰাতাৰ্জ্জুনীয়ৰ টীকা। কলিকতা বিশ্ববিদ্যালয়ৰ দ্বাৰা প্ৰকাশিত ডাঃ এস, কে দেৱ "সংস্কৃত সাহিত্যৰ বুৰঞ্জী"তো এই টীকাৰ কথা উল্লেখ আছে। আমি গদসিংহ আৰু তেওঁৰ বংশৰ কথা এনেদৰে পাওঁ।

> প্ৰণম্যগাং প্ৰতিপদং স্ফৰদ্ৰসপ্ৰয়স্বতীঃ
> ক্ৰিয়তে ভাৰৱেৰ্যস্মাদ বিবৃতিঃ তত্ত্বচন্দ্ৰিকা
> সন্তি প্ৰকাশবৰ্ষাদি টীকাদ্যাপি সুবিস্তৰাঃ
> তথাপি লঘুবোধাৰ্থং গদসিংহঃ কৰোদিমাম্
> পিতৃকল্পাদ যথাধীতঃ ভাতুঃ শ্ৰীসিদ্ধসিংহতঃ
> তৎপুত্ৰ ভাতৃজাদীনাং স্মৰণাৰ্থং বিলিখ্যতে ॥

উপৰুক্ত কথাখিনিৰ পৰা বুজা যায় যে, গদসিংহই তেওঁৰ অগ্ৰজ সিদ্ধসিংহৰ ওচৰত শাস্ত্ৰ অধ্যয়ন কৰিছিলে আৰু তেওঁৰ পুতেক-ভতিজাক আদিক শিকাবৰ কাৰণেহে টীকা ৰচনা কৰিছিল।

ঘনশ্যাম বিদ্যাভূষণ ৰচিত মেঘদূতৰ এখন অসমাপ্ত টীকা পোৱা গৈছে। নৈষধ চৰিত্ৰৰ "সুবোধিনী" নামৰ এটি টীকাৰ একাংশ দুখলগা অৱস্থাত পোৱা গৈছে। কিন্তু টীকাকাৰৰ নাম জনা নেযায়। সূৰ্য্য শৰ্ম্মা ৰচিত দেৱেশ্বৰৰ "কবি কল্পলতাৰ" এটা টীকা সম্পূৰ্ণ অৱস্থাত পোৱা গৈছে। পুথিখনৰ শেষত লিখিছে—

> শ্ৰীবিশ্বৰূপমিশ্ৰস্য সুনুনা সূৰ্য্যশৰ্ম্মনা—
> কবি কল্পলতাটীকা যথামতি বিতন্যতে ॥

জয়দেৱ ৰচিত "গীত-গোবিন্দ"ৰ দুখন সম্পূৰ্ণ টীকা আমাৰ হাতত পৰিছে। তাৰে এখন হৈছে "সাৰৱতী"। ষোড়শ খৃঃত কোচবিহাৰৰ ৰজা নৰ-নাৰায়ণৰ প্ৰধান মন্ত্ৰী আৰু প্ৰধান সেনাপতি মহাৰাজ শুক্লধ্বজৰ দ্বাৰা লিখিত। পৌৰাণিক আৰু মধ্যযুগৰ বহুত কবিতা আৰু কামশাস্ত্ৰৰ উল্লেখ থকা এইখন পাণ্ডিত্যপূৰ্ণ পুথি। পুথিখনৰ শেষ ভাগত উল্লেখ কৰিছে—

> ৰম্যা শ্ৰীজয়দেৱপণ্ডিতকৱেৰ্ব্বাণী নবীনাঙ্গনা।
> নপ্ৰায়ানি নিবেশিতুং প্ৰভাৱতী স্বয়ং (শ্ৰিয়ং)
> স্বয়ং কিঞ্চন।
> শ্ৰীশুক্লধ্বজ ভাৰতীৰ ৰসতী তস্যা বয়স্যা ততঃ।
> তাৎপৰ্য্যানি গণানলসতি পদং জানীত বিজ্ঞজনাঃ ॥
> সৰ্ব্বাং জয়দেৱ পণ্ডিতকৱে ৰ্ব্বাণীং নিগূঢ়াশয়াং।
> নানালঙ্কৃতিভূষিতাং গুণৱতী হৃদ্যাঙ্কমানপৰাম ॥
> ক্ষিতিপাল মৌলিমুকুটা প্ৰশ্লিষ্ট পাদদ্যুতেঃ
> শ্ৰীশুক্লধ্বজভূভুজো বিজয়তামাকল্প মেধাকৃতিঃ।

আন এখন পুথি হ'ল ধৃতিদাস কবিৰ 'সন্দৰ্ভ-



দীপিকা'। এই পুথিৰ হস্তলিপিখন ধৰ্ম্মৰাজ শৰ্ম্মাৰ দ্বাৰা ১৭২৫ শকত লিখা হৈছিল। (১৮০৩ চন) "শাকে শ্ৰীহৰিৰত্নোপদকমলযুগে ষটপদীভূয় শাস্ত্ৰং। বৈশাখে বাণবাহুশিখৰি শশীযুতে শুভ্ৰপক্ষে চতুৰ্থ্যাং।" টীকা-টোৰ প্ৰথম কেইশাৰীত লেখিছে—

> মূলে সূক্ষ্মাংশনিৰিতিপদং প্ৰাপ্য বিভ্ৰাজতে যা।
> পশ্যন্তি নিৰগতি সদা বৰ্ণৰূপেণ নাভৌ ॥
> অধ্যান্তে যা পদমিতি পদং মধ্যমা হৃৎসৰোজে।
> সাৰাঙ্গেৰী জয়তি বদনে বৈখৰী ৰাক্যৰূপা ॥
> নমস্ক জ্যোতিষে তস্মৈ যৎ প্ৰকাশয়তি স্ফুটং।
> তমোপহানামনোমাং স্থিতমৰ্থমগোচৰং।
> ধৃতিদাসঃ কবিঃ শ্ৰীমানস্বাষণ(?) চতুৰাননঃ।
> কৰোতি গীত-গোবিন্দ টীকাং সন্দৰ্ভদীপিকাং ॥

আমি গীত-গোবিন্দৰ ওপৰত আৰু এটা টীকা পাওঁ। সেই টীকাটি 'সাৰ দীপিকা' নামে পৰিচিত। সংস্কৃত সাহিত্যানুৰাগীসকলৰ ওচৰত উক্ত টীকাৰ লেখক জগদ্ধৰ সুপৰিচিত। এই পুথিৰ আদি আৰু শেষ ভাগত ষোড়শ শতিকাৰ বৈষ্ণৱ কবি ৰত্নাকৰ কন্দলিয়ে আত্মপৰিচয় দিছে। সম্ভৱ এই ৰত্নাকৰ কন্দলিয়েই ষোড়শ শতিকাত শ্ৰীশঙ্কৰদেৱক অসমত বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰৰ সময়ত সহায় কৰিছিল। বৰ্ত্তমানৰ হস্তলিপিটো ১৬২৬ শকত (১৭০৪ চন) কমলা পাঠকৰ দ্বাৰা নকল কৰা হৈছিল। ইয়াৰ আদি আৰু শেষৰ কেইশাৰী যথাক্ৰমে এনে ধৰণে পোৱা যায়—

> শ্ৰীশুক্লদেৱ ভূপাল বচসা লিখতি স্ফুটং।
> সটীক গীত গোবিন্দং শ্ৰীৰত্নাকৰ কন্দলী,
> নানাটীকাসমালোচ্য বিচাৰ্য্য সচিৰং হৃদা।
> গীত-গোবিন্দটীকেয়ং কৃযতে শ্ৰীজগদ্ধৰৈঃ ॥

ইতি সাৰ দীপিকা সমেত্ শ্ৰীগীত-গোবিন্দে সুপ্ৰীত-পীতাম্বৰো নাম দ্বাদশসৰ্গঃ ॥

শ্ৰীগীত গোবিন্দ কবিত্ব মুক্তাঃ টীকাবচঃ কাঞ্চন সন্নিভিতিঃ শ্ৰীকৃষ্ণ দেৱস্য গুণৈ ৰশেষৈ ৰত্নাকৰেণ গ্ৰথিতো জয়ন্তি ॥ সাম্বৰণি—

ওপৰত উল্লেখিত কথাখিনিত কেইজনমান অসমীয়া সংস্কৃত পণ্ডিতৰ চমু আভাস দিলোঁ। অসমত সৰ্ব্ব-ভাৰতীয় খ্যাতি থকা বহুত পুথি আছে যদিও সেইবোৰ লোকচক্ষুৰ আগলৈ আনিব পৰা নাই। এই বহুমূলীয়া পুথিবোৰৰ পুনৰুদ্ধাৰৰ ভাৰ এই বিষয়ৰ গৱেষক ছাত্ৰসকললৈ থাকিল।

---

ওপৰত আলোচনা কৰা পুথিসমূহ কামৰূপ সংস্কৃত জীৱনী সভাৰ গ্ৰন্থাগাৰত আৰু পুৰাতত্ত্ব বিভাগত (অসম চৰকাৰ) ৰক্ষিত আছে।

# যদুমণিদেৱৰ গীত

( আগৰ সংখ্যাৰ পাছৰ পৰা )

সংগ্ৰাহক—শ্ৰীকুমুদচন্দ্ৰ মহন্ত বি-টি

ৰাগ—বৰাৰী

ৰাম গোসাই, ধৰম শিৰোমণি তুৱা গুণ নাম সাৰ ।
ভকত ৰঞ্জন তোমাৰ চৰণ মই পাপী নাসেৱো তোৰ ॥
ভাৰতে দুৰ্লভ, লভি নৰতনু জনম বিফল কৈলো ।
তুমি মোৰ নিজ আতমা গোবিন্দ, তোমাৰে বঞ্চিত ভৈলো ।
দেৱ-মনুষ্যত কীট-পতঙ্গত জনমিলো বাৰে বাৰে ।
তভো নাহিপাৰ আসি আপুনাৰ আপুনি চিন্থিলো সাৰ ॥
বিষয় মাধুৰি বচন চাতুৰি কৰিয়া গোৱাইলো দিন ।
মিলৰ মৰণ তোমাৰ চৰণ নধৰিলো বুদ্ধি ক্ষীণ ॥
কৃপাৰ সাগৰ মই অধমৰ আপুনি কৰিও গতি ।
অভয় চৰণে পশিলো শৰণে যদুমণি মূঢ়মতি ॥ ৬১

ৰাগ—আসোৱাৰী

জিহ্বা তোহো বোলহ ৰাম-বাণী ।
আপুন কুশল ৰাম জপহ কল্যাণি ॥
বিষয় বাত বহু জল্পনা তেজি ।
বোল ৰাম নাম আনন্দে মজি ॥
ৰাম চিন্তিও চিত্ত আপুন দেৱা ।
বিষয় চিন্তা তেজি কৰিও সেৱা ॥
জানি ভজিও দোহো ৰাম চৰণা ।
যদুমণি কহ ওহি ভৱ তাৰণা ॥ ৬২

ৰাগ—আসোৱাৰী

সৱ লোই, আপুনি আপোন জানে ।
সঙ্গে পাঞ্চচোৰ আপুনি মানে ॥
আপোন আতমা আপোন সেৱা ।
আপুনি জানি পূজয় আন দেৱা ॥
আপুন ভকতি তাহে নজানি ।
ধৰম অৰ্থ কাম জুগৈ৷ বখানি ॥
যদুমণি কহে বেদক বাণী ॥ ৬৩

ৰাগ—মল্লাৰ

মোহন কানাই মোহন বেণু বাই ।
মোহন কানাই সঙ্গে মোহন বলাই ॥
মোহন ময়ূৰ পুচ্ছ মোহন টালনি ।
মোহন বয়ন চান্দ-আখিৰ চালনি ॥
মোহন গলাৰ হাৰ মোহন বনমালা ।
মোহন বসন পীত শৰীৰ উজ্জ্বলা ॥
মোহন কটীৰ মাজে মোহন কিঙ্কিণী ।
মোহন চৰণে বাজে মোহন ঝিন্‌ঝিনি ॥
ত্ৰিভুবন মোহন গোপনন্দ লাল ।
যদুমণি কহ গতি বালক গোপাল ॥ ৬৪

ৰাগ—বসন্ত

হৰিবিনে মোহন বিৰিন্দাবনে নাই ।
মোহন বালক সঙ্গে খেলনা খেলাই
মোহন সুৰভি মেলি, মোহন বিনোদ কেলি,
মোহন কদম্বতৰু মূলে ।
মোহন মুৰুলী বাই মোহন পঞ্চম গাই,
মোহন ৰমণী মন ভোলে ॥
মোহন বসন্ত ঋতু, মোহন নিকুঞ্জ যিটো,
মোহন কোকিলে নাদ কৰে ।
মোহন মাথায় ডালা, মোহন কুসুম মালা,
মধুমত্তে গুঞ্জৰে ভ্ৰমৰে ॥



মোহন গোকুল মাজে, নন্দ নন্দন সাজে,
জগজন জীৱন দয়াল ।
যদুমণি মতিহীন, পৰম পামৰ দীন,
চৰণত ৰাখিও গোপাল ॥ ৬৫

ৰাগ—শ্ৰী

উদ্ধৱ আজু মথুৰাপুৰী ৰহলি মধাই ।
বিৰহ অনলে দহে জীৱ ধৰণ নযায় ॥
ওহি গোকুল সুখ সম্পদ গোবিন্দ ।
সৱশূন্য ভৈল আৰু মন ৰউনিন্দ ॥
সুৰভি নধৰে তৃণ বিনে শ্যাম কানু ।
দিৱস নাশোভে বিনে আকাশৰ ভানু ॥
ধৰণ নযায় জীৱ বিনে প্ৰাণ কানু ।
যদুমণি কহ ওহি জগতৰ জীউ ॥ ৬৬

ৰাগ—আসোৱাৰী

হৰিনাম নিজধন তাহেৰ শৰণ ।
বিছোড়ি পামৰ মন মৰ কেনে অকাৰণ ॥
অনন্ত ব্ৰহ্মাণ্ড পতি জীৱনে মৰণে গতি ।
তাহান ভকতি মতি ভুলিয়া মৰস কতি ॥
নিজ প্ৰিয়ভ্ৰমদেৱ ব্ৰহ্মাহৰে কৰে সেৱ ।
তাহে শৰণ লৈয়ো হৰিসে দেৱৰো দেৱ ॥
জনমে জনমে আশ, অভয় চৰণে বাস ।
ওহি মেৰি অভিলাষ, যদুমণি মতিনাশ ॥ ৬৭

ৰাগ—ভাটিয়ালী

ফাগুৰসে এনন্দ কুমাৰ ।
ভুৱন-মোহন কেলি ফাগুৰ বিহাৰ ॥
বৈকুণ্ঠৰো পতি যেন দোলৰ ওপৰে ।
সিংহাসন সমে দোল নগৰ ভিতৰে ॥
পূৰ্ণচন্দ্ৰ জিনিয়া ওপৰে চন্দ্ৰতাপ ।
দুই পাশে চামৰে ঢোলে জগতৰ বাপ ॥
ফাগুৱে উজ্জ্বল শ্যাম তনু অতি শোভে ।
পেখীয় ত্ৰিভুবন মন মোহে ॥
শঙ্খ শিঙা কৰতাল মৃদঙ্গ বজাৱে ।
চৌতিতি বালকে বেঢ়ি হৰি গুণ গাৱে ॥
ফাগু পৰি অৰুণ বৰণ দশোদিশ ।
পেখিয় আনন্দ গোপ-গোপীৰ হৰিষ ॥
গোকুল নগৰ চানি জয় হৰি বোলে ।
নন্দ-যশোদাৰ মনে কৌতুক হিন্দোলে ॥
অনন্ত ৰূপেৰ পতি ফাগুৰসে মেলে ।
যদুমণি কহ ওহি বালকৰ মেলে ॥ ৬৮

ৰাগ—মাহুৰ

মাইহে মাধু বিৰহে হামি ।
মধুপুৰি গৈয়ো, অনাথিতী ভৈয়ো, যশোমতী সুত স্বামী ॥
এগৃহধনজন, গোৱিন্দ বিনে ধন, জীৱনে নাদেখো সুখ ।
কঠিন হৃদয়, তেজি গোপপুৰী, উগত ভৈয়ো চান্দমুখ ॥
আজু মধুপুৰি মিলন মঙ্গল, হাতে পায়া নৱনিধি
হামু অভাগিনী নন্দসুত বিনি, কমনে ধৰবো প্ৰাণ
জনমে জনমে গতি গোৱিন্দ, যদুমণি গুণ গাৱে ॥ ৬৯

ৰাগ—আসোৱাৰী

ভকতি দান দেহ প্ৰাণ গোপাল ।
হামো সুৰভি প্ৰভো তুমি ৰাখোৱাল ॥
ভকতি ছায়া দিয়া ৰাখিও তুমি ।
প্ৰেমৰ মূৰতি ৰূপ সংসঙ্গ তুমি ॥
জনমে জনমে গতি তুমি নিজ দেৱ ।
তোমাৰ চৰণ বিনে মোৰ নাহি কেৱ ॥
দান্তে তৃণ ধৰি কৰোহো গোহাৰি ।
যদুমণি মতি ৰহোক তোমাৰি ॥ ৭০

ৰাগ—সিন্ধুৰা

আজি কালি কৰি, দিন গোৱাইলো, দুখ পাইলো বৰ বেদনা ।
পাপ পুণ্য দুই লগৰে সঙ্গতি, ভুঞ্জিবো যমৰ যাতনা ॥
হৰিৰ চৰণ নাহিকে স্মৰণ বিষয় মাধুৰি ৰাগে ।
এহি দোষে মোক যমেৰ যাতনা ভুঞ্জাইবেক যত লাগে ॥
কিবা হৈবে মোৰ যমেৰ দুৰ্ঘোৰ, যাতনা শুনিয়া ভয় ।
অভয় চৰণে শৰণ পশিলো, ৰাখিয়োক কৃপাময় ॥
কৃপাৰ সাগৰ মই অনাথৰ মনৰ পূৰিও আশা ।
তুমি কৃপাময়, জানিয়া কহয় যদুমণি মতিনাশা ॥ ৭১

ৰাগ—ধনশ্ৰী

বৃন্দাবনেৰ মাজে, শ্যামসুন্দৰ সাজে,
কোটি মদন জিনি শোভে।
গোধন চৰাৱে ৰঙ্গে, শ্ৰীদামসুদাম সঙ্গে,
ৰূপে ভুবন তিনি মোহে॥
এমন জুৰাৰ ছান্দে, ভুবন মোহন ফান্দে,
কমন বিধিয়ে নিৰমিলে।
এ জগজীৱন মন—মোহন শোভন,
অধৰে কতনো মধু দিলে॥
শ্ৰৱণে কুণ্ডল ডোলে, গলায় কৌস্তুভ লোলে,
বক্ষমহ মোতিম মালা।
একৰূপে ভুবন মোহে ৰতন বসন শোভে,
নিৰ্ম্মল গগনে যেন তাৰা॥
বৈকুণ্ঠ তেজিয়া নন্দনন্দ পৰমানন্দ,
আনন্দে বালক খেলনা।
যদুমণি মতিহীনা, নাকৰ কাৰ্পণ্য,
ৰাখ ৰাখ তেৰি চৰণা॥ ৭২

ৰাগ—ধনশ্ৰী

আৰ কি মোৰ কমল সই মুৰলীনাদে।
জীৱন নাৰহে, দহে ওহি পৰমাদে॥
নন্দসুত তেজি গৈয়ো ভয়ো অন্ধিয়াৰি।
তনুমন ঝামৰ, নয়নে জুৰে বাৰি॥
নাদেখি কানুৰ মুখ হৃদয়ে ৰবি দুখ
ৰয়নী দিবা মেৰি মনে আসুখ॥
হামাৰি গোকুল পুৰী অনাথিনী ভৈয়ো।
অব যশোমতী সুত মধুপুৰী গৈয়ো॥ ৭৩

ৰাগ—মল্লাৰ

এ নাথ জীৱনে মৰণে গতি গোৱিন্দ
জীৱনে মৰণে গতিৰে।
দান্তে তৃণ ধৰি মাগোহো তোমাৰ,
চৰণে ৰহোক মতিৰে॥
এ ভৱ সাগৰে ভাসো, কামক্ৰোধকুম্ভীৰ
মগৰে গিলেৰে।
শোক মোহ পাকে পৰি তল যাওঁ
প্ৰাণৰ সঙ্কট মিলেৰে॥
তৃষ্ণাতৰঙ্গে হয়া শ্ৰুতিভঙ্গ,
হৰায় চেতন জানৰে॥
চিন্তা নামে বহ্নি বাড়ৱ অগনি শোষয়
প্ৰভু মেৰি প্ৰাণ-ৰে॥
জানিয়া তোমাত শৰণ পশিলো,
তুমি বিনে গতি নাহিৰে।
জনমে জনমে গতি গোৱিন্দ,
যদুমণি গুণ গায়েৰে॥ ৭৪

ৰাগ—কানাড়া

জগত জীৱন মধুৰ মুৰাৰি।
মানৱী ভাৱ দেখাৱত ফুৰি॥
অজগৰ চাপ দাপ কৰি ভঙ্গী।
ৰাখিয়া প্ৰাণ নিৰাবল সঙ্গী॥
ৰঙ্গৰ দ্বাৰ প্ৰৱেশি অঙ্গভঙ্গী।
কুৱলয় বাৰণ নাশল সঙ্গী॥
উৎপাৱল দান্ত অন্ত হস্তীয়াৰ।
সঙ্গে শিশুগণ কৰত বিহাৰ॥
গজকু দন্ত কন্ধে ৰচিবানা।
কোটি মদন জিনি অঙ্গ বিভাৱনা॥
ৰঙ্গশালা মাজে মল্লবৰ মাৰি॥
নাচত গাৱত ৰঙ্গে মুৰাৰি॥
কংসক ধ্বংসল কেশে আজুৰি।
মাঝে মগাৱল দশন কামুৰি॥
কোটি ব্ৰহ্মাণ্ড ৰোমকূপে যাৰ।
সেহি নাম ধৰে নন্দকুমাৰ॥
কমনে জানিবো হৰি তোহাৰি গতি।
যদুমণি কহে পামৰ মতি॥

ৰাগ—ভাটিয়ালী

কালা অঙ্গ দেখি ভৈলো চুপ।
আখিৰ গোচৰ মোহে কালা দেখি অপৰূপ॥
কদম্ব তলে কালা খেলায়।
হসিত ভুবন মোহে কালা মুৰুলী বজায়॥



কমন বিধাতা কৈলা কালা অতয়ে চাতুৰি।
কোটি ব্ৰহ্মাণ্ডক জিনে কালা যতেক মাধুৰি॥
ৰসেৰ সাগৰ কালা পেখি মনে গুণি।
আপুনি ৰূপে কালা উপমা আপুনি॥
বৈকুণ্ঠ তেজিয়া আইলা কালা জীৱৰ তৰণে।
যদুমণি গতি কহে অৰুণ চৰণে॥ ৭৬

ৰাগ—কেদাৰ

হৰি হৰি ৰাম গোসাই, তেজি নিজ সুখ
কি লাগি আসিলা বনে।
জগত দুৰ্লভ, ভকত সুলভ, ৰাম তুমি পূৰ্ণকাম॥
সাছৰ বাকলি, সাৰে তোৰ.........
পিতৃ দশৰথ, পালিয়া শপত।
লক্ষ্মণ জানকী সঙ্গে অনুগত॥
বনহি ভ্ৰমিলা, আনন্দে আকুল।
লীলায়ে মাৰিলা ৰাক্ষসকুল॥
মাৰীচ তাৰকা ত্ৰাণ প্ৰয়োজন।
ছোড়ি পঞ্চৱতী কৰিলা গমন॥
আপুন কুশল হৰণ সীতা।
ৰধি দশস্কন্ধ তাৰিলা ভীতা॥
ভালুক বান্দৰ বান্ধিয়া সাগৰ।
থাপি বিভীষণ নাহিকে জগৰ॥
আসি আপুন পুৰী পুষ্পক যান।
ৰাজা ভৈলা পাটে সাধিয়া কল্যাণ॥
জনমে জনমে তোমাৰ চৰণে।
ভজিয়া থাকে প্ৰয়োজনে॥
যদুমণি দীন পামৰ মতি।
ৰাম চৰণে ৰহোক ভকতি॥ ৭৭

ৰাগ—ভাটিয়ালী

কমনে তোমাৰ চৰণে মন মোৰ ৰতি নকৰয়।
অপাৰ আনন্দৰ ভৱ পদসাৰ।
নভজি অভয় পদে মজিলো সংসাৰ॥
পতিতপাৱন তুমি জগত বিদিত।
ইবাৰ কৰুণা তুমি মোৰে কৰিতে উচিত॥
যদুমণি কহয় ৰহোক মতি লাগি।
তোমাৰ চৰণে প্ৰভো ওহি দান মাগি॥ ৭৮

ৰাগ—গোৱী

মন ৰাম বোল, ৰাম বোল, ৰাম তত্ত্ব সাৰ।
ৰামক নাম বয়নে মিলাই পাৰবি ভৱপাৰ॥
এ দুখ-তাপে তাৰক নাহি ৰামক নামক বিনা।
পৰম সুহৃদ ৰামক নাম গাৱয় মতিহীনা॥
এ ভৱ সাগৰে তাৰক হেতু ৰামেসে সুদৃঢ় নাৱ।
ৰায়া হৰিৰ চৰণে ঘাট চপাৱ॥
সকল সম্পদ সাধবি বৰ ৰাম নাম বিচিত্ৰ
হৰিকো আনিয়া পুৰুষক দিয়া কৰাৱয় মহামিত্ৰ॥
ওহি নিগম নিগূঢ় বচন ধৰিবি মনে জানি।
আপুন কুশল সাধিবি, কহ যদুমণি হৰি বাণী॥ ৭৯

ৰাগ—ৰবাৰী

আৰে মাধৱ, ৰতি নাহি চৰণে তোমাৰ,
মই মহামতিহীন, পাপ কৰিতে দীন,
গোৱাইলো বিষয়ে অহঙ্কাৰ॥
কিনা মই অপৰাধী, ভৈলোৰে জনম বাদী,
তোমাৰ চৰণে ৰতি নাই।
মোৰে বিধি ভৈল বাম, নলৈলো তোমাৰ নাম,
ব্যৰ্থ আমি জনম গোৱাঁইলো।
তুমিসে আনন্দ সিন্ধু, নভজিলো দীনবন্ধু,
আপুনি আপুন আখি খাইলো॥
কোটি ব্ৰহ্মাণ্ডে মই ফুৰিলো জনম ধৰি
শূকৰ কুকুৰ হয়া পাপী।
এ দুখ তাৰণ তোমাৰ চৰণ,
তাহে নধৰিলো চাপি॥
সকলে নিগমে কয়, তুমি প্ৰভু দায়াময়,
আক ভালে জানি আছো আমি।
যদুমণি মূঢ়মতি তোমাৰ চৰণে ৰতি,
ৰহ মেৰি জগতৰে স্বামী॥ ৮০

ৰাগ—শ্ৰী

শুনহ অৰে শুনহ যশোৱা,
অনন্ত ব্ৰহ্মাণ্ডপতি সুতকহো পায়া ।।
সকলে নিগমগণে যাহাকু ধিয়াই ।
সোহি জগত গুৰু আছা তোৰ ঠাই ।।
ব্ৰহ্মা হৰ পুৰন্দৰ যাহাৰ কিঙ্কৰ ।
সো হৰি পুত্ৰ হুয়া আছা তোৰ ঘৰ ।।
সহস্ৰবয়ন আদি যাহাকু ধিয়াই,
সো হৰি তোৰ ঘৰে সুৰভি চৰাই ।।
যদুমণি কহয় শুনহ যশোমাই ।
তোহো সম ভাগ্যৱতী আৰ কেহো নাই ।। ৮১

# প্ৰাচীন ভাৰতৰ ঋতু উৎসৱ

## শ্ৰীহাজাৰীপ্ৰসাদ দ্বিৱেদী

সংস্কৃত কাব্য, নাটক আৰু আখ্যায়িকাৰ পৰা জনা যায় যে প্ৰাচীন ভাৰতবৰ্ষত ঋতু-উৎসৱ বিশেষভাৱে পালন কৰিছিল। এই উৎসৱসমূহৰ ভিতৰত দুটা বিশেষভাৱে উল্লেখযোগ্য—(১) বসন্তোৎসৱ, (২) কৌমুদী মহোৎসৱ। প্ৰথমটো বসন্তকালত আৰু দ্বিতীয়টো শৰতকালত অনুষ্ঠিত হৈছিল। সংস্কৃত সাহিত্যত উল্লেখযোগ্য এনে কবি নাই যি ওপৰুক্ত উৎসৱ দুটাৰ এটা নহয় আনটোৰ বিৱৰণ দি যোৱা নাই। বসন্তোৎসৱ সম্পৰ্কে অধিক নিশ্চয়তাৰে সেই কথা কব পাৰি। কবিসকলে য'তে সুবিধা পাইছে তাতেই ঋতু-উৎসৱৰ বৰ্ণনা দিছে। মেঘদূত বৰ্ষাৰ কাব্য, কিন্তু যক্ষই মেঘৰ আগত প্ৰিয়াৰ উদ্যানখন বৰ্ণনা কৰোঁতে প্ৰিয়াৰ চৰণাঘাতত ফুলি উঠা অশোক আৰু মুখৰ মদিৰা-ফুৎকাৰত বিকশিত হোৱা বকুলৰ উল্লেখ কৰিছে। দৰাচলতে অশোক আৰু বকুলৰ দোহাদ সৃষ্টি কৰা উৎসৱ বসন্তোৎসৱৰহে অঙ্গ।

বসন্ত ঋতুৰ কেবাটাও উৎসৱৰ উল্লেখ পোৱা যায়। তাৰ ভিতৰত সুৱসন্তক আৰু মদনোৎসৱৰ উল্লেখ আৰু বৰ্ণনা সকলোতকৈ অধিক। কোনো কোনো পণ্ডিতে দুয়োটাকে একেটা উৎসৱৰে বিভিন্ন নাম বুলি ভুল কৰিছে। বাৎসায়নৰ কামসূত্ৰত যক্ষৰাত্ৰি, কৌমুদী-জাগৰণ আৰু সুৱসন্তক এই তিনটা উৎসৱ নাগৰিকসকলে একত্ৰিত হৈ পালন কৰিছিল বুলি উল্লেখ কৰিছে। বাৎসায়নৰ অনেক দিনৰ পাছৰ যশোধৰে ভুলতে সুৱসন্তক আৰু মদনোৎসৱ একেটা উৎসৱ বুলি কৈ যোৱাত বহুতে সেই ভ্ৰমতে পৰি একেটা উৎসৱ বুলি ভাবি ললে। দৰাচলতে সুৱসন্তক পালন কৰা বিধি মদনোৎসৱৰ পৰা সম্পূৰ্ণ পৃথক। কামসূত্ৰত হোলিকা নামৰ অন্য একপ্ৰকাৰ বসন্ত উৎসৱৰ উল্লেখ আছে। সেই হোলিকা উৎসৱেই আজিকালিৰ 'হোলি' উৎসৱ। প্ৰাচীন গ্ৰন্থৰ পৰা জনা যায় যে মদনোৎসৱ ফাগুন মাহৰ পৰা আৰম্ভ কৰি চ'তৰ শেষলৈ অনুষ্ঠিত হৈছিল। এই উৎসৱৰ দুটা ৰূপ—এটা সাৰ্ব্বজনিক আৰু আনটো অন্তঃপুৰবাসীসকলৰ পাৰস্পৰিক বিনোদৰ কাৰণে। মদনোৎসৱত কামদেৱৰ পূজা হয় আৰু লগে লগে নানা বিনোদ ক্ৰীড়া অনুষ্ঠিত হয়। সাৰ্ব্বজনিক ৰূপটোৰ সুন্দৰ বৰ্ণনা পোৱা যায় শ্ৰীহৰ্ষৰ ৰত্নাৱলী নাটত। ভৱভূতিৰ মালতীমাধৱ নাটতো এই উৎসৱৰ আভাস পোৱা যায়।

শ্ৰীহৰ্ষৰ বিৱৰণৰ পৰা জনা যায় যে মদনোৎসৱৰ দিনা দ্বিপহৰৰ পাছৰ পৰাই সমস্ত নগৰ পুৰবাসীসকলৰ কৰতল-ধ্বনি, মধুৰ সঙ্গীত আৰু মৃদঙ্গৰ গুৰুগম্ভীৰ ধ্বনিৰ দ্বাৰা মুখৰিত হৈ পৰিছিল। পুৰবাসীসকল আনন্দত মতলীয়া হৈ পৰিছিল। ৰাজপ্ৰসাদৰ সৰ্ব্বোচ্চ মহলাৰ চন্দ্ৰশালাত বহি ৰজাই উৎসৱমুখৰ নগৰ নিৰীক্ষণ কৰিছিল। সেইদিনা নগৰৰ নাৰীসকলে মধুপান কৰি উন্মত্তভাৱে পথে পথে হাতত সোট (পিচকাৰী) লৈ ঘূৰি ফুৰিছিল আৰু বাটত যাকে পাইছিল তাকে পিচকাৰীৰ ৰং আৰু পানীৰে বুৰাই দিছিল। ৰাজপথৰ চাৰিআলিবিলাক মৰ্দল (মাদল) নামৰ বাজনাৰ গম্ভীৰ-ঘোষৰ দ্বাৰা মুখৰিত হৈছিল। সুগন্ধিত আবীৰৰ ৰঙেৰে চাৰিদিশ ৰঙীন হৈ উঠিছিল। নগৰবাসীসকলৰ শৰীৰত শোভা কৰা বিভিন্ন প্ৰকাৰ অলঙ্কাৰে, মূৰত পিন্ধা অশোকৰ ৰঙা ফুলে সৌন্দৰ্য্য বঢ়োৱাত সহায় কৰিছিল। সমস্ত নগৰী যেন ৰঙত বুৰাই থৈছিল।

কীৰ্ণৈঃ পিষ্টাতকৌঘৈঃ কৃতদিৱসমুখৈঃ কুঙ্কুম-
ক্ষোদগৌৰৈঃ
হেমালঙ্কাৰভাভিৰ্ভৰণমিতশিখৈঃ শেখৰৈঃ কৈঙ্কিৰাতৈঃ।
এষা বেষাভিলক্ষ্যস্বভৱনৱিজিতাশেষৱিত্তেশকোষা
কৌশাম্বী শাতকুম্ভদ্ৰৱখচিতজনেৱৈকপীতা ৱিভাতি।।
(ৰত্নাৱলী, ১।১১)

ৰাজভৱন আৰু অন্য সমৃদ্ধিশালী গৃহৰ প্ৰাঙ্গনত থকা কৃত্ৰিম জলধাৰাৰ (ফোৱাৰা) পৰা পিচকাৰীত পানী ভৰাবলৈ গোটখোৱা পুৰযুৱতীসকলৰ মূৰৰ সেন্দুৰ আৰু গণ্ডস্থলৰ আবীৰ পৰি পৰি ঠাইবোৰ ৰঙা হৈ পৰিছিল।

"ধাৰাযন্ত্ৰৱিমুক্তসন্ততপয়ঃ পূৰপ্লুতে সৰ্ব্বতঃ।
সদ্যঃ সান্দ্ৰৱিমৰ্দকৰ্দমকৃতক্ৰোড়ে ক্ষণং প্ৰাঙ্গণে।।
উদ্দামপ্ৰমদাকপোলনিপতত্ সিন্দুৰৰাগাৰুণৈঃ।
সৈন্দূৰীক্ৰিয়তে জনেন চৰণন্যাসৈঃ পুৰঃ কুট্টিমম্।।

সেইদিনা গণিকামহলত ধুমধামৰ মাত্ৰা অধিক। ৰসিক নাগৰিকে পিচকাৰীত সুগন্ধিত পানী ভৰাই গণিকাবোৰৰ কোমল-লাৱণ্যময় শৰীৰ তিয়াই কলোহল সৃষ্টি কৰিছিল। আবীৰৰ কণাৰ দ্বাৰা গণিকাপাৰা অন্ধকাৰময় হৈছিল।

অন্তঃপুৰৰ ৰসিকা-পৰিচাৰিকাবোৰে হাতত আম্ৰ-মঞ্জৰী লৈ গীত আৰু নৃত্য কৰিছিল। সেইদিনা আমোদ-প্ৰমোদত সিহঁতে মৰ্য্যাদাৰ সীমা চেৰাই গৈছিল। মধুপান কৰি সিহঁত মত্ত হৈ উঠিছিল। নাচোতে-বাগোতে কেশপাশ শিথিল হৈ গৈছিল, খোপাত পিন্ধা মালতীমালা সৰি পৰিছিল আৰু ভৰিৰ নেপুৰৰ যোটা-পুটি লাগি ঝনঝননি দুগুণে বৃদ্ধি পাইছিল। নগৰৰ বাহিৰ-ভিতৰ সকলোতে আনন্দ-উল্লাসৰ প্ৰচণ্ড গতি-বেগ অনুভূত হৈছিল।

স্ৰস্তঃ স্ৰগ্দামশোভাং ত্যজতি বিৰচিতান্যাকুলঃ
কেশপাশঃ।
ক্ষীবায়া নূপুৰৌ দ্বিগুণতৰমিমৌ ক্ৰন্দতঃ পাদলগ্নৌ।
ব্যস্তঃ কম্পানুবন্ধাদনৱৰতমুৰোহন্তি হাৰোঽয়মস্যাঃ।
ক্ৰীড়ন্ত্যাঃ পীড়য়েৱ স্তনভৰৱিনমন্মধ্যভঙ্গানপেক্ষম্।।

মদনোৎসৱৰ সাৰ্ব্বজনিক ৰূপৰ আন এটি শান্ত স্নিগ্ধ চিত্ৰ ভৱভূতিৰ মালতীমাধৱ নাটত পোৱা যায়। কামদেৱৰ মন্দিৰৰ উদ্যানত উৎসৱৰ দিনা নগৰৰ স্ত্ৰী-পুৰুষ সমবেত হৈ অনঙ্গদেৱতাৰ পূজাত যোগ দিছিল। উৎসৱত যোগ দিয়া নৰ-নাৰীৰ কোনোৱে হয়তো ফুলৰ মালা গাথে, কোনোৱে হয়তো আবীৰ-কুঙ্কুম লৈ খেলা খেলে। অবিবাহিতা যুৱতীসকলে মনোমত স্বামী পাবলৈ মদনদেৱতাক পূজা কৰে। মালতী-মাধৱ নাটৰ নায়িকা মালতীয়ে পৰিচাৰিকা পৰিবেষ্টিতা হৈ এজনী মাখুন্দী হাতীৰ ওপৰত উঠি উৎসৱত যোগদান কৰিবলৈ আহিল আৰু বকুল গছৰ শিলাতলত মালাগাঁথি থকা মাধৱক দেখি প্ৰণয়ৰ ভাৱ প্ৰদৰ্শন কৰিছিল। মালতী পদ্মাৱতী নগৰৰ ৰজাৰ অমাত্য ভূৰিৱসুৰ কন্যা আছিল। তাৰ পৰা এইটো অনুমান কৰি লব পাৰি যে উচ্চ বংশজাত নাৰীসকলেও এই উৎসৱত নিসঙ্কোচে যোগদান কৰিছিল। ভৱভূতিৰ বিৱৰণৰ পৰা আৰু জনা যায় যে এই উৎসৱ ৰাতিপুৱাৰ পৰা সন্ধ্যা পৰ্য্যন্ত চলিছিল।

ওপৰত মদনোৎসৱৰ দুটা বিৱৰণ দিয়া হ'ল, এটা শ্ৰীহৰ্ষৰ, আনটো ভৱভূতিৰ। প্ৰথম বিৱৰণত কোৱা হৈছে যে সন্ধ্যাৰ সময়ত মদনোৎসৱ পকি

উঠিছিল, কিন্তু দ্বিতীয় বিৱৰণমতে সন্ধ্যা সময়ত ইয়াৰ সমাপ্তি ঘটিছিল। দৰাচলতে দুয়োটা বিৱৰণত কোনো বিৰোধ নাই, কিয়নো এই উৎসৱ কেবাদিনো ধৰি চলিছিল। সমস্ত বসন্ত ঋতুতেই এই উৎসৱ অনুষ্ঠিত হৈছিল। পুৰাণ গ্ৰন্থৰ পৰা জনা যায় যে মদনোৎসৱ চ'ত মাহৰ শুক্লা দ্বাদশীৰ পৰা আৰম্ভ হৈছিল। সেই-দিনা অৰ্থাৎ শুক্লা-দ্বাদশীৰ দিনা ব্ৰত পালন কৰা নিয়ম আছিল। অশোক গছৰ তলৰ ভেটিত এটা চাউল ভৰা কলহ স্থাপন কৰিছিল। নানা তৰহৰ উপায়ন দ্ৰব্য যেনে ফল, কুঁহিয়াৰ আদিৰ যোগাৰ কৰিছিল। ঘটটোত বগাকাপোৰ মেৰাই থৈছিল আৰু বগা চন্দনৰ আলেপনৰ দ্বাৰা সুশোভিত কৰি লৈছিল। ঘটৰ ওপৰত এখন তামৰ থালত কলাপাত পাৰি ৰতি আৰু কামদেৱৰ মূৰ্ত্তি স্থাপন কৰিছিল। গন্ধপুষ্প, ধূপ-দীপ আৰু নৃত্যগীত আদিৰে ৰতি-কামদেৱক সন্তুষ্ট কৰিবলৈ চেষ্টা কৰা হৈছিল। (মৎস্য পুৰাণ, ৭ম অধ্যায়)। দ্বিতীয় দিনা অৰ্থাৎ ত্ৰয়োদশীৰ দিনা মদনদেৱতাৰ পূজা আৰু স্তুতিগীত অনুষ্ঠিত হৈছিল। চতুৰ্দ্দশীৰ দিনা পূজাৰ লগে লগে নানাপ্ৰকাৰৰ অশ্লীল গীতো গাইছিল। পূৰ্ণিমাৰ দিনা নগৰ ফুৰা কাৰ্য্য সম্পন্ন হৈছিল।

**সুৱসন্তক** : সৰস্বতী-কণ্ঠাভৰণ গ্ৰন্থৰ অনুসাৰে বসন্ত ঋতুৰ প্ৰথম আৱিৰ্ভাৱৰ দিনটোক সুৱসন্তক বোলা হয়। আজিকালিৰ লেখত বসন্ত-পঞ্চমীৰ (শ্ৰীপঞ্চমী) দিনা এই উৎসৱ পৰিৰ লাগে। হৰিভক্তি-বিলাস, মাৎস্যসূক্ত আদি গ্ৰন্থৰ মতে সুৱসন্তকৰ দিনাৰ পৰাই বসন্ত ঋতু আৰম্ভ হয়। এই দিনত প্ৰথমে মদনদেৱতাক পূজা কৰা হয়। সেইদিনা বিলাসিনী সুন্দৰীসকলে ডিঙিত আমৰ নব-মঞ্জৰী পৰিধান কৰি গাওঁসমূহ জাতিস্মাৰ কৰি তুলিছিল।

ছণপিট্ঠধূসৰৎথণি মহুমঅতম্বচ্ছি কুৱলআহৰণে।
কণ্ঠকঅচূঅমংজৰি পুত্তি তুএ মণ্ডিও গামো ॥

(সৰস্বতী কণ্ঠাভৰণ)

কালিদাসৰ ঋতুসংহাৰত বৰ্ণনা কৰিছে যে সেইদিনা (বসন্তৰ আৱিৰ্ভাৱৰ দিনা) কোনোৱে পুৰণি গৰম কাপোৰ পৰিত্যাগ কৰি লাক্ষাৰস বা কুমকুমৰাগেৰে ৰঞ্জিত আৰু কালাগুৰুৰ দ্বাৰা সুবাসিত পাতলা ৰঙা কাপোৰ পৰিধান কৰিছিল, কোনোৱে কুসুম্ভী দুকূল (চাদৰ) ধাৰণ কৰিছিল, কোনোৱে আকৌ কাণত নবীন কৰ্ণিকাৰ ফুল, নীল অলকত অশোক আৰু বক্ষঃস্থলত নৱমল্লিকাৰ মালা পিন্ধি বিহাৰ কৰি ফুৰিছিল।

গুৰুণি বাসাংসি বিহায় তূৰ্ণ তনূনি লাক্ষাৰসৰঞ্জিতানি।
সুগন্ধিকালাগুৰুধূপিতানি ধত্তেজনা কামমদালসাঙ্গী ॥
কুসুম্ভৰাগাৰুণিতৈৰ্দুকূলৈৰ্নিতম্ববিম্বানি বিলাসিনীনাম্।
ৰক্তাংশুকৈঃ কুংকুমৰাগগৌৰৈৰলক্ৰিয়ন্তে স্তনমণ্ডলানি ॥
কৰ্ণেষু যোগ্যং নৱকৰ্ণিকাৰং চলেষু নীলেষ্বলকেস্বশোকঃ
পুষ্পং চ ফুল্লং নৱমল্লিকায়াঃ প্ৰয়াতি কান্তিং প্ৰমদাজনস্য ॥

অশোক দোহদ : মদনোৎসৱৰ সকলোতকৈ অধিক আকৰ্ষণীয় আৰু সৰস অঙ্গ হ'ল অন্তঃপুৰৰ অশোকবৃক্ষৰ অনুষ্ঠিত হোৱা মদনপূজা। মহাৰাজ ভোজদেৱৰ সৰস্বতী-কণ্ঠাভৰণত স্পষ্টকৈ লেখিছে এই উৎসৱ চৈত্ৰ শুক্লাত্ৰয়োদশীত হৈছিল। সেইদিনা কুংকুম ৰঙৰ কঞ্চুকী (চোলী) মাত্ৰ পৰিধান কৰি তৰুণীসকলে এই উৎসৱ পালন কৰিছিল। মহাকৱি কালিদাসৰ মালৱিকাগ্নিমিত্ৰ আৰু শ্ৰীহৰ্ষদেৱৰ ৰত্নাৱলী নাটত এই উৎসৱাঙ্গৰ কিছু আভাস পোৱা যায়। মালৱিকাগ্নি-মিত্ৰ নাটকত বৰ্ণিত হৈছে যে মদনদেৱতাৰ পূজাৰ পাছত অশোকৰ দোহদ সৃষ্টি কৰা হৈছিল। এই দোহদ ক্ৰিয়া এনে প্ৰকাৰ আছিল—কোনো তৰুণী সুন্দৰীয়ে সৰ্ব্বাভৰণভূষিতা হৈ ভৰিত লাক্ষাৰস বা আলতা লেপন কৰি আৰু নূপুৰ পিন্ধি বাঁও ভৰিৰে অশোকবৃক্ষক মৃদু আঘাত কৰিছিল। এই চৰণাঘাতৰ অপাৰ মহিমা! অশোকবৃক্ষ তাৰ ফলত পুষ্পস্তবকৰে বমকজমক হৈ পৰিছিল। সাধাৰণতে ৰাণী বা প্ৰধান মহিলাই এই ক্ৰিয়া সম্পন্ন কৰিছিল। মালৱিকাগ্নিমিত্ৰ নাটকত মহাৰাণী ধাৰিণীৰ অসুখ হোৱাত তেওঁৰ পৰিচাৰিকাবিলাকৰ ভিতৰত শ্ৰেষ্ঠা সুন্দৰী নবীনা মালৱিকাই ৰাণীৰ হৈ দোহদ ক্ৰিয়া সম্পন্ন কৰিছিল। বকুলৱলিকা নামৰ আন এজনী সুন্দৰী পৰিচাৰিকাই মালৱিকাৰ প্ৰসাধন কাৰ্য্য আৰু নূপুৰ পৰিধান কৰাই



দিছিল। সুসজ্জিতা হৈ মালৱিকাই অশোকবৃক্ষৰ কাষ চাপি গৈ অশোকৰ ডাল এটা ধৰি বাওঁ ভৰিৰে গছৰ ওৰিত আঘাত কৰে। ভৰিৰ নূপুৰৰ ঝনক শব্দৰ লগে লগে দোহদ উৎসৱো শেষ হয়। ৰত্নাৱলী নাটত কিন্তু ৰাণীয়ে স্বয়ং এই উৎসৱত অংশ গ্ৰহণ কৰে। ৰজা, বিদূষক আৰু পৰিচাৰিকাসমূহো উপস্থিত আছিল। কিন্তু পৰিচাৰিকাবিলাকৰ ভিতৰত সকলোতকৈ সুন্দৰী সাগৰিকাক ৰাণীয়ে ইচ্ছা কৰিয়েই তাত যোগ দিবলৈ দিয়া নাছিল। অশোকবৃক্ষৰ তলত স্ফটিকৰ বেদীত ৰাণীয়ে ৰজাক বহুৱায়, ওচৰতে আন আসনত ৰজাৰ বন্ধু বিদূষকক বহিবলৈ দিয়া হয়। কাঞ্চনমালা নামে এজনী দাসীয়ে ৰাণীৰ কোমল হাতত আবীৰ-কুমকুম-চন্দন আৰু ফুলৰ আঁজলী অৰ্পন কৰে। প্ৰথমতে মদনদেৱতাক পূজা কৰি ৰাণীয়ে পুষ্পাঞ্জলী ৰজাৰ চৰণত অৰ্পন কৰে। বিদূষককো যথাৰীতি অভ্যৰ্থনা জনোৱা হয়। সন্ধ্যাৰ আগে আগে এই কাৰ্য্য অনুষ্ঠিত হৈছিল, কাৰণ অনুষ্ঠান শেষ হোৱাৰ লগে লগে বৈতালিকসকলৰ সান্ধ্যবন্দনা শুনা গৈছিল আৰু পূব দিশত আবীৰৰ বং সানি চন্দ্ৰমাই দেখা দিছিল।

শ্ৰীভোজদেৱৰ সৰস্বতীকণ্ঠাভৰণ গ্ৰন্থৰ পৰা জনা যায় যে দোহদ উৎসৱৰ কোনো নিৰ্দিষ্ট তিথি নাছিল। বসন্ত ঋতুৰ যি কোনো দিনতে এই উৎসৱ পালন কৰিব পাৰিছিল। এই উৎসৱৰ আন এটা নাম কণ্ঠা-ভৰণ মতে "অশোকোত্তংসিকা"।

**বসন্ত ঋতুৰ অন্যান্য উৎসৱ :** শাৰদাতনয়ৰ ভাৱ-প্ৰকাশ গ্ৰন্থত তলত লেখা উৎসৱকেইটা বসন্ত ঋতুত পালন কৰা হৈছিল—(১) অষ্টমী-চন্দ্ৰ, (২) শক্ৰাৰ্চা বা ইন্দ্ৰপূজন, (৩) সুৱসন্তক, (৪) মদনোৎসৱ, (৫) বকুল আৰু অশোকবৃক্ষৰ ছায়াত বিহাৰ, (৬) শাল্মলী বিনোদ। এই বিলাকৰ বাহিৰেও নিদাঘ কালত অৰ্থাৎ গ্ৰীষ্ম ঋতুত কিছুমান বিনোদ-বিহাৰ পালন কৰিছিল। সেইবোৰ বসন্ত ঋতুতো অনুষ্ঠিত হব পাৰে বা হৈছিল বুলি কামসূত্ৰৰ জয়মঙ্গলা টীকাত উল্লেখ কৰিছে। নিদাঘ কালত পালনীয় উৎসৱ আছিল —(১) উদ্যানযাত্ৰা, (২) সলিল ক্ৰীড়া, (৩) পুষ্পা-ৱচয়িকা, (৪) নৱাম্ৰখাদনিকা, (৫) আম আৰু মাধৱীলতাৰ বিবাহ।

উদকক্ষ্বেড়িকা বসন্তৰে উৎসৱ। বাঁহৰ পিচকাৰীত সুগন্ধী পানী ভৰাই এই উৎসৱত যুৱকসকলে প্ৰিয়জনৰ গাত নিক্ষেপ কৰে। কামসূত্ৰত এই উৎসৱৰ উল্লেখ আছে। উক্ত গ্ৰন্থৰ টীকা জয়মঙ্গলাত এই উৎসৱ মধ্যদেশত অধিক প্ৰচলন আছিল বুলি উল্লেখ কৰিছে। নাগৰিকসকলে ডিঙিত আৰু কাণত পৰিধান কৰিবলৈ নৱআম্ৰমঞ্জৰী চয়ন কৰিবলৈ দলে দলে নানা হাস-পৰিহাস, লাহ-বিলাহ কৰি উদ্যানলৈ ওলাই যায়। কেতিয়াবা যুৱকসকল বেলেগে যায়, কেতিয়াবা আকৌ যুৱক-যুৱতী একগোট হৈ চয়নকাৰ্য্য কৰে। এই উৎসৱক কোৱা হয় "চূতমঞ্জিকা"। বসন্ত কালত পুষ্প চয়ন কৰা সেই কালত বিশেষ আমোদৰ দিন আছিল, ইয়াৰ নাম পুষ্পাৱচয়িকা। ভোজদেৱে বৰ্ণনা কৰিছে যে সুন্দৰীৰ মুখৰ মদিৰা সেচন ক্ৰিয়াৰ দ্বাৰা যেতিয়া বকুল ফুলি উঠে তেতিয়া সেই ফুল চয়ন প্ৰসঙ্গত এই উৎসৱ পালন কৰা হৈছিল। সখী আৰু প্ৰিয়জনৰ হাস-পৰিহাস, নৰ্ম্মবাক্যৰ দ্বাৰা সজীৱ ৰূপ পৰিগ্ৰহ কৰি এই উৎসৱ বৰ আনন্দবিধায়ক আছিল। বসন্ত ঋতুত প্ৰকৃতি লাস্যময়ী প্ৰাণপ্ৰাচুৰ্য্যৰে ভৰপুৰ হৈ পৰে। কিন্তু প্ৰকৃতিৰ অংশবিশেষ মানৱ যদি জড়ীভূত হৈ থাকে তেন্তে ইমান বৈভৱৰ প্ৰয়োজন কিয়? মানৱে যদি হৃদয় উজাৰ কৰি পুষ্পিত বনলতা আৰু মদিৰাস্নিত মলয়-পৱনৰ লগত সংযোগ স্থাপন কৰিব পাৰে তেন্তে উৎসৱময়ী প্ৰকৃতিৰ সৌন্দৰ্য্যই সাৰ্থকতা লভে। সংস্কৃত কৱিসকলে মানৱ আৰু নৈসৰ্গিক প্ৰকৃতিৰ এই সম্বন্ধ উপলব্ধি কৰিছিল। প্ৰাচীন ভাৰতৰ চিত্ত যেতিয়া স্বতন্ত্ৰ আছিল, যেতিয়া সেই প্ৰাকৃতিক উল্লাস আৰু বিলাসৰ লগত সামঞ্জস্য স্থাপন কৰিব পাৰিছিল, সেই দিনত এই ঋতু-উৎসৱৰ তাৎপৰ্য্য সকলোৱে উপলব্ধি কৰিব পাৰিছিল। মানৱ সংসৰ্গবিহীনা পুষ্প-পল্লৱপূৰ্ণা ধৰিত্ৰীৰ সৌন্দৰ্য্যৰ সাৰ্থকতা ক'ত?

সন্ত দ্ৰুমাঃ কিসলয়োত্তৰপত্ৰভাৰাঃ
প্ৰাপ্তে বসন্তসময়ে কথমিত্যমেৰ।

ন্যাৰ্সৈনৱদ্যুতিমতোঃ পদয়োস্তবেয়ং
ভূঃ পুষ্পিতা সুতনু পল্লৱিতেৱ ভাতি ।।
(সুক্তিসহস্ৰ)

'অভ্যুষখাদনিকা' নামৰ আন এটা উৎসৱৰ উল্লেখ পোৱা যায়। নতুনকৈ ৰোপন কৰা ঘেঁহু, গম, যৱ, মতৰ, ধান আদি শস্যৰ প্ৰথম উৎপন্ন ফল কেঁচা অৱস্থাতে গছৰ পৰা সংগ্ৰহ কৰি আনি ঘিউ আদিত ভাজি অভ্যুষ্য আৰু হোলাকা নামৰ খাদ্য তৈয়াৰ কৰিছিল। এই নতুন শস্যৰ খাদ্য খাবৰ কাৰণে আত্মীয়স্বজনক নিমন্ত্ৰণ কৰি আনিছিল।

মলয় সমীৰণৰ দ্বাৰা আম্ৰমঞ্জৰীত সিহৰণ তুলি, কোকিলৰ কুজনৰ দ্বাৰা দশোদিশ মুখৰিত কৰি আৰু শীতকালীন জড়িমা দূৰ কৰি বসন্ত ঋতু আহে যৌৱনৰ জয়গান গাই।

আকম্পয়ন্ কুসুমিতাঃ সহকাৰশাখাঃ ।
বিস্তাৰয়ন্ পৰভৃতস্য বচাংসি দিক্ষু ।।
বায়ুৰ্বিৱাতি হৃদয়ানি হৰন্তৰাণাং ।
নীহাৰপাতবিগতাত্ সুভগো ৱসন্তে ।। (ঋতুসংহাৰ)

এই সময়ত (বসন্ত ঋতুত) পৰ্ব্বতমালাৰ অনুপম সৌন্দৰ্য্যই মানৱচিত্ত বিমোহিত কৰে; তাৰ সানুদেশত উন্মত্ত কোকিলৰ কুজন, প্ৰান্তভাগত বিবিধ কুসুমৰ মনলোভা সৌন্দৰ্য্য আৰু শিলাপট্টসমূহত সুগন্ধিত ধাতুৰ সৌৰভ!

নানা মনোজ্ঞ কুসুমদ্ৰুমভূষিতান্তান্
দৃষ্টান্যপুষ্টনিনাদাকুলসানুদেশান্ ।
শৈলেয়জালপৰিণদ্ধশিলাতলৌঘান্
দৃষ্ট্বা জনঃ ক্ষিতিভৃতো মুদসেতি সৰ্ব্বঃ ।।

---

হিন্দী ৰচনাৰ পৰা অনুদিত। সম্পাদক

---

# কুসুম কুমাৰী উপন্যাস

## শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী এম-এ, বি-টি

(সাহিত্যিক হৰেশ্বৰ শৰ্ম্মা বৰুৱাই ১৮৭৫ চনত টীয়কৰ নহাটত জন্ম গ্ৰহণ কৰিছিল। তেওঁৰ পিতৃৰ নাম ৺কমলেশ্বৰ শৰ্ম্মা বৰুৱা আৰু মাতৃ ৺সৰ্ব্বেশ্বৰী দেৱী। বিখ্যাত চাহ খেতিয়ক বোমেশ্বৰ বৰুৱাৰ তেওঁ নাতি আছিল। হৰেশ্বৰ শৰ্ম্মা বৰুৱা পিতৃ-মাতৃৰ মাজু লৰা আছিল। ককায়েক ৺গঙ্গেশ্বৰ বৰুৱা আৰু ভায়েক শ্ৰীলক্ষেশ্বৰ শৰ্ম্মা বৰুৱা, বি-এ, বি-টি। তেওঁ যোৰহাট বেজবৰুৱা স্কুলৰ পৰা ১৮৯৫-৯৬ চনত সুখ্যাতিৰে এণ্ট্ৰেন্স্ পৰীক্ষাত উত্তীৰ্ণ হৈ ডিব্ৰুগড়ৰ আৰ্টিজেন স্কুলত পঢ়িবলৈ গৈছিল। যোৰহাটত পঢ়া-কালত সুসাহিত্যিক ৺হিতেশ্বৰ বৰবৰুৱা আৰু ৺চন্দ্ৰকান্ত বৰপূজাৰী তেওঁৰ অন্তৰঙ্গ বন্ধু আছিল। এই সময়তে অসমীয়া সাহিত্যৰ ওপৰত ইংৰাজী ৰোমাণ্টিক সাহিত্যৰ প্ৰভাৱ পৰিছিল. আৰু তেওঁৰো তাৰ মোহত পৰিছিল। ডিব্ৰুগড়ত পঢ়ি থাকোঁতেই তেওঁ "কুসুম কুমাৰী" উপন্যাস ৰচনা আৰম্ভ কৰিছিল। আৰ্টিজেন স্কুলৰ স্কুলৰ শিক্ষা সাং হোৱাৰ অনতিপূৰ্ব্বেই তেওঁ যোৰহাটৰ বালিগাওঁ মৌজাৰ মৌজাদাৰ হৈছিল। এই কালছোৱাতে তেওঁ অভিমন্যু বধ (অপ্ৰকাশিত) আৰু শকুন্তলা নাটক ৰচনা কৰিছিল। এই অভিমন্যু বধ নাটকখন যোৰহাটৰ ৰঙ্গমঞ্চত অভিনীত কৰোঁতে ৺কৃষ্ণকুমাৰ বৰুৱা, ৺বুদ্ধীন্দ্ৰ নাথ দিলিহীয়াল ভট্টাচাৰ্য্য, শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা প্ৰমুখ্যে কেবাজনো বিশিষ্ট লোকে ইয়াৰ ভাও লৈছিল। এই নাটকখন ইমান সৰবৰহী হৈছিল যে হাতে লেখা অৱস্থাত গুৱাহাটীতো ইয়াৰ অভিনয় হৈছিল। কিন্তু পাণ্ডুলিপিখন কেনেবাকৈ হেৰাল। বৰুৱাদেৱৰ সঙ্গীততো ব্যুৎপত্তি আছিল। কিন্তু নিয়তিৰ নিষ্ঠুৰ বিধান! বহুতদিন মেলেৰীয়া ৰোগত আক্ৰান্ত হৈ ১৯০৬ চনৰ ডিচেম্বৰ মাহত একত্ৰিশ বছৰ বয়সত দুটি পুত্ৰ এৰি তেওঁ অকালতে ইহলীলা সম্বৰণ কৰে।)

মিছনেৰীসকলে যদিও পোন প্ৰথমতে 'কামিনীকান্ত' (১৮৭৭ খৃঃ) আৰু 'ফুলমণি আৰু কৰুণা' উপন্যাসেৰে অসমীয়া সাহিত্যত উপন্যাসৰ সূচনা কৰে তথাপি এই দুখন উপন্যাসক প্ৰকৃততে প্ৰচাৰধৰ্ম্মী উপন্যাস বুলিব পাৰি। পদ্মাৱতী দেৱী ফুকননীৰ পাচতে আমি ৺পদ্মনাথ গোহাঁঞি বৰুৱা, ৺ৰজনীকান্ত বৰদলৈ আৰু ৺হৰেশ্বৰ শৰ্ম্মা বৰুৱাৰ উপন্যাসৰ কথা আমাৰ মনলৈ আহে। সতিকে এই যুগৰ উপন্যাসৰ কথা আলোচনা কৰিবলৈ হলে আমি বুৰঞ্জীমূলক দৃষ্টিকোণৰ পৰা ফঁহিয়াই চাব লাগিব।

৺হৰেশ্বৰ শৰ্ম্মা বৰুৱাৰ ভাষাত "কুসুম-কুমাৰী" এখন 'ইতিবৃত্তিমূলক উপন্যাস'। সম্ভৱ উপন্যাসখনিৰ আৰম্ভণিৰ কবিতাৰ চৰণচিয়ে পশ্চিমীয়া প্ৰভাৱৰ সৃষ্টি উপন্যাসৰ কথা সোঁৱৰাই দিয়ে—

কোনোবা দেশৰ পদুম ফুল এপাহি
সোঁতত আহিছে ভাহি।
পাৰোনে নোৱাৰো সাঁতুৰি ধৰিব
বলেৰেই যাওঁচোন সাহি ।।

কুসুম-কুমাৰী এখন মিলনান্তক সামাজিক উপন্যাস। প্ৰমোদ কুমাৰ—কুসুম কুমাৰী আৰু সেউতী—মোহনচন্দ্ৰৰ পৰিণয়তেই উপন্যাসখনি শেষ হৈছে।

কুসুম কুমাৰী ন-হাটৰ কৃষ্ণকান্ত বৰগোহাঁঞিৰ জীয়েক। প্ৰতিবেশী হৰদেউ ফুকনৰ একমাত্ৰ লৰা প্ৰমোদ কুমাৰক কুসুম কুমাৰীয়ে ভাল পাইছিল। মাহীয়েক ৰূপহীৰ ষড়যন্ত্ৰত ক্ষুব্ধ হৈ প্ৰমোদ কুমাৰ এদিন ৰাতি ঘৰৰ পৰা গুচি যায়। প্ৰমোদ নিৰুদ্দেশ যাত্ৰা কৰি গৈ গৈ এখন হাবিৰ মাজ পালেগৈ আৰু কোনোবা ৰমণীৰ আৰ্ত্তনাদ শুনিলে। তেওঁ মাত অনুসৰণ কৰি কৰি ছোৱালীজনীক দুৰ্বৃত্তৰ হাতৰ পৰা ৰক্ষা কৰিবলৈ চেষ্টা কৰে। কিন্তু নিজে বন্দী হয়। সেউতীৰ সহায়ত প্ৰমোদ পাষাণহঁতৰ পোতাশালৰ পৰা মুক্ত হয় আৰু দুয়ো নিশাই পলাই যায়। দুয়ো পুৰণি ৰংপুৰলৈ গৈ শিৱদলত আশ্ৰয় ললে। ইফালে ৰামচন্দ্ৰ গোহাঁঞিৰ কন্যা সেউতী নেঘেৰিটিঙৰ দ'লৰ পৰা নিৰুদ্দেশ হোৱাৰ পাচত বাপেকে যোৰহাটৰ থানাত এজাহাৰ দিয়ে। থানাৰ পুলিচ ইন্সপেক্টৰ অভয়চৰণে বহুত অনুসন্ধানৰ ফলত এগৰাকী ছোৱালী উদ্ধাৰ কৰে। কিন্তু এওঁ হ'ল কুসুম কুমাৰী। কুসুম কুমাৰীৰ মাদৰ গোহাঞিৰ পুতেকৰ সৈতে বহাগৰ ১৫ তাৰিখে বিয়া ঠিক হৈছিল, কিন্তু বিয়াৰ দিনা ৰাতি কুসুম কুমাৰী পলাল। কুসুম কুমাৰী সোণাৰাম আৰু ৰহিমৰ কবলত পৰি গড়মূৰত বন্দী হৈ আছিল। কুসুম কুমাৰীক অপহৰণ কৰা বিচাৰৰ পাচত তেওঁক নেঘেৰিটিঙৰ ৰামচৰণৰ আশ্ৰয়ত থাকিবলৈ দিয়া হয়। তেওঁলোক নেঘেৰিটিঙৰ দ'ললৈ যায়। ইতিপূৰ্ব্বে কুসুমক বিচাৰি বিচাৰি ককায়েক মোহনচন্দ্ৰ নেঘেৰিটিঙ দ'ললৈ আহিছিল, কিন্তু কুসুমৰ বাতৰি নেপাই ৰংপুৰৰ ফালে গ'ল। ৰংপুৰৰ শিৱদলত প্ৰমোদ কুমাৰৰ পৰা সেউতীৰ বাতৰি পালে। ইয়াত প্ৰথম দৰ্শনতে সেউতীৰ মোহনৰ প্ৰতি অনুৰাগ জন্মিল। তাৰ পাচত তেওঁলোক নেঘেৰিটিঙলৈ আহে। তাত কুসুম কুমাৰী আৰু প্ৰমোদ কুমাৰৰ মিলন হয়। ইয়াত কুসুম-প্ৰমোদ আৰু সেউতী-মোহনৰ বিয়া হয়। বিয়াৰ পাচতেই প্ৰমোদ কুমাৰৰ মাহীয়েক ৰূপহীৰ সৈতে দেখা হয়। এই ৰূপহীৰ পোনতে দেওৰেক দুৰ্গাচৰণৰ সৈতে গুপ্ত প্ৰেম আৰু পাচত ঠিকাদাৰ বসন্ত বেনাৰ্জ্জী আৰু ৰূপহীৰ অবৈধ মিলন হয়। দুৰ্গাচৰণে অসন্তুষ্ট হৈ বসন্তক হেণ্ডদানেৰে বধ কৰে আৰু ৰূপহী পলাই যায়। ৰূপহীক প্ৰমোদে লগ পোৱাৰ সময়ত তাইৰ গা দুৰ্গন্ধ। তাই প্ৰমোদৰ ভৰিত পৰি ক্ষমা প্ৰাৰ্থনা কৰে। ৰূপহীৰো মৃত্যু হয়।

এই উপন্যাসখন ঘটনা বহুল অৰ্থাৎ কাহিনী প্ৰধান। লেখকে চৰিত্ৰাঙ্কণত মন দিয়া নাই। প্ৰমোদৰ গাত নায়কৰ উপযুক্ত গুণ আছে। তেওঁৰ সাহ-পিত অপৰিসীম। কুসুম কুমাৰীৰ প্ৰমোদৰ প্ৰতি ভাল পোৱা ভাব পৰ্ব্বতৰ সমান ওখ, সাগৰৰ সমান গভীৰ আৰু পৃথিবীৰ দৰে বিশাল। তাইৰ প্ৰেম সেউতীৰ নিচিনাকৈ প্ৰথম দৃষ্টিত ওপজা প্ৰেম নহয়। সেই কাৰণে তাই প্ৰমোদক কৈছিল, "....তুমি যদি যোৱা তেন্তে মই কেনেকৈ থাকিম? প্ৰমোদ, তোমাৰ এই দুৰূহ সঙ্কল্প এৰি দিয়া। মোক এৰি থৈ কলৈকো নেযাবা।" প্ৰমোদ নিৰুদ্দেশ হোৱাৰ পাচতো তাইৰ অন্তৰত তেওঁৰ প্ৰতি ভাল পোৱা ভাব উমি উমি জ্বলি আছিল আৰু বিয়াৰ দিনা ৰাতি ঘৰৰ পৰা পলাই যায় আৰু প্ৰমোদ কুমাৰৰ সৈতে মিলনৰ আশা অন্তৰত পুহি থাকিল। কুসুম কুমাৰী আৰু প্ৰমোদ কুমাৰ প্ৰকৃত প্ৰেমিক-প্ৰেমিকা আৰু তেওঁলোকৰ প্ৰতি আমাৰ সহানুভূতি ওপজে। মোহনচন্দ্ৰই ভনীয়েকক বিচাৰি গৈ সেউতীৰ প্ৰণয় পাশত আৱদ্ধ হয়। সামৰণিত এই ৰোমাণ্টিক উপন্যাসখনিত দুখন বিয়াৰ উখল-মাখল উপভোগ কৰিব পাৰি। কিন্তু ঔপন্যাসিকে ৰূপহীৰ প্ৰতি সহানুভূতি দেখুৱা নাই। ৰূপহীয়ে স্বামীৰ বিয়োগৰ পাচত দেওৰেক দুৰ্গাচৰণৰ প্ৰণয় পাশত আৱদ্ধ হৈ প্ৰমোদ কুমাৰক বিহ খুৱাই মাৰিব খুজিছিল। প্ৰমোদ কুমাৰ পলালত দুয়োৰে মনৰ কামনা পূৰণ হ'ল। ৰূপহীৰ আশা সিমানতো পূৰণ নহল। চেউনি আলিৰ ঠিকাদাৰ বসন্ত কুমাৰ বেনাৰ্জ্জীয়ে তেওঁৰ ঘৰলৈ অহাৰ পাচৰ পৰা ৰূপহীৰ বসন্তৰ প্ৰতি অনুৰাগ বাঢ়িল। এই প্ৰেমৰ পৰিণতি স্বৰূপে বসন্ত কুমাৰক দুৰ্গাচৰণে বধ কৰে আৰু ৰূপহী ঘৰৰ পৰা ভয়তে পলায়। ৰূপহীয়ে দুৰ্গন্ধ দেহেৰে প্ৰমোদ কুমাৰৰ আগত থিয় দি তেওঁৰ ভৰিত পৰে। তেওঁ প্ৰমোদ কুমাৰৰ আগত দেহত্যাগ কৰে। কুলটা স্ত্ৰীৰ পৰিণামকে ইয়াত দেখুৱা হৈছে।

উপন্যাসখনিত ন-হাটৰ বৰ্ণনাত স্থানীয় বৈশিষ্ট্যৰ ( Local colour ) সাঁচ দেখা যায়। বিহু উৎসৱ আৰু বিয়াৰ বৰ্ণনাও পোৱা যায়। ঠায়ে ঠায়ে লেখকৰ পৰ্য্যবেক্ষণ আৰু কবিত্ব শক্তিও পৰিলক্ষিত হয়— "এই সময়ত সূৰ্য্যদেউ উদয়াচলৰ টিঙ্গত উদয় হবৰ কাৰবাৰ কৰিছে। ভেট ফুলটি প্ৰাণকান্তৰ বাজ্য নিশাটি যাব দেখি লাহে লাহে জাপ গৈ আহিছে। ইফালে ভেটৰ এই দুখ লগা সিফালে পদুমী আইটীয়ে চেনেহৰ সূৰ্য্যদেউ এতিয়া বেগতে উষা দেবীৰ সৈতে সাজিপাৰি আহিব এই বুলি উলাহ মনেৰে ভেটক মিচিক্ মিচিক্ কৰি হাহিছে। পদুমি, আমি এইবোৰ কথা ভাল নেদেখো, গধূলিকৈ আকৌ লোকে হাহিব যেতিয়া এতিয়া তেনে হাঁহি নেমাৰিলে একা? কচুৰনী খালৰ পুনীৰ দৰে খন্তেকৰ সুখতে নাচিবাগি ফুৰি খন্তেকতে মাটিত পৰি পচিবলৈ হলে তেনেখন নাচবাগ নকৰাই ভাল।" (পৃঃ ২৪); আকৌ, "এনেতে হঠাৎ পশ্চিমফালে এটা গাজনি মাৰিলে; এদুখৰী ডাৱৰে চন্দ্ৰটি ঢাকি পেলালে। লগে লগে বিজুলী, ধুমুহা, চেৰেকনিৰ লেখেৰি লাগিল। ছতুছতকৰে বিজুলীয়াবলৈ ধৰিলে। চেৰেকনীৰ প্ৰতাপত কাণ ফাটিবলৈ ধৰিলে। বায়ু দেৱতাৰ খং উঠি বড় বড় গছবোৰেৰে তুমুল যুদ্ধ কৰিবলৈ ধৰিলে। সৰু সৰু গছে মূৰ দোঁৱাই বায়ু দেৱতাক শৰণে পশি কাকুতি কৰিবলৈ ধৰিলে। কতো মানুহৰ মাত এটি শুনিবলৈ নাইকিয়া হ'ল। "জিনি যা কোৱা কা" হল। প্ৰকৃতি দেবী ঘোৰ তমসাচ্ছন্ন হ'ল। ক'তো জোনাকী আইদেউৰ লেশমাত্ৰ নাই।" কিন্তু উপন্যাস-খনিৰ দুই-এঠাইত বৰ্ণনা আমনি লগা হৈছে। এই উপন্যাসৰ এটা বৈশিষ্ট্য এয়ে যে ইয়াত পাঁচোটা গানো আছে আৰু এই গানে উপন্যাসৰ সৌন্দৰ্য্য বৰ্দ্ধন কৰা নাই। বঙালী মানুহ বা বঙলা কথাৰ প্ৰতিও ব্যঙ্গোক্তি প্ৰকাশ পাইছে। যেনে, "পাঠক, আপুনি "বাবু" নে "শ্ৰীযুত"? বাবু যদি এফেৰি যাওক, ধোৱা খোৱাটোৰ পানী টুপি সলাই ধপাত এচিলিম দি আহক গৈ।" আকৌ বসন্ত বাবুয়ে ভীমক বিছনীৰ সলনি "পাখা" আনিবলৈ কোৱাত ভীমে সুধিলে, "পাখি বোলো কাণ খড়কিয়াবলৈ হবলা?" ই সমসাময়িক অসমীয়া সমাজৰ চিত্ৰও হ'ব পাৰে। সমসাময়িক অসমৰ কথা ভাবিলে বেশ্যাবাৰীৰ বৰ্ণনাও খাপ নোখোৱা যেন লাগে।



মুঠ কথা, যি সময়ত কুসুম কুমাৰী লিখা হৈছিল সেই সময়ৰ অসমীয়া সাহিত্যৰ অৱস্থালৈ চাই কাহিনী, কথোপকথন, বৰ্ণনা পৰিবেশ সৃষ্টি, ভাষা আদিৰ ফালৰ পৰা এইখন এখন ভাল উপন্যাস বুলি কব পাৰি। লেখকৰ কবিত্ব শক্তিও মাজে মাজে ফুটি উঠিছে আৰু ই উপন্যাসক বেছি মোহনীয় কৰিছে। পদ্মনাথ গোহাঞি বৰুৱাৰ দৰে প্ৰায় একে প্ৰাচীন বংশ গৌৰৱৰ ওপৰতে আওজি উপন্যাসখন লিখা হৈছে। বৰুৱাদেৱৰ অকাল বিয়োগত অসমীয়াই এজন উঠি অহা ঔপন্যাসিক হেৰুৱালে।

# পীতাম্বৰ কবি সম্পৰ্কে কেইআষাৰমান

ষোড়শ শতাব্দীৰ অসমীয়া কবিসকলৰ ভিতৰত পীতাম্বৰ কবিৰ নাম বিশেষভাৱে উল্লেখযোগ্য। ভাগৱতৰ দশম স্কন্ধ, মাৰ্কণ্ডেয় চণ্ডী, উষা-পৰিণয় আৰু নল-দময়ন্তীৰ উপাখ্যান এওঁ ৰচনা কৰিছিল। যুৱৰাজ শুক্লধ্বজৰ পৃষ্ঠপোষকতা লাভ কৰি ওপৰুক্ত কাব্য কেইখন ৰচনা কৰে। কেৱল উষা-পৰিণয়ৰ বাহিৰে বাকী কেইখন গ্ৰন্থ কোচবেহাৰ ৰাজকীয় গ্ৰন্থাগাৰত সংৰক্ষিত আছিল আৰু বৰ্ত্তমানে বঙ্গালী সাহিত্যিকসকলে সেই কেইখন গ্ৰন্থ বঙ্গালী সাহিত্যৰ অন্তৰ্ভুক্ত কৰি লৈছে। পীতাম্বৰৰ ৰচিত দশম স্কন্ধ ভাগৱত সম্ভৱতঃ প্ৰাচীনতম অসমীয়া অনুবাদ।

পীতাম্বৰৰ জীৱনী সম্পৰ্কে সবিশেষ বিৱৰণ পোৱা নাযায়। তেওঁ কমতাপুৰৰ বাসিন্দা আছিল আৰু যুৱৰাজ সমৰ সিংহৰ (চিলাৰায়ৰ) অনুগ্ৰহ লাভ কৰিছিল— ইমানেই তেওঁৰ বিষয়ে জনা যায়। ৺পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে সাহিত্যৰ চানেকিত পীতাম্বৰ নামৰ আগত দ্বিজ শব্দটো প্ৰয়োগ কৰিছে। শ্ৰীযুত ডিম্বেশ্বৰ নেওগৰ সাহিত্যৰ বুৰঞ্জীত পীতাম্বৰক দ্বিজ স্বৰূপেই পৰিচয় দিছে। কিন্তু গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰকাশিত Aspects of Early Assamese Literature নামৰ গ্ৰন্থত ডাক্তৰ শ্ৰীমহেশ্বৰ নেওগে পীতাম্বৰ দ্বিজ নাছিল বুলি প্ৰমাণ দিবলৈ চেষ্টা কৰিছে। সেই প্ৰসঙ্গত তেখেতে লেখিছে It seems also to be quite possible that Pitambara was not a 'dvija' but a 'dasa' or non-dvija ( Aspects of Early Assamese Literature, P. 50 ). *

কবি স্বৰূপেহে পীতাম্বৰ আমাৰ ওচৰত পৰিচিত, ব্ৰাহ্মণ বা অব্ৰাহ্মণ বুলি নহয়। তথাপি এই বিষয়ে এজনে এটা নতুন মত যিহেতুকে দাঙি ধৰিছে আৰু যিহেতুকে ছাত্ৰসকলৰ মনত বিপৰ্য্যৰ সৃষ্টি কৰিছে সেই কাৰণে বিষয়টো আলোচনা কৰা প্ৰয়োজন। শ্ৰীযুত নেওগে দুটা যুক্তিৰ ওপৰত-ভেতি কৰি এই মত দাঙি ধৰিছে। (১) পীতাম্বৰে তেওঁৰ অন্যতম গ্ৰন্থ নল-দময়ন্তীত নিজকে দাস বুলি পৰিচয় দিছে, গতিকে পীতাম্বৰ সম্ভৱতঃ দ্বিজ নহয় দাস হে। (২) উষা-পৰিণয়ৰ শেষৰ ফালে থকা "হেন পুণ্যময় কথা ব্ৰাহ্মণে কহিলা। পয়াৰ প্ৰবন্ধে তাক ৰচনা কৰিলা", এই পদটোত উল্লেখিত ব্ৰাহ্মণ পীতাম্বৰ নহয়, অন্য কোনো কথকতা কৰা ব্ৰাহ্মণ, যাৰ মুখৰ পৰা কাহিনীটো শুনি পীতাম্বৰ দাসে পয়াৰত কাব্য ৰচনা কৰিলে।

প্ৰথম যুক্তিটো বৰ দুৰ্ব্বল। প্ৰাচীন কাব্যত প্ৰয়োগ কৰা দাস শব্দটোৱে সকলো সময়তে বৰ্ণ

---

* শ্ৰীযুত নেওগে উষা-পৰিণয়ৰ দ্বিতীয় সংস্কৰণত এই মত বাহাল ৰাখিছে।

নিৰ্দ্দেশ নকৰে। উষা-পৰিণয় কাব্যৰ বিভিন্ন ভণিতাৰ য'তে 'দাস' শব্দটো প্ৰয়োগ কৰিছে তাতে 'হৰিৰ দাস বা গোবিন্দৰ দাস' বুলিহে কৈছে।

তলত 'দাস' শব্দটোৰ প্ৰয়োগ থকা ভণিতাখিনি উদ্ধৃত কৰা হ'ল।

(১) মদনৰ বাণে তনু মোৰ দহে
হৰিৰ দাস পীতাম্বৰে কহে। পদ ১৮২

(২) ভাল মন দূতী তোমাৰ নহে
হৰিৰ দাস পীতাম্বৰে কহে ॥ পদ ৩৫৬

(৩) হৰিবংশ পুণ্যকথা পাপেৰ বিনাশ।
কহে কবি পীতাম্বৰ গোবিন্দৰ দাস ॥ ৪৯০

(৪) আজি বাণাসুৰ হৈব বিনাশ
কহে পীতাম্বৰ হৰিৰ দাস ॥ ৪৯৫

(৫) সকলে দানৱ বাধিবো ৰণে।
হৰিৰ দাস পীতাম্বৰে ভণে ॥ ৫২১

(৬) ৰকত নয়ন কাম্পে সঘনে।
হৰিৰ দাস পীতাম্বৰে ভণে ॥ ১০০৪

হৰি বা গোবিন্দ শব্দ আগত নোহোৱাকৈ কেৱল 'দাস' শব্দটোৰ প্ৰয়োগ উষা-পৰিণয়ৰ ক'তো পোৱা নাযায়। ডাঃ সুকুমাৰ সেনে তেখেতৰ বাঙ্গলা সাহিত্যেৰ ইতিহাসত (২৩২ পৃষ্ঠাত) পীতাম্বৰৰ নল-দময়ন্তী চৰিত্ৰৰ পৰা এটা ভণিতা উদ্ধৃত কৰিছে, য'ত 'দাস' শব্দটোৰ প্ৰয়োগ অলপ পৃথকভাৱে পোৱা যায়। ভণিতাটো এনে—

দময়ন্তী চৰিত্ৰ যেবা শুনে নিত্য, আপদখণ্ডে ততক্ষণে।
বচ্চত সম্প্ৰতি হৰিপদে গতি, দাস পীতাম্বৰে ভণে ॥

এই ভণিতাত যদিও পোনপটীয়াকৈ 'হৰিৰ দাস' বুলি কোৱা নাই, তথাপি যে একে অৰ্থ জ্ঞাপক সেই বিষয়ে সন্দেহ নাই। গতিকে 'দাস' শব্দটোৱে পীতাম্বৰৰ বৰ্ণ বা জাতিৰ পৰিচয় দিয়া নাই, বৰং তেওঁৰ বৈষ্ণৱ-সুলভ দাস্যভাৱহে জ্ঞাপন কৰিছে।

দ্বিতীয় যুক্তিটো অলপ বহলাই আলোচনা কৰা দৰকাৰ। উষা-পৰিণয় নামৰ কাব্যখনৰ শেষত কবিয়ে এইদৰে লেখিছে :

হেন পুণ্যময় কথা ব্ৰাহ্মণে কহিলা।
পয়াৰ প্ৰবন্ধে তাক ৰচনা কৰিলা ॥
প্ৰচুৰ কতেক অৰ্থ ৰচিলো সংক্ষেপে।
আৰ কথা দিলো তাত ৰস অনুৰূপে ॥

ওপৰোক্ত পদটোৰ প্ৰথম আৰু দ্বিতীয় চৰণৰ ক্ৰিয়া তৃতীয় পুৰুষত আছে কিন্তু তৃতীয় আৰু চতুৰ্থ চৰণৰ ক্ৰিয়া উত্তম পুৰুষত পোৱা যায়। ইয়াৰ পৰা শ্ৰীযুত নেওগে অনুমান কৰিছে যে প্ৰথম আৰু দ্বিতীয় চৰণৰ ক্ৰিয়াৰ কৰ্ত্তা আৰু তৃতীয় আৰু চতুৰ্থ চৰণৰ ক্ৰিয়াৰ কৰ্ত্তা বেলেগ। পদটোৰ প্ৰথমাৰ্দ্ধই কোনো কথক ব্ৰাহ্মণক নিৰ্দ্দেশ কৰিছে আৰু দ্বিতীয়াৰ্দ্ধই কৱিক (পীতাম্বৰক) নিৰ্দ্দেশ কৰিছে বুলি তেখেতে অনুমান কৰিছে। তেখেতৰ মতে প্ৰথম চৰণত থকা ব্ৰাহ্মণ শব্দটো পীতাম্বৰৰ বিশেষণ নহয়, আন কোনোবা এজন, যিজনৰ কথকতা শুনি পীতাম্বৰ কবিয়ে কিছু সংক্ষেপ কৰি আৰু কিছু নিজৰ কথা লগলগাই উষা-পৰিণয় ৰচনা কৰিলে।

ওপৰৰ কথাখিনি স্বীকাৰ কৰি লোৱাত বহুতো বাধা আছে। উক্ত কথা মানি ললে এই কথা বুজি লব লাগিব যে পীতাম্বৰে সংস্কৃত হৰিবংশৰ পৰা অনুবাদ কৰা নাই, কথকতাত শুনা আখ্যানটোকেই কাব্যত পৰিণত কৰিছে। কিন্তু উষা-পৰিণয়ৰ বেছিভাগ বৰ্ণনাই হৰিবংশৰ স্পষ্ট অনুবাদ, লোকৰ পৰা শুনি লেখা কথা হবই নোৱাৰে। তাৰ উপৰিও তেওঁৰ সংস্কৃতত যথেষ্ট ব্যুৎপত্তি থকাৰ প্ৰমাণ কাব্যখনে দিয়ে। গতিকে তেওঁ আনে কোৱা আখ্যানৰ ওপৰত নিৰ্ভৰ কৰিব লগা হোৱা নাছিল। কুমাৰ সমৰ সিংহই সংস্কৃত নজনা হলে কাব্য অনুবাদ কৰিবলৈ কিয় কব? পীতাম্বৰে মাৰ্কণ্ডেয় চণ্ডীত স্পষ্টভাৱে ঘোষণা কৰিছে :

"পুৰাণাদি শাস্ত্ৰে যেহি ৰহস্য আছয়
পণ্ডিতে বুজয় মাত্ৰ অন্যে নবুজয় ॥
একাৰণে শ্লোক ভাঙ্গি সবে বুজিবাৰ
নিজ দেশ ভাষা বন্ধে ৰচিবো পয়াৰ ॥
যেমনে যুৱৰাজে আজ্ঞা কৈলা মোৰে
যাৰ আজ্ঞা অন্য অন্য ৰাজা ধৰে শিৰে ॥



তাহাৰ আদেশে আমি স্থিৰ কৰি মন
বিশেষ ভৱানী কথা কৰি বিৰচন ॥

ওপৰত উদ্ধৃত কৰা অংশৰ পৰা এইটো সহজে বুজিব পাৰি যে যুৱৰাজে তেওঁক সংস্কৃতজ্ঞ বুলিয়েই অনুবাদ কৰিবলৈ কৈছিলে, আৰু তেওঁ সেই আদেশ যথাসাধ্য পালন কৰিছিল। গতিকে কথক ব্ৰাহ্মণৰ ওচৰ চাপিবৰ তেওঁৰ প্ৰয়োজন নাছিল।

শ্ৰীযুত নেওগৰ সিদ্ধান্ত মানি ললে আৰু এটা সমস্যাৰ সমাধান কৰিবলৈ টান হয়। "হেন পুণ্যময় কথা ব্ৰাহ্মণে কহিলা। পয়াৰ প্ৰবন্ধে তাক ৰচনা কৰিলা ॥" 'পয়াৰ প্ৰবন্ধে' কোনে ৰচনা কৰিলে? ব্ৰাহ্মণে ৰচনা কৰিলেনে পীতাম্বৰে কৰিলে? যদি ব্ৰাহ্মণে কৰিছিল তেন্তে পীতাম্বৰৰ উষা-পৰিণয়খন মৌলিক কাব্য নহয়। কিন্তু এই সিদ্ধান্ত বিশ্বাস যোগ্য নহয়, প্ৰাচীন সংস্কৃতজ্ঞ কবিসকলে এনে কৰাৰ উদাহৰণ বিৰল আৰু কৰা হলেও ৰচকৰ নাম নিশ্চয় ললেহেঁতেন, কেৱল "এজন ব্ৰাহ্মণে ৰচনা কৰা" বুলি পাল মাৰি নথলেহেঁতেন। অনন্ত কন্দলীয়ে মাধৱ কন্দলীৰ ৰামায়ণৰ ওপৰত ভেটি কৰি এখন ৰচনা কৰিছিল, কিন্তু মাধৱ কন্দলীৰ নাম লবলৈ পাহৰা নাই।

শ্ৰীযুত নেওগে আকৌ কৈছে যে ভণিতাটোৰ তৃতীয় আৰু চতুৰ্থ চৰণ কোনো কোনো পাঠত পোৱা নাযায়, কেৱল ৺নিভাষা ৰাম দাসে প্ৰকাশ কৰা পাঠটোতহে আছে। যদি সেই দুটা চৰণ প্ৰক্ষিপ্ত বুলি ধৰা হয়, তেন্তে প্ৰথম আৰু দ্বিতীয় চৰণে যে পীতাম্বৰকে বুজাইছে সেইটো সহজেই ধৰিব পাৰি। প্ৰাচীন কাব্যবোৰ ৰচনা কৰা হৈছিল সমাজত পাঠ কৰিবৰ কাৰণে, গতিকে কৱিসকলে ৰচনা কৰি সামাজিকক পাঠ কৰি শুনাইছিল; পীতাম্বৰেও সেইদৰে সমাজত পাঠ কৰিছিল। আমি জানো মহাপুৰুষৰ কীৰ্ত্তন আদিত নাপাওঁ "শঙ্কৰে কহিলা ডাকি বোলা ৰাম ৰাম?" ক্ৰিয়া তৃতীয় পুৰুষত থাকিলেই অন্য এজন ব্যক্তি বুলি ধৰি লব নোৱাৰি।

মাৰ্কণ্ডেয় চণ্ডীৰ দৰে পুথি অনুবাদ কৰিবলৈ যি সাহস কৰিব পাৰে, কোনো আহি নোহোৱাকৈ যি ভাগৱতৰ দশম স্কন্ধ অনুবাদ কৰিবলৈ যিজন সক্ষম হৈছে, সেইজন কবিয়ে আকৌ কথক ব্ৰাহ্মণৰ পৰা আখ্যান লৈ উষা-পৰিণয় ৰচনা কৰা বুলি কবলৈ যোৱাতো বৰ যুক্তিপূৰ্ণ হোৱা নাই যেন লাগে।

শেষত আমাৰ কবলগীয়া এইটোৱেই যে পীতাম্বৰ ব্ৰাহ্মণ নে অব্ৰাহ্মণ সেইটো অবান্তৰ কথা, আমাৰ দৃষ্টিত তেওঁ কৱিহে।

---

# কেইটামান স্মৰণীয় দিন

## অধ্যাপক শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকা

বীৰপূজা জীয়া জাতিৰ লক্ষণ। আনৰ কথা কৰই নেলাগে আমাৰ ওচৰ চুবুৰীয়া বঙ্গদেশ এই বিষয়ত আগৰণুৱা। দেশৰ বীৰ, বীৰাঙ্গনা, সাহিত্যিক, শিল্পী, দেশসেৱক সকলোৱে প্ৰতি তেওঁলোকে নিৰ্দ্দিষ্ট দিনত শ্ৰদ্ধা তৰ্পণ নিবেদন কৰে। তেওঁলোকৰ কীৰ্ত্তি কলাপৰ বিষয়ে আলোচনা কৰে। আনকি কলিকতা অনাতাঁৰ কেন্দ্ৰই দুৰ্গা পূজাৰ নিচিনা সেই দেশৰ জাতীয় উৎসৱৰ সমূহ কাৰ্য্যসূচীৰ মাজতো চৌতে থৰ মাৰি বঙ্গালী সাহিত্যিকৰ শ্ৰদ্ধা তৰ্পণৰ কাৰণে অলপ সময় উলিয়াবলৈ কৃপনালি নকৰে। দুখৰ বিষয় আমি অসমীয়াবিলাক

এই বিষয়ত বৰ পাছ পৰি আছো। এতিয়াও আমাৰ দেশৰ স্বৰ্গগত গুণী-জ্ঞানী লোকসকলক যথাযথভাৱে সুঁৱৰিবলৈ আমি শিকা নাই। আমাৰ দেশৰ অনেক কৃতিৱন্ত পুৰুষৰ ভৱিৰ খোজ সময় বালিত একেবাৰে মচখাই নাইকীয়া হৈ গৈছে এইটো বৰ পৰিতাপৰ বিষয়। অতীজত আমি কিন্তু আমি আমাৰ পূৰ্ব্ব পুৰুষসকলৰ প্ৰতি এনে অকৃতজ্ঞ নাছিলো। মহাপুৰুষ ধৰ্ম্মগুৰুসকলৰ আজিলৈকে তিথি পালনেই তাৰ প্ৰমাণ।

আজি কেইবছৰমানৰ পৰা অসম সাহিত্য সভাই অসমীয়া সাহিত্যিকসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিবলৈ প্ৰয়াস কৰা দেখা গৈছে, এইটো নিশ্চয় ভাল কথা। আমাৰ সাহিত্যিকসকল কেতিয়া কোন স্বৰ্গী হৈছিল সেই বিষয়ে কোনো নিৰ্দ্দিষ্ট তালিকা নথকাত সাহিত্য সভাৰ শাখাবিলাকে ইচ্ছা থকা স্বত্বেও এনেবোৰ তিথি পালন কৰিব নোৱাৰা কথা আমি গম পাওঁ। সেই আহকাল গুচাবলৈকে আমি বহু চেষ্টা কৰি এনে স্মৰণীয় দিন কিছুমান গোটাবলৈ যত্ন কৰিছিলো। তলত সেই তালিকাখনিকে আমাৰ সভাবিলাকৰ অৱগতিৰ অৰ্থে প্ৰকাশ কৰা হল। আমি মানি লৈছো যে এই তালিকা অসম্পূৰ্ণ আৰু কোনো ঠাইত ভুল ভ্ৰান্তিও থাকিব পাৰে। বহু চেষ্টা কৰিও ডক্টৰ মফিদুল ইচলাম বৰা আৰু গণেশ হাজৰিকা আদি কৰি দুই চাৰিজনৰ মৃত্যু দিনৰ সম্বেদ পোৱা নগল। এই বিষয়ে কোনোবাই আমাক জনালে ভৱিষ্যতে কামত লগাব পৰা হব। ইয়াত কেৱল থাইকৈ সাহিত্যিক আৰু সংস্কৃতিৰ গুৰি ধৰোতাসকলৰ তিথিৰ দিনহে অন্তৰ্ভুক্ত কৰা হৈছে। কিছুমানে এই দিনবোৰ ইংৰাজী তাৰিখ হিচাপে আৰু কিছুমানে অসমীয়া মাহৰ তিথি হিচাপে পালন কৰে। সেই কাৰণে আমি পাৰিলে দুয়োটাকে আৰু নোৱাৰিলে কেৱল তিথি বা ইংৰাজী দিনটোকে দিবলৈ যত্ন কৰিছো। ৰহা-টুটা দোষ মাৰ্জ্জনীয়।

### বহাগ

দামোদৰদেৱ—শুক্লা প্ৰতিপদ, ১৫০৯ শক।
আভিধানিক হেমচন্দ্ৰ বৰুৱা—২০ এপ্ৰিল, ১৮৯৬ চন।
লম্বোদৰ বৰা—১২ এপ্ৰিল, ১৮৯২ চন।
পণ্ডিত হেমচন্দ্ৰ গোস্বামী—শুক্লা ত্ৰয়োদশী, ২ মেই, ১৯২৮ চন।
পদ্মনাথ গোহাঞি বৰুৱা—কৃষ্ণাপঞ্চমী, ২১ এপ্ৰিল, ১৯৪৬ চন (?)
দণ্ডিনাথ কলিতা—কৃষ্ণাষ্টমী, ১৫ মেই, ১৯৫৫ চন।
লক্ষীধৰ শৰ্ম্মা—৩ মেই, ১৯৪৩ চন।
বিদুষী সুধালতা দুৱৰা—৫ মেই, ১৯২৮ চন।
সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী—১০ মেই, ১৯৪৬ চন।

### জেঠ

হৰিদেৱ—আউসী, জেঠ ১৫৫৫ শক।
দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা—২৯ মেই, ১৯২৮।
সদাগৰ ভোলানাথ বৰুৱা—৩০ মেই, ১৯২৩।

### আহাৰ

আনন্দৰাম ঢেকিয়াল ফুকন—কৃষ্ণা প্ৰতিপদ, ১৬ জুন ১৮৫৯ চন।
ভোলানাথ দাস—২ জুলাই, ১৯২৯ চন।
বেণুধৰ ৰাজখোৱা—শুক্লা তৃতীয়া তিথি, ২২ জুন ১৯৫৫ চন।

### শাওণ

দেশভক্ত তৰুণৰাম ফুকন—শুক্লা ত্ৰয়োদশী ২৮ জুলাই, ১৯৩৯ চন।
চন্দ্ৰনাথ শৰ্ম্মা—কৃষ্ণ একাদশী, ২১ জুলাই, ১৯২২ চন।
হিতেশ্বৰ বৰবৰুৱা—২৮ জুলাই, ১৯৩৯ চন।
ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা—শুক্লা দ্বিতীয়া, ১১ আগষ্ট, ১৯৪৫ চন।
লোকপ্ৰিয় গোপীনাথ বৰদলৈ—কৃষ্ণাষ্টমী, ৫ আগষ্ট, ১৯৫০ চন।
উমেশ চন্দ্ৰ চৌধাৰী—শুক্লা দ্বিতীয়া ১১ আগষ্ট, ১৯৫৩ চন।

### ভাদ

মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ—শুক্লা দ্বিতীয়া, ১৪৯০ শক।
মহাপুৰুষ মাধৱদেৱ—কৃষ্ণা পঞ্চমী, ১৫১৮ শক।
গণেশ গগৈ—২১ আগষ্ট, ১৯৩৮ চন।
ভ্ৰমৰ শইকীয়া—২৬ আগষ্ট, ১৯৪৪ চন।
মাণিকচন্দ্ৰ বৰুৱা—৭ চেপ্তেম্বৰ, ১৯১৫ চন।



### আহিন

মধুৰাদাস বুঢ়া আতা—কৃষ্ণা চতুৰ্থী।
মাধৱচন্দ্ৰ বেজবৰুৱা—১০ অক্টোবৰ, ১৯৪৩ চন।

### কাতি

জমিদাৰ নগেন্দ্ৰ নাৰায়ণ চৌধুৰী—১৩ নবেম্বৰ, ১৯৪৭ চন।
ডক্টৰ বাণীকান্ত কাকতী—১৫ নবেম্বৰ, ১৯৫২ চন।

### আঘোণ

সত্যনাথ বৰা—কৃষ্ণাচতুৰ্দ্দশী, ১৩ ডিচেম্বৰ ১৯২৫ চন।
অমৃতভূষণ দেৱ অধিকাৰী—শুক্লা দ্বিতীয়া, ২৭ নবেম্বৰ ১৯৩৬ চন।
কমলাকান্ত ভট্টাচাৰ্য্য—১৪ ডিচেম্বৰ, ১৯৩৬ চন।
সোণাৰাম চৌধুৰী—২ ডিচেম্বৰ, ১৯৪২ চন।

### পুহ

ভট্টদেৱ—কৃষ্ণা সপ্তমী।
কণকলাল বৰুৱা—কৃষ্ণা চতুৰ্দ্দশী, ৮ জানুৱাৰী ১৯৪০ চন।
শৰৎচন্দ্ৰ গোস্বামী—শুক্লা পঞ্চমী, ৯ জানুৱাৰী।
কমলানন্দ ভট্টাচাৰ্য্য—কৃষ্ণা একাদশী, ৪ জানুৱাৰী, ১৯৫১ চন।

### মাঘ

ৰমাকান্ত চৌধাৰী—শ্ৰীপঞ্চমী বা শুক্লাপঞ্চমী।
আনন্দৰাম বৰুৱা—১৯ জানুৱাৰী, ১৮৮৯ চন।
কালিৰাম মেধি—কৃষ্ণা পঞ্চমী, ২৪ জানুৱাৰী, ১৯৫৪ চন।
জ্যোতিপ্ৰসাদ আগৰৱালা—১৭ জানুৱাৰী, ১৯৫১ চন।
জ্ঞানদাভিৰাম বৰুৱা—শুক্লা চতুৰ্থী, ২৭ জানুৱাৰী ১৯৫৫ চন।

### ফাগুন

মণিৰাম দেৱান—শুক্লা চতুৰ্দ্দশী, ২৬ ফেব্ৰুৱাৰী ১৮৫৮ চন।
কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈ—কৃষ্ণানৱমী, ২৬ ফেব্ৰুৱাৰী ১৯৩৬ চন।
চন্দ্ৰকুমাৰ আগৰৱালা—২ মাৰ্চ্চ, ১৯৩৮ চন।
ৰাধাকান্ত সন্দিকৈ—২৬ জানুৱাৰী, ১৯৫২ চন।
কীৰ্ত্তিনাথ শৰ্ম্মা বৰদলৈ—শিৱ চতুৰ্দ্দশী, ২৩ ফেব্ৰুৱাৰী ১৯৫২ চন।
ৰজনীকুমাৰ পদ্মাপতি—কৃষ্ণানৱমী, ৩ মাৰ্চ্চ ১৯৪৮ চন।

### চ'ত

সতী জয়মতী—শুক্লা একাদশী।
গুণাভিৰাম বৰুৱা—২৫ মাৰ্চ্চ, ১৮৯৪ চন।
লক্ষ্মীনাথ বেজবৰুৱা—২৬ মাৰ্চ্চ, ১৯৩৮ চন।
লক্ষ্মীৰাম বৰুৱা—কৃষ্ণা চতুৰ্থী, ১৫ মাৰ্চ্চ, ১৯১৪ চন।
ৰজনীকান্ত বৰদলৈ—২৫ মাৰ্চ্চ, ১৯৪০ চন।

# তিনিচুকীয়াত অসম সাহিত্য সভাৰ ষষ্ঠবিংশ অধিবেশনৰ বিৱৰণ

প্ৰধান সম্পাদক

উজনি অসমৰ গুৰুত্বপূৰ্ণ ব্যৱসায় প্ৰধান তিনিচুকীয়া চহৰত অসম সাহিত্য সভাৰ ষষ্ঠবিংশ অধিবেশন বিশেষ সমাৰোহেৰে আৰম্ভ হয়। কেবাদিনৰ আগৰ পৰাই তিনিচুকীয়া চহৰত আৰু তাৰ ওচৰ চুবুৰীয়া অঞ্চলত ব্যস্ততাৰ ভাব দেখিবলৈ পোৱা যায়। সভাৰ নিমিত্তে কচুজান ময়দানত এটি সুসজ্জিত বিৰাট মণ্ডপ নিৰ্ম্মাণ কৰা হয়। মণ্ডপৰ এমূৰত পতা মঞ্চই সাজ সজ্জাৰে চিত্তাকৰ্ষক হৈছিল। ৰেহালগাই থোৱা ভূতপূৰ্ব্ব সভাপতিসকল আৰু অন্যান্য দেশ সেৱক সকলৰ ছবিবিলাকে ইয়াৰ গাম্ভীৰ্য্য বঢ়াই তুলিছিল।

সভামণ্ডপৰ চাৰিও পিনে বেৰি থকা বৃত্তাকাৰ ৰভাত প্ৰদৰ্শনী পতা হয়। প্ৰদৰ্শনীৰ ওলোৱা সোমোৱা তোৰণ আৰু মূল মণ্ডপৰ চকুত লগা বিৰাট তোৰণ নতুন ধৰণেৰেই সজোৱা হৈছিল। দৰ্শক, প্ৰতিনিধি আৰু মহিলাসকলৰ নিমিত্তে বেলেগে বেলেগে বহাৰ বন্দবস্ত কৰাত, বহামেলাৰ কোনো অসুবিধা হোৱা নাই।

স্থানীয় হাইস্কুল কলেজ আদিৰ ছাত্ৰ আৰু অন্যান্য কাৰ্যাত ব্ৰতী হৈ থকা ডেকা-গাভৰু আৰু ছাত্ৰ-ছাত্ৰী সকলে সভা-সংশ্লিষ্ট সকলো কাৰ্য্য সুচাৰুৰূপে পৰিচালনা কৰে। স্থানীয় হাইস্কুল আৰু আশেপাশে থকা অন্যান্য ঘৰত প্ৰতিনিধিসকলক থাকিবলৈ দিয়া হৈছিল। মুঠতে উদ্যোক্তাসকলে সভাৰ কাৰ্য্য সুপ্ৰতুলভাৱে চলাবৰ নিমিত্তে যতদূৰ সম্ভৱ চেষ্টা কৰিছিল আৰু এই উদ্যোগ আগেয়ে হৈ যোৱা অধিবেশন বিলাকতকৈ কোনো গুণে পিছ পৰা নাছিল।

১৮ এপ্ৰিলৰ পৰাই প্ৰতিনিধি শিবিৰ মুকলি কৰা হয়। সেইদিনাই ভালেখিনি প্ৰতিনিধিৰ উপস্থিতিত তিনিচুকীয়া নগৰ উৎসৱমুখৰিত হৈ পৰে। ১৮ এপ্ৰিলৰ দিনা দুপৰৰ পৰা কাৰ্য্যনিৰ্ব্বাহক সভাৰ অধিবেশন বহে। শ্ৰীযুত বেণুধৰ শৰ্ম্মাদেৱে সভাপতিৰ আসন গ্ৰহণ কৰে। একেৰাহে প্ৰায় আঠ ঘণ্টা কাৰ্য্য নিৰ্ব্বাহক সভা বহে। সভাত যোৱা ১৫ মাৰ্চ্চত শিলচৰত বহা কাৰ্য্য নিৰ্ব্বাহক সভাৰ কাৰ্য্য বিৱৰণী পাঠ কৰি গৃহীত কৰা হয়। তাৰ পিচত সম্পাদকে বছেৰেকীয়া প্ৰতিবেদন পাঠ কৰে। যথেষ্ট সময় আলোচনা কৰাৰ পিচত, দুই চাৰি সামান্য সংশোধনৰ সৈতে প্ৰতিবেদন গৃহীত কৰা হয়। ইয়াৰ পিছত প্ৰস্তাৱবিলাক পৰীক্ষা কৰি, আলোচনাৰ নিমিত্তে বিষয় বাছনি সভালৈ থোৱা হয়।

## বিষয় বাছনী সভা

অসম সাহিত্য সভাৰ ষষ্ঠবিংশ অধিবেশনৰ বিষয় বাছনি সভা পুৱা চেনাইৰাম উচ্চ ইংৰাজী বিদ্যালয়ত আৰম্ভ হয়। শ্ৰীঅতুল চন্দ্ৰ হাজৰিকাৰ প্ৰস্তাৱ আৰু শ্ৰীমিত্ৰদেৱ মহন্তদেৱৰ সমৰ্থন ক্ৰমে শ্ৰীপদ্মধৰ চলিহাদেৱে সভাপতিৰ আসন গ্ৰহণ কৰে। তেখেতৰ শাৰীৰিক অসুস্থতাৰ নিমিত্তে শ্ৰীঅতুল চন্দ্ৰ হাজৰিকাই সভাপতিৰ হৈ সভাৰ কাম চলায়। প্ৰায় তিনিশমান প্ৰতিনিধিয়ে বিষয় বাছনি সভাত যোগ দিয়ে। এইসকলৰ ভিতৰত শ্ৰীনীলমণি ফুকন, শ্ৰীমহাদেৱ শৰ্ম্মা, শ্ৰীৰাজমোহন নাথ, শ্ৰীগোলোক চন্দ্ৰ বৰুৱা আদি প্ৰবীণ লোকসকলকো দেখা গৈছিল।

আৰম্ভতে কাৰ্য্য নিৰ্ব্বাহক সভাৰ সভ্যসকল আৰু সমবেত প্ৰতিনিধি সকলক চা-চিনাকি কৰি দিয়া হয়। প্ৰথমতেই সম্পাদকে প্ৰতিবেদন পাঠ কৰে। প্ৰতিবেদনখন ছোৱা ছোৱাকৈ আলোচনা কৰি মাজে মাজে দুই চাৰি সামান্য ধৰণৰ সংশোধনেৰে সৈতে গৃহীত কৰা হয়। এই প্ৰসঙ্গত কলিকতাত কিতাপ ছপোৱাৰ খৰচ পাতি আদিৰ বিষয় বিশেষ ৰূপে আলোচনা হয়। কোনো কোনো বিশেষ আৱশ্যকীয় অঞ্চলত শাখা সভা নোহোৱাত সভাই দুখ প্ৰকাশ কৰে আৰু সেই সেই অঞ্চলৰ সুধী সমাজলৈ শাখা সভা প্ৰতিষ্ঠাৰ অনুৰোধ জনায়। গোৱালপাৰা জিলাত ধুপধৰাৰ দৰে ৰেছিকৈ শাখা সভা গঠন কৰিবৰ নিমিত্তে, যত্নপৰ হবলৈ সেই অঞ্চলৰ কাৰ্য্যনিৰ্ব্বাহক সভাৰ সভ্যসকলক আৰু সাহিত্য সভাৰ বিষয়ববীয়াসকলক বিশেষ চেষ্টা কৰিবলৈ কোৱা হয়। অসমৰ বাহিৰতো অসমীয়া লোকৰ মাজত শাখা বা স্বীকৃতি সভা গঠন, নতুনকৈ অসমত বসতি কৰিবলৈ অহা লোকৰ মাজত অসমীয়া ভাষা-সাহিত্য প্ৰচাৰ আদিৰ কাৰণে বিশেষ তৎপৰ হবলৈ শ্ৰীপ্ৰফুল্ল দত্তই পৰামৰ্শ আগবঢ়াই আৰু এই বিষয়ে বিশদ আলোচনা কৰা হয়। পুথি বেচাৰ বিষয়ত ভাষণাৱলী আদিৰ মূল্য কমাই দিয়াৰ পৰামৰ্শও আগবঢ়োৱা হয়। শ্ৰীৰাজমোহন নাথ মহোদয়ে অসম সাহিত্য সভা পত্ৰিকাখন এখন শ্ৰেষ্ঠ পত্ৰিকা বুলি কৈ ইয়াৰ উত্তৰোত্তৰ উন্নতি কামনা কৰে। পত্ৰিকাৰ আলোচনা চমু কৰি, এই বিষয়ৰ অন্যান্য আঁচনি লিখিত ভাৱে দিবলৈ সভাপতিয়ে অনুৰোধ কৰে।

বিষয় বাছনি সভাৰ কাম একে বেলাতে শেষ



নোহোৱাত পুৱা গধুলি দুয়ো দিনেই বহি সকলো কাম শেষ কৰিব লগীয়া হয়। সংশোধনৰ নিমিত্তে অহা নিয়মাৱলী পৰীক্ষা কৰি চাই এখন প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ এখন উপসমিতিক ভাৰ দিয়ে। সেই দৰে মুকলি সভাত উপস্থাপিত কৰিবলৈ গ্ৰহণ কৰা প্ৰস্তাৱবিলাক নিয়ম মতে লিখি সাজু কৰিবলৈও দিয়া হয়। অহা বছৰৰ নিমিত্তে বিষয়ববীয়াসকল নিৰ্ব্বাচন কৰাৰ পিচত বিষয় বাছনি সভাৰ কাম শেষ কৰা হয়। সভাপতি দেৱে, বিশেষ সময় খৰচ নোহোৱাকৈ নিয়ম মতে আৰু সুচাৰুৰূপে সভাৰ কাম সমাধা হোৱাত সন্তোষ প্ৰকাশ কৰে।

## প্ৰদৰ্শনী

সাহিত্য সভাৰ আলমত পতা প্ৰদৰ্শনী খনি চকুত লগা ধৰণৰ হৈছিল। চৰ্কাৰৰ প্ৰায় বিভাগ বিলাকৰ উপৰিও আন আন প্ৰদৰ্শিত বস্তুৱে ৰাইজৰ মন আকৰ্ষণ কৰিছিল। পুৰণি পুথি আৰু পুৰণি সাজ সৰঞ্জামৰ বস্তু বিলাকৰ প্ৰতি ৰাইজৰ বিশেষ আগ্ৰহ দেখা গৈছিল। ১৯ তাৰিখে পুৱাবেলাতে বিত্তমন্ত্ৰী শ্ৰীদেৱেশ্বৰ শৰ্ম্মাই প্ৰদৰ্শনী উদ্বোধন কৰে। প্ৰদৰ্শনীৰ তোৰণত সমবেত হোৱা ৰাইজক সম্বোধন কৰি শৰ্ম্মাদেৱে প্ৰদৰ্শনীৰ আৱশ্যকতা আৰু ইয়াৰ দ্বাৰা খাদ্য, বস্ত্ৰ, স্বাস্থ্য, সংস্কৃতি আদিৰ কেনেকৈ উন্নতি হব পাৰে তাক বহলাই কয়। তেখেতে তিনিচুকীয়া চহৰৰ ক্ৰমবৰ্দ্ধমান উন্নত অৱস্থাৰ উচ্চ প্ৰশংসা কৰে আৰু প্ৰদৰ্শনীৰ উদ্যোক্তা সকলক আৰু প্ৰদৰ্শক সকলক ওলগ জনায়। প্ৰদৰ্শনীৰ বেহা লগা সুন্দৰ পৰিচালনাৰ নিমিত্তে স্থানীয় স্কুল কলেজৰ ছাত্ৰ ছাত্ৰী আৰু তিনিচুকীয়াৰ নানা বিষয়ত থকা ডেকা কৰ্ম্মচাৰী সকল শলাগৰ পাত্ৰ।

## মূল সভা

২০ এপ্ৰিল দেওবাৰে সমবেত সঙ্গীত আৰু মঙ্গলাচৰণেৰে সৈতে মূল সভাৰ কাৰ্য্য আৰম্ভ হয়। এটি সমদলে সভাপতিক সভা মণ্ডপলৈ শোভা যাত্ৰা কৰি লৈ আহে। অসমৰ সকলো ঠাইৰ পৰা অহা প্ৰতিনিধি সকলৰ বাহিৰেও স্থানীয় আৰু দূৰ দূৰণিৰ পৰা অহা দৰ্শক সকলেৰে বিৰাট সভামণ্ডপ ভৰি পৰে। অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সভাপতি শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী মহোদয়ে সভা উদ্বোধন কৰি এটি চমু অথচ সাৰুৱা বক্তৃতাৰে দেশৰ আৰু জাতিৰ উন্নতিৰ নিমিত্তে সুস্থ আৰু সবল সাহিত্যৰ আৱশ্যকতা, আমাৰ অসমীয়া সাহিত্যিক সকলৰ সাহিত্য চৰ্চ্চা কৰাৰ অসুবিধা বিলাক ফঁহিয়াই দেখুৱাই তাৰ নিবাৰকৰণৰ নিমিত্তে চৰ্কাৰ আৰু ৰাইজৰ কৰ্ত্তব্যৰ বিষয়ে আঙুলিয়াই দিয়ে। অসম সাহিত্য সভাই অসমৰ সকলো অঞ্চলতে অসমীয়া ভাষা আৰু সাহিত্য প্ৰচাৰৰ নিমিত্তে কৰা চেষ্টাৰ শলাগ লৈ চৌধুৰী দেৱে সভা উদ্বোধন কৰা হল বুলি ঘোষণা কৰে। আনুষ্ঠানিক ভাৱে শ্ৰীযুত পদ্মধৰ চলিহা ডাঙৰীয়াক সভাপতি নিৰ্ব্বাচন কৰাৰ পিচত, অভ্যৰ্থনা সমিতিৰ কাৰ্য্যকৰী সভাপতি শ্ৰীযদুনাথ ভঞা মহোদয়ে আদৰণী অভিভাষণ পাঠ কৰি, তিনিচুকীয়াৰ বুৰঞ্জী, বৰ্ত্তমান ইয়াৰ অৱস্থা, সাহিত্য সভাৰ উদ্যোগ আৰু নতুন পুৰণি সকলো অসমীয়াৰ সহায় সাৰথিৰ বিষয় উনুকীয়াই সকলোকে আদৰ সম্ভাষণ জনায়। প্ৰধান সম্পাদক শ্ৰীপৰাগধৰ চলিহাই, সভালৈ নিমন্ত্ৰণ কৰা, সভাত যোগ দিব নোৱাৰা লোক সকলে, সাহিত্য সভাৰ সৰ্ব্বতো ভাৱে উন্নতি কামনা কৰি দিয়া চিঠি-পত্ৰ পাঠ কৰে। ৰাইজৰ হৰ্ষধ্বনিৰ মাজত সভাপতি শ্ৰীপদ্মধৰ চলিহা ডাঙৰীয়াই তেখেতৰ সুদীৰ্ঘ অভিভাষণ পাঠ কৰে। তেখেতে অভিভাষণত অসমীয়া ভাষা-সাহিত্যৰ অতীত, বৰ্ত্তমান আৰু ভৱিষ্যতৰ বিষয় বিশদ ভাৱে আলোচনা কৰে। আলোচনা প্ৰসঙ্গত, তেখেতে অসমীয়া ভাষাক অসমৰ ৰাজ্যিক ভাষা হিচাপে ঘোষণা কৰাৰ দাবী জনায়। নেফাত হিন্দীক বাধ্যতামূলক হিচাপে ৰাখিও অসমীয়া ভাষাক আগৰ দৰেই শিক্ষাৰ মাধ্যম কৰি ৰখাটো নিতান্ত আৱশ্যক বুলি কয়। পুথি বছা সমিতিৰ সংস্কাৰ সাধন, প্ৰত্যেক মজলীয়া আৰু উচ্চ মাধ্যমিক স্কুলত পুথি ভঁৰাল স্থাপন, চন্দ্ৰকান্ত অভিধানৰ নতুন সংস্কৰণ প্ৰণয়ন আদিৰ বিষয়েও তেখেতে উল্লেখ কৰে।

সময় বেছি হৈ যোৱাত সেইদিনা সম্পাদকৰ প্ৰতি-

বেদন পাঠ কৰিব পৰা নহল। সভাৰ কাৰ্য্যবিলাকৰ মাজে মাজে দিয়া গীত আৰু আবৃত্তিয়ে শ্ৰোতাসকলক বাইজক সন্তোষ দিব পাৰিছিল।

## আলোচনা চক্ৰ

মুকলি সভাৰ অলপ পিছতেই আলোচনা চক্ৰ আৰম্ভ হয়। শ্ৰীলীলা গগৈৰ প্ৰস্তাৱ আৰু শ্ৰীযদুনাথ ভূঞাৰ সমৰ্থন ক্ৰমে ন্যায়াধীশ শ্ৰীহলিৰাম ডেকা দেৱে সভাপতিৰ আসন গ্ৰহণ কৰে। প্ৰধান সম্পাদক শ্ৰীপৰাগধৰ চলিহাই আলোচনা চক্ৰৰ উদ্দেশ্য ব্যাখ্যা কৰে। সভাপতি দেৱে সহজ আৰু সৰল ভাৱে, তেখেতৰ ভাষণত আলোচনা চক্ৰৰ আৱশ্যকতা, সাহিত্য সংস্কৃতিৰ বিশ্লেষণ দাঙি ধৰে। ইয়াৰ পিচত আলোচনা চক্ৰৰ কাম আৰম্ভ হয়। শ্ৰীমিত্ৰদেৱ মহন্ত আৰু শ্ৰীঅতুল চন্দ্ৰ হাজৰিকাই নাটকৰ বিষয় বক্তৃতা দিয়ে। চুটি গল্পৰ বিষয় আলোচনা কৰে শ্ৰীচন্দ্ৰ প্ৰসাদ শইকীয়া আৰু শ্ৰীনকুল চন্দ্ৰ ভূঞাই। কবিতাৰ আলোচনাত ভাগ লয় শ্ৰীঅম্বেশ্বৰ চেতিয়া ফুকন আৰু শ্ৰীনিৰ্ম্মল প্ৰভা বৰদলৈয়ে। এই প্ৰসঙ্গত শ্ৰীচেতিয়া ফুকনে স্বৰচিত এটি দীঘলীয়া কবিতা আবৃত্তি কৰি শুনায়।

উপন্যাসৰ বিষয়ে শ্ৰীদীননাথ শৰ্ম্মাই এখনি ৰচনা পাঠ কৰে আৰু শ্ৰীযতীন্দ্ৰনাথ গোস্বামীয়ে এটি বক্তৃতা দিয়ে। শ্ৰীভৱানন্দ ৰাজখোৱাই এটি কবিতা পাঠ কৰাৰ পিচত সভাপতি ডাঙৰীয়াই তেখেতৰ মন্তব্য দিয়ে। শ্ৰীলীলা গগৈয়ে শলাগৰ শৰাই আগবঢ়োৱাৰ পিছত আলোচনা চক্ৰৰ সামৰণি পৰে।

## কৃষ্টি সভা

আলোচনা চক্ৰৰ পিছত ৰাতি শ্ৰীবিষ্ণুপ্ৰসাদ ৰাভাৰ সভাপতিত্বত কৃষ্টি সভা আৰম্ভ হয়। শ্ৰীৰাভাৰ দীঘলীয়া ভাষণত অসমীয়া সংস্কৃতি আৰু তাৰ লগত আন ভাৰতীয় আৰু জনজাতীয় সংস্কৃতিৰ সম্বন্ধৰ বিষয় ফঁহিয়াই কয়। অসমীয়া সংস্কৃতিৰ উন্নতি কল্পে কৰিব লগীয়া কাম আৰু এই বিষয়ত চৰকাৰ আৰু ৰাইজৰ কৰ্ত্তব্যৰ বিষয় বিলাক ভালকৈ দেখুৱাই দিয়ে। কৃষ্টি সভা ওৰে ৰাতি চলে আৰু গীত নৃত্য আদি বিভিন্ন সাংস্কৃতিক কাৰ্য্য সূচীৰে গোটেই অঞ্চল মুখৰিত হৈ পৰে।

## বিজ্ঞান সভা

২১ এপ্ৰিল সোমবাৰে পুৱা ৯ বজাত বিজ্ঞান সভাৰ অধিবেশন আৰম্ভ হয়। এটি সমবেত সঙ্গীতৰ পিচত যথা নিয়মে সভাপতি বৰণ কৰাত শ্ৰীযুত হৰি প্ৰসাদ বৰুৱা ডাঙৰীয়াই আসন গ্ৰহণ কৰে। সম্পাদকে বিজ্ঞান সভাৰ উদ্দেশ্য আৰু অধিবেশনবিলাকৰ লগত হোৱা এনে ধৰণৰ সভা বিলাকৰ কথা উল্লেখ কৰে। সভাপতি ডাঙৰীয়াই তেখেতৰ স্বভাৱ সুলভ সহজ আৰু সৰল ভাষাৰে বৰ্ত্তমান কালৰ বিশেষ উপযোগী বিষয়বিলাক সমালোচনা কৰে। এই প্ৰসঙ্গত তেখেতে বান পানী নিয়ন্ত্ৰণ, অধিক খাদ্য উৎপাদন, বিজুলী শক্তিৰ ব্যৱহাৰ, অসমত পাতিব পৰা শিল্পানুষ্ঠান আদিৰ বিষয়ে বহলাই কয়। সভাপতিৰ অভিভাষণৰ পিচতে এটি বনগীত গোৱা হয়। শ্ৰীদণ্ডিৰাম দত্তই কাইখেলি অঙ্কৰ বিষয় আলোচনা কৰে। তাৰ পিচত 'অ মোৰ আপোনাৰ দেশ' জাতীয় সঙ্গীতেৰে সভাৰ সামৰণি মৰা হয়।

## বুৰঞ্জী সভা

সেই দিনাই বুৰঞ্জী শাখা সভাৰ অধিবেশনো সম্পন্ন হয়। এটি সমবেত সঙ্গীতৰ পিচত শ্ৰীযুত ৰাজমোহন নাথ ডাঙৰীয়াক যথা নিয়মে সভাপতি বৰণ কৰি সভাৰ কাৰ্য্য আৰম্ভ কৰা হয়। বুৰঞ্জী শাখা সভাৰ বিষয়ে সম্পাদক মহোদয়ে দুখাৰমান কোৱাৰ পিচত শ্ৰীকৃষ্ণ প্ৰসাদ বৰঠাকুৰে 'কাশ্মিৰ কেশৰী' নামৰ এটি কবিতা পাঠ কৰে। সভাপতি মহোদয়ে নতুন তথ্যেৰে সৈতে এখনি অভিভাষণ পাঠ কৰে। ইয়াত তেখেতে অসমৰ নাম আৰু সংস্কৃতিৰ গতিৰ বিষয় বিশেষ ভাৱে আলোচনা কৰে। শ্ৰীৰমেশ বৰ কাকতীয়ে 'দেশ উদ্ধাৰত অসমীয়াৰ দেশ প্ৰেম' আৰু শ্ৰীলীলা গগৈয়ে 'অসমত টাই জাতি নামৰ প্ৰবন্ধ দুটি পাঠ কৰে। শ্ৰীমহাদেৱ শৰ্ম্মাই দুয়ো সবাকী সভাপতিকে শলাগ জনায়।



## মূল সভা ২য় দিন

২১ তাং সোমবাৰে, দেওবাৰৰ দৰে চৌপাশৰ বিষয়া আহিয়ে কাম কাজ এৰি আহিব নোৱাৰাত ৰাইজৰ সমাগম আগদিনাতকৈ কম। অৱশ্যে পিচবেলাৰ পৰা সংখ্যাক্ৰমে বেছি হবলৈ ধৰে আৰু ৰাতিৰ অনুষ্ঠানত আৰু বেছি হয়।

দেশভক্ত ফুকন ডাঙৰীয়াৰ ৰচিত এটি স্তোত্ৰ শ্ৰীযুতা ললিতা ফুকননীয়ে পাঠ কৰাৰ পিছত, সমবেত সঙ্গীতেৰে সভাৰ কাৰ্য্য আৰম্ভ হয়। আগদিন পাঠ কৰিব লগীয়া সম্পাদকৰ প্ৰতিবেদন আজি পাঠ কৰে। ইয়াৰ পিছতেই এখাৰটি প্ৰস্তাৱ যথা নিয়মে গ্ৰহণ কৰা হয়। উপ সমিতিক বেহালসাই উত্থাপিত কৰিবলৈ ভাৰ দিয়া নিয়মাৱলীৰ সংশোধনী প্ৰস্তাৱ শ্ৰীব্ৰজেন্দ্ৰ চন্দ্ৰ বৰপূজাৰীয়ে দাঙি ধৰে আৰু সৰ্ব্ব সন্মতি ক্ৰমে গৃহীত হয়। ১০।১২ বছৰীয়া বিচক্ষণ শিল্পী শ্ৰীশঙ্কৰ গগৈয়ে টোকাৰী গীত গাই ৰাইজক আমোদ দিয়ে। সমবেত ৰাইজেও তেওঁৰ গীতত সন্তোষ পাই এশ টকাৰো অধিক পুৰস্কাৰ আগ বঢ়ায়। তিনিচুকীয়াৰ অভ্যৰ্থনা সমিতিৰ কাৰ্য্য বিলাক সুন্দৰকৈ সুপ্ৰতুল ভাৱে আন্তৰিকতাৰে পৰিচালনা কৰাৰ বাবত সাহিত্য সভাৰ ফালৰ পৰা, সভাৰ দ্বাৰা প্ৰকাশিত পুথিবিলাকৰ আঠোটি টোপোলা আঠোটি শিক্ষা অনুষ্ঠানলৈ পুৰস্কাৰ স্বৰূপে আগবঢ়োৱা হয়। এই পুৰস্কাৰৰ মূল্য প্ৰায় আঢ়ৈশ টকা। যোৰহাটৰ শ্ৰীকৃষ্ণ প্ৰসাদ বৰঠাকুৰেও প্ৰায় এশ টকাৰ পুথি পুৰস্কাৰ স্বৰূপে আগবঢ়ায়। অভ্যৰ্থনা সমিতিৰ হৈ শ্ৰীযদুনাথ ভূঞাই পুৰস্কাৰ গ্ৰহণ কৰে। শ্ৰীনীলমণি ফুকন ডাঙৰীয়াই সভাৰ পুঁজি টনকিয়াল কৰিবৰ নিমিত্তে দান আগবঢ়াবলৈ ৰাইজক অনুৰোধ কৰে। তেতিয়াই শ্ৰীহৰিহৰ চৌধুৰী ডাঙৰীয়াই সাহিত্য সভাৰ বিশেষ কাৰ্য্যত খৰচ কৰিবৰ নিমিত্তে এহেজাৰ টকাৰ দান আগ বঢ়াই প্ৰতিশ্ৰুতি দিয়ে। শ্ৰীকণক চন্দ্ৰ শৰ্ম্মাদেৱে আজীৱন সভ্য হবৰ কাৰণে বৰঙণিৰ আধা ৫০৲ টকা তেতিয়াই আদায় কৰে। শাৰীৰিক অসুস্থতাৰ স্বত্বেও শ্ৰীপাৰ্বতি প্ৰসাদ বৰুৱাই সভাত উপস্থিত থাকি তেখেতৰ শুভেচ্ছা ব্যক্ত কৰে। শ্ৰীমহাদেৱ শৰ্ম্মা ডাঙৰীয়াই আবেগময়ী ভাষাৰে শ্ৰীবৰুৱাদেৱৰ আৰোগ্যৰ অৰ্থে ভগৱন্তৰ চৰণত প্ৰাৰ্থনা জনায়। উপস্থিত জন মণ্ডলীয়ে নীৰৱে আন্তৰিকতাৰে সৈতে শ্ৰীশৰ্ম্মা ডাঙৰীয়াৰ প্ৰাৰ্থনাত যোগ দিয়ে। বিষয় ববীয়া সকলৰ হৈ প্ৰধান সম্পাদক শ্ৰীপৰাগ চলিহাই পদত্যাগ কৰাৰ পিচত নতুন নিৰ্ব্বাচন হয়।

শ্ৰীজগৎ চন্দ্ৰ শৰ্ম্মাই অহা বাৰৰ অধিবেশন নগাওঁলৈ নিমন্ত্ৰণ কৰে।

সভাপতি দেৱে আবেগময়ী ভাষাৰে সকলোকে অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ অৰ্থে যেয়ে যেনেকৈ পাৰে চেষ্টা কৰিবলৈ অনুৰোধ কৰে। শ্ৰীবেণু ধৰ শৰ্ম্মাদেৱে শলাগৰ শৰাই আগ বঢ়ায়, অভ্যৰ্থনা সমিতি আৰু প্ৰতিনিধি সকলৰ পৰাও শলাগৰ শৰাই আগ বঢ়োৱাৰ পিচত জাতীয় সঙ্গীতেৰে অসম সাহিত্য সভাৰ তিনিচুকীয়াত বহা ষষ্ঠবিংশ অধিবেশনৰ সামৰণি মৰা হয়।

# সাহিত্য সভাৰ বাহিৰে ভিতৰে

**প্ৰধান সম্পাদক**

## (১) নতুন বছৰৰ কাৰ্য্য নিৰ্ব্বাহক সভা :

১। শ্ৰীযুত পদ্মধৰ চলিহা—সভাপতি
২। ,, অতুল চন্দ্ৰ হাজৰিকা—সহকাৰী সভাপতি
৩। ,, নকুলচন্দ্ৰ ভূঞা—ধন ভঁৰালী
৪। ,, বিনন্দ চন্দ্ৰ বৰুৱা—প্ৰধান সম্পাদক
৫। ,, সতোন্দ্ৰ নাথ শৰ্ম্মা—পত্ৰিকা সম্পাদক
৬। ,, যতীন্দ্ৰ নাথ গোস্বামী—সহকাৰী সম্পাদক
৭। ,, বেণুধৰ শৰ্ম্মা
৮। ,, মিত্ৰদেৱ মহন্ত
৯। ,, বিশ্বনাৰায়ণ শাস্ত্ৰী
১০। ,, নীলা গগৈ
১১। ,, প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য
১২। ,, নিৰ্ম্মলপ্ৰভা বৰদলৈ
১৩। ,, বিশ্বনাথ ৰাজবংশী
১৪। ,, আব্দুল মালিক
১৫। ,, অনন্তকুমাৰ দাস
১৬। ,, জগৎ চন্দ্ৰ শৰ্ম্মা
১৭। ,, ভবানন্দ ৰাজখোৱা
১৮। ,, পৰাগধৰ চলিহা
১৯। ,, প্ৰফুল্লচন্দ্ৰ বৰুৱা
২০। ,, ব্ৰজেন্দ্ৰনাথ বৰপূজাৰী
২১। ,, যোগেন্দ্ৰনাথ শৰ্ম্মা

## (২) অসম সাহিত্য সভাৰ ষড়বিংশ অধিবেশনৰ প্ৰস্তাবসমূহ :

প্ৰথম প্ৰস্তাৱ—

অসম সাহিত্য সভাৰ ষড়বিংশ অধিবেশনে ভাৰতৰ শিক্ষামন্ত্ৰী আৰু প্ৰধান ৰাজনীতিজ্ঞ মৌলানা আবুল কালাম আজাদ, খ্যাতনামা চিকিৎসক আৰু সাহিত্যিক ডাঃ হেম বৰুৱা, সুসাহিত্যিক হৰমোহন দাস, অসম সাহিত্য সভাৰ দৰ্শন শাখাৰ ভূতপূৰ্ব্ব সভাপতি পণ্ডিত ষড়ানন তৰ্কতৰ্কতীৰ্থ, শিক্ষাবিদ্ মৌলবী চাইফুদ্দিন আহমদ, শিক্ষাবিদ্ ৰসৰাজ দাস, সমাজ-সেৱক সৰ্গৰাম দাস, সাহিত্য-সেৱী পঞ্চানন মেধি, সাহিত্য প্ৰেমিক যোগেশ্বৰ বৰুৱা আৰু অনুৰূপা দেৱীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰে আৰু তেখেতসকলৰ আত্মাৰ শান্তিৰ কাৰণে পৰমেশ্বৰক প্ৰাৰ্থনা জনায়।

প্ৰঃ—সভাপতি

২য় প্ৰস্তাৱ—

দেশ আৰু জাতীয় প্ৰাচীন কীৰ্ত্তিৰাজিয়ে জাতীয় ঐতিহ্য জীয়াই ৰখাৰ উপৰিও সেই জাতিক ক্ৰমোন্নতিৰ পথত আগ বাঢ়িবলৈ সততে প্ৰেৰণা যোগায় বাবেই সকলো জাতিয়ে নিজৰ প্ৰাচীন কীৰ্ত্তিৰাজি সযতনে ৰক্ষা কৰি আহিছে। অসমৰ চুকে-কোণে, পৰ্ব্বতে-ভৈয়ামে, সৰ্ব্বগ্ৰাসী কালৰ হাত সাৰি, বহুত মঠ-মন্দিৰ, আলিপুখুৰী, শিলালিপি, মূৰ্ত্তি, প্ৰাচীন নগৰৰ ধ্বংসাৱশেষ আদি স্থাপত্য ভাস্কৰ্য্যৰ নিদৰ্শনৰূপে আজিও জিলিকি আছে। এই সকলোবোৰ প্ৰাচীন কীৰ্ত্তি চিহ্নৰ ৰক্ষণাবেক্ষণৰ ব্যৱস্থা হোৱা নাই আৰু সামান্য যি দুই চাৰিটা কেন্দ্ৰীয় চৰকাৰৰ পুৰাতত্ত্ব বিভাগৰ তত্ত্বাৱধানত আছে তাৰো সংৰক্ষণ উপযুক্তভাৱে হোৱা নাই। প্ৰাচীন কীৰ্ত্তি বিজড়িত ঠাইত খনন কাৰ্য্য চলালে বহুত নতুন তথ্যৰ সম্ভেদ ওলোৱাৰো সম্পূৰ্ণ সম্ভাৱনা আছে। সতিকে আজিৰ সভাই অসমৰ প্ৰাচীন কীৰ্ত্তি চিহ্নসমূহৰ যথাযথ ৰক্ষণাবেক্ষণ আৰু খনন কাৰ্য্য আদি চলাবৰ বাবে ৰাজ্যিক পৰ্য্যায়ত নিজাকৈ এটা পুৰাতত্ত্ব বিভাগ প্ৰবৰ্ত্তন কৰিবলৈ অসম চৰকাৰক টানি অনুৰোধ জনায়।

প্ৰঃ—শ্ৰীমহাদেৱ শৰ্ম্মা
সঃ—শ্ৰীসদানন্দ মহন্ত



৩য় প্ৰস্তাৱ—

অসমীয়া ভাষা-সাহিত্যৰ প্ৰচাৰ আৰু প্ৰসাৰ কল্পে প্ৰতি বছৰে কাৰ্য্য নিৰ্ব্বাহক সভাই নিৰ্দ্দিষ্ট কৰা এটা দিন, সাহিত্য সভাৰ পুথি বিক্ৰয়, পুঁজি সংগ্ৰহ আদি বিবিধ কাৰ্য্যসূচীৰে "অসম সাহিত্য সভা দিবস"ৰূপে অসমৰ বাহিৰে ভিতৰে পালন কৰিবলৈ আজিৰ সভাই প্ৰস্তাৱ কৰে।

প্ৰঃ—শ্ৰীনীলমণি ফুকন
সঃ—শ্ৰীমেদিনীকান্ত ঠাকুৰীয়া

৪ৰ্থ প্ৰস্তাৱ—

অসমীয়া ভাষাৰ বিশ্বকোষ এখনৰ অভাৱত জাতীয় সাহিত্যৰ অৱয়ৱ এতিয়াও অসম্পূৰ্ণ; সতিকে এই অভাৱ দূৰ কৰিবৰ উদ্দেশ্যে অসম সাহিত্য সভাৰ দ্বাৰা এখন অসমীয়া বিশ্বকোষ প্ৰণয়ন কৰিবলৈ আজিৰ সভাই প্ৰস্তাৱ কৰে আৰু এই বিষয়ে যাৱতীয় ব্যৱস্থা হাতত লবলৈ কাৰ্য্য নিৰ্ব্বাহক সভাক ভাৰ দিয়ে।

প্ৰঃ—শ্ৰীহৰেশ্বৰ শৰ্ম্মা
সঃ—শ্ৰীনিৰ্ম্মল প্ৰভা বৰদলৈ

৫ম প্ৰস্তাৱ—

অসমৰ মাজমজিয়া গুৱাহাটীত প্ৰতিষ্ঠিত আকাশবাণী কেন্দ্ৰই যোৱা দহ বছৰে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰকৃতপক্ষে কিমানখিনি উন্নয়ন সাধিছে এই বিষয়ে চিন্তা কৰি চাবৰ সময় হৈছে আৰু যথাযথ মূল্যাঙ্কণ কৰাটো আৱশ্যক হৈ পৰিছে। দুখৰ বিষয় গুৱাহাটী কেন্দ্ৰৰ কাৰ্য্যসূচী আৰু পৰিচালনা দেখি অসমৰ সৰহ সংখ্যক ৰাইজক অসন্তুষ্ট হোৱা দেখা গৈছে। এই কেন্দ্ৰত অসমীয়া ভাষাৰ উন্নয়ন হওক চাৰি বিভ্ৰাট আৰু বিপৰ্য্যয়হে হবলৈ ধৰিছে। অসমীয়া কাৰ্য্যসূচীৰ পৰিমাণ কমোৱাৰ লগতে বেছিভাগ পালমৰা বিধৰ হৈছে। তদুপৰি ৰেকৰ্ড যোগে গীত-মাতৰ কাৰ্য্যসূচীৰ সমাধা কৰি কৰ্ত্তৃপক্ষই দায়িত্বৰ ওৰ পেলোৱা দেখা গৈছে। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ অভিজ্ঞতা নথকা আৰু সেই বিষয়ত উদাসীন কিছুমান কৰ্ম্মচাৰীৰ নিযুক্তিৰ দ্বাৰা গুৱাহাটী কেন্দ্ৰই অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ মৰ্য্যাদা হানি কৰিছে। অসমীয়া কাৰ্য্যসূচী অপেক্ষাকৃত কম শক্তিশালী যন্ত্ৰেৰে প্ৰচাৰ কৰিও শুনোতাসকলৰ অসুবিধা ঘটাইছে।

"নেফা', নগা পৰ্ব্বত আনকি অসমৰ বুকুতে থকা চাহ কৰ্ম্মচাৰী আৰু শ্ৰমিকসকলৰ বাবে আচুতীয়া কাৰ্য্যসূচী হিন্দী ভাষাৰে ঘোষণা কৰাত অসমৰ স্বাভাৱিক ঐক্য ব্যাহত হোৱাৰ উপক্ৰম হোৱাৰ লগতে জাতীয় স্বাৰ্থটো তীব্ৰ আঘাত কৰা হৈছে।

অসম সাহিত্য সভাৰ ষড়বিংশ অধিবেশনে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ এনে নীতি আৰু কাৰ্য্য দেখি গভীৰ উদ্বেগ আৰু অসন্তোষ প্ৰকাশ কৰে। কেন্দ্ৰীয় চৰকাৰৰ বিভাগীয় বতাঁৰ প্ৰচাৰ মন্ত্ৰী, ডিৰেক্টৰ জেনেৰেল আৰু সংশ্লিষ্ট কৰ্ত্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰি অতি সোনকালে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সংস্কাৰমূলক পৰিবৰ্ত্তন দাবী কৰে।

প্ৰঃ—শ্ৰীনকুল চন্দ্ৰ ভূঞা
সঃ—শ্ৰীঅম্বেশ্বৰ চেতীয়া ফুকন

৬ষ্ঠ প্ৰস্তাৱ—

অসম চৰকাৰৰ শিক্ষা বিভাগৰ পাঠ্যপুথি বাছনি সমিতিয়ে বিভিন্ন পৰ্য্যায়ৰ স্কুলসমূহৰ বাবে নিৰ্ব্বাচন কৰা পুথিসমূহৰ বিষয়বস্তু, ভাষা, আখৰ যোঁটনি আদি বিবিধ আসোঁৱাহ থকাৰ উপৰিও পাঠ্যপুথিৰ ক্ৰটিপূৰ্ণ নিৰ্ব্বাচন প্ৰণালীৰ দ্বাৰা ক্ষেত্ৰ বিশেষে দুৰ্নীতিয়ে শিপোৱা দেখা গৈছে। সতিকে আজিৰ সভাই পাঠ্যপুথি নিৰ্ব্বাচন সমিতিৰ সকলো বিষয় অধ্যয়ন কৰি এখন স্মাৰক-পত্ৰ বিভাগীয় কৰ্ত্তৃপক্ষৰ ওচৰত দাখিল কৰিবলৈ—

(১) শ্ৰীনীলমণি ফুকন
(২) শ্ৰীমিত্ৰদেৱ মহন্ত
(৩) শ্ৰীমান প্ৰফুল্ল গোস্বামীৰে গঠিত তিনিজনীয়া উপ-সমিতিক ভাৰ দিয়া হওক (শ্ৰীমান প্ৰফুল্ল গোস্বামী এই উপ-সমিতিৰ আহ্বায়ক হ'ব)।

প্ৰঃ—শ্ৰীৰমণী কান্ত শৰ্ম্মা
সঃ—শ্ৰীঅশ্বিনীচৰণ চৌধুৰী

৭ম প্ৰস্তাৱ—

ভাৰত চৰকাৰে স্বকীয়া নগা গোট গঠন কৰি অসমৰ বুকুৰ পৰা নগা পৰ্ব্বত বিচ্ছিন্ন কৰি নিয়াৰ সম্পৰ্কত আজিৰ সভাই অসম সাহিত্য সভাৰ কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ ১৬।১১।৫৭ তাৰিখৰ বৈঠকত গৃহীত প্ৰস্তাৱ "শ শ বছৰ জুৰি অসমৰ ভিতৰতে একেলগে আপোনভাৱে থকা নগা পৰ্ব্বত জিলা অসমৰ বুকুৰ পৰা বিচ্ছিন্ন হবলৈ উপক্ৰম হোৱাত (ইতিমধ্যে বিচ্ছিন্ন হোৱাত) অসম সাহিত্য সভাৰ কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ আজিৰ অধিবেশনে গভীৰ উদ্বেগ প্ৰকাশ কৰে আৰু আশা কৰে যে ৰাজনৈতিক ভাবে নগা পৰ্ব্বত অসমৰ পৰা আঁতৰি গলেও এনে কৃত্ৰিম বিভাজনে অসমীয়া ৰাইজৰ সৈতে নগা ভাই-ভনীসকলৰ যাউতিযুগীয়া সাংস্কৃতিক সম্বন্ধ কোনো ব্যাঘাত নজন্মাব আৰু অসমৰ স্বাভাৱিক ঐক্য সদায় অটুট ৰাখিব।" অনুমোদন কৰে আৰু বিশেষকৈ মহাভাৰতৰ যুগৰে পৰা অবিচ্ছেদ্য অংশ অসমৰ থলুৱা অধিবাসী বড়োকছাৰিসকলৰ এসময়ত ৰাজধানী হিড়িম্বাপুৰ আৰু বৰ্ত্তমান অসমৰ অন্যতম প্ৰধান ঠাই ডিমাপুৰ নগৰক কেন্দ্ৰীয় চৰকাৰে উক্ত নগা গোটৰ লগত সাঙুৰি কেন্দ্ৰীয় নিয়ন্ত্ৰণত ৰখাত সেই অঞ্চলৰ ৰাইজৰ উপৰিও অসমৰ সকলো ঠাইতে ভীষণ অসন্তুষ্টিয়ে দেখা দিছে। গতিকে ডিমাপুৰবাসীৰ ইচ্ছাৰ অনুকূলে ডিমাপুৰ অঞ্চল অসম ৰাজ্য চৰকাৰৰ শাসনত ৰাখিবলৈ অসম সাহিত্য সভাই কেন্দ্ৰীয় চৰকাৰৰ ওচৰত সুদৃঢ় দাবী জনায়।

প্ৰঃ—শ্ৰীনলিনীবালা দেবী
সঃ—শ্ৰীধৰ্ম্মকান্ত গোহাঁই

৮ম প্ৰস্তাৱ—

কেন্দ্ৰীয় আৰু অসম ৰাজ্যিক চৰকাৰৰ দ্বাৰা প্ৰকাশিত পুস্তকাৱলী, জাননী, ৰছিদ-পত্ৰ, বিবিধ বিভাগীয় ফৰ্ম্মসমূহ, ৰেলৱে টিকট, ৰেল ষ্টেচন আদিৰ নাম আজিৰ অসমীয়া ভাষাৰ নামত বিকৃত ৰূপ অথবা ভুল প্ৰকাশ কৰা হৈছে। ডাকঘৰ, তাঁৰ অফিচৰ জাননী, অফিচ আদিৰ অসমীয়া হৰফ্ উঠাই দিয়া দেখা গৈছে। গতিকে শুদ্ধ আৰু প্ৰকৃত অসমীয়া ভাষাৰে যাতে উক্ত কাৰ্য্যসমূহ হয় তাৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰক জনোৱা হওঁক।

প্ৰঃ—শ্ৰীশিৱপ্ৰসাদ বৰুৱা
সঃ—শ্ৰীহৰেশ ভট্টাচাৰ্য্য

৯ম প্ৰস্তাৱ—

অসমৰ বিভিন্ন অঞ্চলত সিচৰতি হৈ থকা দেৱালয়, তীৰ্থস্থান, সত্ৰ, দুৰ্গ ইত্যাদিৰ উৎপত্তি বিৱৰণ সম্বলিত এখন পুথি অসম সাহিত্য সভা পক্ষৰ পৰা যুগুত কৰিবলৈ আজিৰ সভাই প্ৰস্তাৱ কৰে।

প্ৰঃ—শ্ৰীদীননাথ শৰ্ম্মা
সঃ—শ্ৰীমাণিক চন্দ্ৰ শইকীয়া

১০ম প্ৰস্তাৱ—

ৰেলৱে বিভাগৰ দ্বাৰা পৰিচালিত, অসমৰ বুকুত থকা শিক্ষানুষ্ঠানসমূহত অসমীয়া মাধ্যমেৰে শিক্ষা দানৰ ব্যৱস্থা নথকাত অসমীয়া কৰ্ম্মচাৰীৰ লৰা-ছোৱালীবিলাকৰ সেই শিক্ষালয়সমূহত শিক্ষা লাভৰ যথেষ্ট অসুবিধা হৈছে। গতিকে আজিৰ সভাই এনে এতৰপীয়া ব্যৱস্থাৰ বাবে দুখ প্ৰকাশ কৰে আৰু অসমৰ ভিতৰত থকা সকলো ৰেলৱে শিক্ষালয়তে অসমীয়া মাধ্যমেৰেও শিক্ষা দানৰ ব্যৱস্থা প্ৰৱৰ্ত্তন কৰিবলৈ ৰেলৱে কৰ্ত্তৃপক্ষৰ ওচৰত দাবী জনায়।


প্ৰঃ—শ্ৰীৰমেশ বৰকাকতী
সঃ—শ্ৰীযোগেন্দ্ৰ নাৰায়ণ দেৱ চৌধুৰী

১১শ প্ৰস্তাৱ—

কাছাৰ, গোৱালপাৰা আদি জিলাৰ সীমান্তবৰ্ত্তী বিদ্যালয়সমূহত অসমীয়া ভাষাত যথেষ্ট ব্যুৎপত্তি থকা শিক্ষক নিয়োগৰ ব্যৱস্থা নিচেই তাকৰ; ফলত ছাত্ৰসকলে অসমীয়া ভাষাত উপযুক্ত শিক্ষা পোৱা নাই। সেই হেতুকে অসম চৰকাৰৰ শিক্ষা বিভাগটো সেই অঞ্চলৰ উক্ত পৰ্য্যায়ৰ স্কুলসমূহৰ শিক্ষকসকলৰ অসমীয়া প্ৰশিক্ষণৰ কাৰণে বিশেষ ব্যৱস্থা লবলৈ আজিৰ সভাই অনুৰোধ কৰে।

প্ৰঃ—শ্ৰীপ্ৰফুল্ল দত্ত
সঃ—শ্ৰীউপেন্দ্ৰ নাথ দত্ত

কাৰ্য্য-নিৰ্ব্বাহক সভাৰ কেজনমান সভ্য
( ১৯৫৮-৫৯ )



প্ৰথম শাৰী (সোঁফালৰ পৰা)—শ্ৰীমিত্ৰদেৱ মহন্ত, শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা (প্ৰধান সম্পাদক), শ্ৰীপদ্মধৰ চলিহা (সভাপতি), শ্ৰীবেণুধৰ শৰ্ম্মা, শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা (সহঃ সভাপতি), শ্ৰীপৰাগধৰ চলিহা।

দ্বিতীয় শাৰী ( ,, ,, )—শ্ৰীযোগেন্দ্ৰ নাথ শৰ্ম্মা, শ্ৰীজগৎচন্দ্ৰ শৰ্ম্মা, শ্ৰীলীলা গগৈ, শ্ৰীব্ৰজেন্দ্ৰ নাথ বৰপূজাৰী, শ্ৰীনিৰ্ম্মল প্ৰভা বৰদলৈ, শ্ৰীঅনন্ত কুমাৰ দাস, শ্ৰীবিশ্বনাথ ৰাজবংশী, শ্ৰীভবানন্দ ৰাজখোৱা আৰু শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী (সহঃ সম্পাদক)

## (৩) নিয়মাৱলী সালসলনি—

২। (গ) "যেই সেই....চেষ্টাৰ" সলনি সেই.... অভাৱ দূৰীকৰণ ;

(ঘ) অৱস্থাহীন....দান'ৰ সলনি সদ্ গ্ৰন্থ প্ৰকাশ বা উপযুক্ত গ্ৰন্থ প্ৰকাশৰ নিমিত্তে অৱস্থাহীন সাহিত্যিকক সাহায্য বা বঁটা দান'

(চ) 'সাহিত্য প্ৰচাৰৰ চেষ্টা'ৰ সলনি 'সাহিত্য প্ৰচাৰ' ;

(জ) 'আন....যত্ন'ৰ সলনি 'আন আন কাৰ্য্য' ;

৮। 'অসমীয়া সাহিত্যৰ চৰ্চাকাৰী' আৰু 'ওঠৰ বছৰৰ তল নোহোৱা'ৰ সলনি অসমীয়া সাহিত্য সংস্কৃতিৰ চৰ্চাকাৰী' আৰু 'অন্যূন ওঠৰ বছৰৰ' হব।

৯। দ্বিতীয় শাৰীৰ 'আবেদন কৰিব লাগিব আৰু'ৰ সলনি হ'ব আবেদন কৰিলে।

'নতুন কথা যোগ হ'ব—কিন্তু যি ঠাইত কোনো শাখা সভা নাই তেনে ঠাইৰ লোকে ইচ্ছা কৰিলে পোনপটীয়াকৈ মূল সভালৈ নিৰ্দ্দিষ্ট ফৰ্ম্মত আবেদন কৰি সাধাৰণ সভ্য ভুক্ত হ'ব পাৰিব।

১১। একেবাহে দুবছৰ বৰঙণি নিদিলে দ্বিতীয় বছৰৰ শেষত সাধাৰণ সভ্যৰ নাম বাদ পৰিব ; কিন্তু তৃতীয় বছৰৰ ভিতৰত চলিত বছৰৰ বৰঙণিৰে সৈতে বাকী বৰঙণি আদায় কৰি দিলে পুনৰ সভ্য-ভুক্ত হ'ব পাৰিব।

১২। বছেৰেকীয়া বৰঙণি আদায় নকৰা আৰু অন্ততঃ তিনি মাহৰ আগতে ভৰ্ত্তি নোহোৱা সভ্যই কোনো সভা বা সন্মিলনত ভোট দিব নোৱাৰিব।

১৩। অসমীয়া ভাষা আৰু সাহিত্যৰ হিতাকাংক্ষী, অসমীয়া বা অনা অসমীয়া কোনো বিশিষ্ট লোকক সভাই 'হিতৈষী সভ্য' কৰি লব পাৰিব। কিন্তু তেনে সভ্যৰ কোনো ভোট নাথাকিব।

১৪। প্ৰথম শাৰীৰ "সভাৰ মুখপত্ৰ আৰু নিজে প্ৰকাশ কৰা পুথি আধা বেচত পাব"ৰ ঠাইত হব মুখপত্ৰকে আদি কৰি সভাই নিজে প্ৰকাশ কৰা একোখনি পুথি আধা বেচত পাব।"

১৭। দ্বিতীয় শাৰীৰ 'এজন বা দুজন সহকাৰী সম্পাদককো নিৰ্ব্বাচিত কৰি লব পাৰিব'ৰ সলনি হ'ব—'এজন বা দুজনো সহকাৰী সম্পাদক নিৰ্ব্বাচিত হব পাৰিব।

২০। তৃতীয় শাৰীৰ "আৱশ্যক মতে" প্ৰথম শাৰীৰ "কাৰ্য্য নিৰ্ব্বাহক সমিতিয়ে"ৰ পাচত বহিব।

২১। দ্বিতীয় শাৰীৰ "অনুপস্থিত থাকিলে তেনে"ৰ সলনি 'অনুপস্থিত থকা' হ'ব।

২৫। তৃতীয় শাৰীৰ 'অনুমোদন' দাঙি ধৰিবৰ ঠাইত 'হতুৱাই অনুমোদন কৰাই চূড়ান্ত গ্ৰহণৰ বাবে মুকলি অধিবেশনত দাঙি ধৰিব' হব।

৩০। শাখা আৰু স্বীকৃত সভাই যথাক্ৰমে অন্ততঃ দহ আৰু পাঁচখনকৈ মূল সভাৰ পৰা প্ৰকাশিত পুথি আৰু মুখপত্ৰ কিনি সভাৰ প্ৰচাৰ কাৰ্য্যত সহায় কৰিব।

৩২। 'স্বীকৃত সভাই প্ৰতি বছৰে বাৰ্ষিক অধিবেশনৰ অন্ততঃ তিনি মাহৰ আগতে দহ টকাকৈ বছেৰেকীয়া বৰঙণি অসম সাহিত্য সভাক দিব লাগিব।

৩৪। 'পাতিব'ৰ পাচত যোগ হ'ব "আৰু তেনে সন্মিলনৰ যাৱতীয় ব্যৱস্থা কাৰ্য্য নিৰ্ব্বাহক সমিতিয়ে কৰিব লাগিব।"

৩৮। 'মূল সভাৰ' সলনি হ'ব "অসম সাহিত্য সভাৰ"।

৪০। সন্মিলনৰ তিনি মাহৰ আগতে শাখা সভাসমূহৰ প্ৰত্যেকে আৰু আদৰণি সমিতিয়ে সভাপতিৰ বাবে পাঁচোটালৈকে নাম প্ৰস্তাৱ কৰি গোপনীয়ভাৱে পঠাব পাৰিব। শেষ বাছনিৰ বাবে শাখাসমূহ আৰু আদৰণি সমিতিলৈ পঠালে আটাইতকৈ সৰহ ভোট পোৱা জনেই সভাপতি নিৰ্ব্বাচিত হ'ব। সভাপতি নিৰ্ব্বাচন কাৰ্য্য চূড়ান্ত সিদ্ধান্ত নোহোৱা পৰ্য্যন্ত গোপনীয়ভাৱে পৰিচালনা কৰিব লাগিব।

৪৩। 'এখন অভ্যৰ্থনা সমিতি গঠিত হব'ৰ

সলনি 'এখন আদৰণি সমিতি গঠিত হব লাগিব' হ'ব ।

৪৪। 'বৰদিন, বিহু বা পূজাৰ বন্ধত বা বিশেষ আৱশ্যক বুজি আন সময়তো সন্মিলন বহিব পাৰিব । আদৰণি সমিতিয়ে মূল সভাৰ কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ অনুমোদন সাপেক্ষে দিন স্থিৰ কৰিব লাগিব ।

৪৫। 'আদৰণি সমিতিৰ ওপৰত থাকিব'ৰ সলনি হ'ব 'আদৰণি সমিতিয়ে বহন কৰিব লাগিব ।'

৪৭। 'শেষত যোগ হ'ব—বাৰ্ষিক সন্মিলনৰ লগতে সাহিত্য সম্বন্ধীয় আলোচনা চক্ৰ আদৰণি সমিতিয়ে আয়োজন কৰিব পাৰিব ।'

৪৮। (ক) 'অভ্যাৰ্থনা সমিতি'ৰ সলনি 'আদৰণি সমিতি হ'ব ।

(খ) আদৰণি সমিতি আৰু মূল সভাৰ কাৰ্য্য নিৰ্ব্বাহক সমিতিয়ে শাখা সভা-সমূহৰ সভাপতিসকল স্থিৰ কৰিব ।

৪৯। সন্মিলনৰ অন্ততঃ এদিনৰ আগতে কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ সভ্যসকল, প্ৰত্যেক শাখা সভা আৰু স্বীকৃত সভাৰ প্ৰতিনিধিসকল, আদৰণি সমিতিৰ প্ৰতিনিধিসকল, মূল সভাৰ ভূতপূৰ্ব্ব সভাপতিসকল আৰু সেই অধিবেশনৰ শাখা সন্মিলনৰ সভাপতিসকল আৰু আজীৱন সভ্যসকলৰ নিৰ্ব্বাচিত প্ৰতিনিধিসকলক লৈ বিষয় বাছনি সমিতি এখন গঠিত হ'ব । সেই সভাত সভাপতিত্ব কৰিব সন্মিলনলৈ নিৰ্ব্বাচিত সভাপতিয়ে । কিন্তু বিশেষ কাৰণত সন্মিলনৰ নিৰ্ব্বাচিত সভাপতি উপস্থিত থাকিব নোৱাৰিলে, সম্ভৱস্থলত, পৰামৰ্শমতে বিষয় বাছনি সভাৰ সভ্যসকলৰ মাজৰ পৰা আন এজন সভাপতি নিৰ্ব্বাচিত হব ।

৫০। "সৰ্ব্ব সাধাৰণে"ৰ সলনি হব—'বিষয় বাছনি সমিতিৰ সভাৰ বাহিৰে আনে ।'

৫১। তৃতীয় শাৰীৰ "এনে" শব্দটো বাদ পৰিব আৰু এই শাৰীৰ "পোন্ধৰ দিন"ৰ সলনি "কুৰি দিন" হ'ব ।

৫২। তৃতীয় শাৰীৰ "সমিতিলৈ আনিব"ৰ সলনি "সমিতিত উপস্থিত কৰিব" হ'ব ।

৫৩। তৃতীয় শাৰীৰ "সন্মিলনৰ" শব্দটোৰ আগত "মুকলি" শব্দ বহিব । চতুৰ্থ শাৰীৰ "বিধান" শব্দ বাদ পৰিব ।

৫৪। "অভিধানৰ পৰিৱৰ্ত্তন"ৰ সলনি 'অভিধান পৰিৱৰ্ত্তন' হ'ব । তৃতীয় শাৰীৰ "উপস্থিত"ৰ সলনি উপস্থাপিত হ'ব ।

৫৫। ৫৫নং বাদ পৰিব ।

৫৬। (৫৬নং ৫৫নং হ'ব) ।

৫৭। (৫৭নং ৫৬নং হ'ব) সভাই পোৱা সকলো টকা আৰু সম্পত্তিৰ বাবে সভাৰ ছপা ফৰমত ৰচীদ দিব আৰু সকলো সম্পত্তিৰ লিখিত বিৱৰণ সহ তালিকা ৰাখিব লাগিব ।

৫৮। (৫৮নং ৫৭নং হ'ব) তৃতীয় শাৰীৰ "ইম্পি-ৰিয়েল বেঙ্কত বা পোষ্ট অফিচত"ৰ সলনি হ'ব 'ষ্টেত বেঙ্ক, এপেক্স বেঙ্ক বা ডাকঘৰত' হ'ব ।

৫৯। (৫৯নং ৫৮নং হ'ব) ।

৬০। (৬০নং ৫৯নং হ'ব) তৃতীয় শাৰীৰ 'থাকিব'ৰ পাচত 'পাৰিব' যোগ হ'ব । চতুৰ্থ শাৰীৰ 'টকাৰ' শব্দ বাদ পৰিব ।

৬১। (৬১নং ৬০নং হ'ব) ।

৬২। (৬২নং ৬১নং হ'ব) ।

৬৩। (৬৩নং ৬২নং হ'ব) দ্বিতীয় আৰু তৃতীয় শাৰীৰ "কোনো" শব্দ বাদ পৰিব ।

৬৪। (৬৪নং ৬৩নং হ'ব) ।

৬৫। (৬৫নং ৬৪নং হ'ব) ।

৬৫। (নতুনকৈ হ'ব)—প্ৰধান সম্পাদকে পত্ৰিকাৰ হিচাব আচুতীয়াকৈ ৰাখিব লাগিব ।

৬৭। সেই সমিতিৰ বিচাৰ মতে হ'ব লগা নিয়মৰ সাল সলনিবোৰ কাৰ্য্য নিৰ্ব্বাহক সভাৰ যোগেদি পৰৱৰ্ত্তী বিষয় বাছনি সভাত উপস্থাপিত হ'ব লাগিব



আৰু তাত গৃহীত সংশোধনীৰ প্ৰস্তাৱসমূহ মুকলি সন্মিলনত উত্থাপিত হ'ব পাৰিব । নিয়মাৱলী সংশোধন কৰিবলৈ বিষয় বাছনি সমিতিৰ উপস্থিত সভাৰ শতকৰা ষাঠীজনৰ সমৰ্থন লাগিব ।

৬৮। নিয়ম সলনিৰ কোনো প্ৰস্তাৱ মুকলি সন্মিলনত গৃহীত হলেই নিয়মৰূপে বলবৎ হ'ব ।

৭১। 'নবছৰালে পাৰিব'ৰ ঠাইত 'বিকুইজিশ্যন' দিয়াসকলে সভাৰ থাই কাৰ্য্যালয়ত অন্ততঃ দহ দিনৰ আগতে সভাপতি, সম্পাদক আৰু সভ্যসকললৈ লিখিত জাননী দি সভা বহুৱাব পাৰিব ।

৭২। কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ সভ্যসকলে সভাৰ কামত ভ্ৰমণ কৰিলে ১½ × ২ নিৰিখে ৰেলৰ হলে দ্বিতীয় শ্ৰেণীৰ আৰু বাচৰ হলে ওপৰ শ্ৰেণীৰ ভ্ৰমণ মাচল আৰু কামত থকা কালত দৈনিক থকা খৰচ ৪৲ (চাৰি টকা) হাৰে পাব ।

গৃহীত

স্বাঃ—শ্ৰীপদ্মধৰ চলিহা

সভাপতি

২২।৪।৫৮

## কাৰ্য্য-নিৰ্ব্বাহক সভাৰ ১ম অধিৱেশন—

তিনিচুকীয়াত বহা ২৬শ অধিবেশনত নিৰ্ব্বাচিত হোৱা কাঃ নিঃ সভাৰ প্ৰথম অধিবেশন ।

২২।৪।৫৮ ।

স্থান—প্ৰতিনিধিসকলৰ বাহৰ ।

২২।৪।৫৮ তাং পুৱা ৮ বজাত নতুন কাৰ্য্য নিৰ্ব্বাহক সভাৰ এক অধিবেশন বহে । সভাত তলত নাম দিয়া সভ্যসকল উপস্থিত আছিল ।

শ্ৰীবেণুধৰ শৰ্ম্মা
শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা
শ্ৰীনিৰ্ম্মল প্ৰভা বৰদলৈ
শ্ৰীবিশ্বনাথ ৰাজবংশী
শ্ৰীমিত্ৰদেৱ মহন্ত
শ্ৰীলীলা গগৈ
শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা
শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী
শ্ৰীব্ৰজেন চন্দ্ৰ বৰপূজাৰী
শ্ৰীভবানন্দ ৰাজখোৱা
শ্ৰীজগত চন্দ্ৰ শৰ্ম্মা
শ্ৰীঅনন্ত কুমাৰ দাস
শ্ৰীপৰাগ ধৰ চলিহা
শ্ৰীপদ্মধৰ চলিহা
শ্ৰীযোগেন্দ্ৰ নাথ শৰ্ম্মা

শ্ৰীযুত পদ্মধৰ চলিহা ডাঙৰীয়াই আসন গ্ৰহণ কৰাৰ পিছত সম্পাদক শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱাই নতুনকৈ নিৰ্ব্বাচিত হোৱা সভ্যসকলৰ পৰস্পৰ চিনাকি দি সকলোকে সম্ভাষণ জনায় ।

ইয়াৰ পিছত পুৰণি সম্পাদকে নতুন সম্পাদকক কাৰ্য্যভাৰ দিয়াৰ বিষয় আলোচনা কৰি ৩১।৫।৫৮ তাৰিখৰ ভিতৰতে কাৰ্য্যভাৰ দিয়া স্থিৰ কৰে ।

প্ৰধান সম্পাদকে এটি চমু বিবৃতিৰে সকলো কাৰ্য্য নিৰ্ব্বাহক সভাৰ সভ্যক অসম সাহিত্য সভাৰ সকলো ৰকমৰ উন্নতিৰ অৰ্থে গঠনমূলক কাম কৰাত যত্নপৰ হবলৈ অনুৰোধ কৰে ।

প্ৰস্তাৱ আদিৰ যথোচিত ব্যৱস্থা কৰিবৰ নিমিত্তে নতুন সম্পাদকক ভাৰ দিয়া হয় ।

সভাপতি মহোদয়ে পুথি প্ৰকাশ, প্ৰচাৰ আৰু সাহিত্য সভা পত্ৰিকাখনি মাহেকীয়াকৈ প্ৰকাশ কৰাৰ আৱশ্যকতাৰ বিষয়ে কয় । তেখেতে শাখা সভাবিলাকক যাতে সুস্থ আৰু কাৰ্য্যকৰী হয় তাৰ নিমিত্তে উপযুক্ত যত্ন লবলৈ কাৰ্য্য নিৰ্ব্বাহক সভাৰ সভ্যসকলক অনুৰোধ কৰে ।

সেই সভাত দৰ্শকৰূপে উপস্থিত থকা ডাক্তৰ শ্ৰীকণক চন্দ্ৰ শৰ্ম্মা জি, বি, ডি, চি ডাঙৰীয়াই আজীৱন সভ্য হবলৈ মুকলি সভাত প্ৰতিশ্ৰুতি দিয়া অনুযায়ী বাকী ৫১ (একাৱন) টকা আদায় কৰে ।

সেইদৰে দৰ্শক শ্ৰীকৃষ্ণনাথ বেজবৰুৱা ডাঙৰীয়ায়ো আজীৱন সভ্যৰ কাৰণে ১০৲ (দহ) টকা আগ বঢ়াই

বাকী ৯০৲ (নব্বৈ) টকা সোনকালে পঠাই দিবলৈ প্ৰতিশ্ৰুতি দিয়ে।

তিনিচুকীয়া। শ্ৰীপদ্মধৰ চলিহা
২২।৪।৫৮ সভাপতি

## কাৰ্য্য-নিৰ্ব্বাহক সভাৰ দ্বিতীয় অধিৱেশন ঃ

২৭।৭।৫৮ তাং যোৰহাট চন্দ্ৰকান্ত সন্দিকৈ হলত কাৰ্য্য নিৰ্ব্বাহক সভাৰ, চলিত বছৰৰ ২য় অধিবেশন বহে। শ্ৰীযুত পদ্মধৰ চলিহাই সভাপতিৰ আসন গ্ৰহণ কৰে।

২। উপস্থিত সভ্যসকল—(শ্ৰী) পদ্মধৰ চলিহা, বেণুধৰ শৰ্ম্মা, মিত্ৰদেৱ মহন্ত, নকুল চন্দ্ৰ ভূঞা, বিশ্ব-নাৰায়ণ শাস্ত্ৰী, বিশ্বনাথ ৰাজবংশী, চৈয়দ আব্দুল মালিক, পৰাগ চলিহা, যতীন্দ্ৰ নাথ গোস্বামী, ব্ৰজেন্দ্ৰ বৰপূজাৰী, অনন্ত কুমাৰ দাস, লীলা গগৈ, বিনন্দ বৰুৱা, প্ৰফুল্ল বৰুৱা, ভৱানন্দ ৰাজখোৱা, যোগেন্দ্ৰ শৰ্ম্মা।

৩। সভাপতি আৰু সম্পাদকে সভ্যসকলক সভাৰ বিষয়ে যাবচেবেক কোৱাৰ পিচত যোৱা অধিবেশনৰ কাৰ্য্যবিৱৰণ পাঠ কৰা হয়। ইয়াৰ পিচত তিনিচুকীয়া অধিবেশনত গৃহীত প্ৰস্তাৱবোৰ কাৰ্য্যকৰী কৰিবৰ নিমিত্তে যথাযথ ব্যৱস্থা লোৱা হয়। গোটাচেবেক বিষয়ত একোখনি উপ-সমিতি পতা হয়।

৪। বিশ্বকোষ প্ৰণয়নৰ আঁচনি সমিতি—শ্ৰী(সকল) বিশ্বনাৰায়ণ শাস্ত্ৰী, চৈয়দ আব্দুল মালিক আৰু যতীন্দ্ৰ নাথ গোস্বামী।

৫। প্ৰাচীন কীৰ্ত্তি ৰক্ষণা-বেক্ষণ আৰু খনন কাৰ্য্যৰ নিমিত্তে বিবৰণীমূলক আঁচনি দিবলৈ কৰা সমিতি—শ্ৰী(সকল) বেণুধৰ শৰ্ম্মা, লীলা গগৈ, বিশ্ব-নাৰায়ণ শাস্ত্ৰী।

৬। অসমৰ বিভিন্ন ঠাইৰ দৌল, দেৱালয় আদিৰ পুস্তিকা প্ৰণয়ন সমিতি—শ্ৰী(সকল) মিত্ৰদেৱ মহন্ত, চৈয়দ আব্দুল মালিক, লীলা গগৈ, বিশ্বনাৰায়ণ শাস্ত্ৰী, ভৱানন্দ ৰাজখোৱা, অনন্ত কুমাৰ দাস।

৭। অসমীয়া ভাষা সাহিত্য প্ৰচাৰ আৰু প্ৰসাৰৰ নিমিত্তে প্ৰতি বছৰে ৯ চেপ্টেম্বৰ দিনটিকে থিৰ কৰা হয়। সেই দিনা সাহিত্য সভাৰ পুস্তক বিক্ৰী কৰি সভা-সমিতি আদিৰে সেই দিন পালন কৰা হ'ব।

৮। তলত নাম দিয়া কিতাপবিলাক যুগুত আৰু প্ৰকাশ কৰিবৰ নিমিত্তে ৰাজ্যিক চৰ্কাৰৰ পৰা আৱশ্যকীয় অনুদান বিচাৰিবলৈ থিৰ কৰা হয়—(১) বিশ্বকোষ, (২) ৰাজখোৱাৰ খণ্ডবাক্য কোষ, (৩) বেজবৰুৱাৰ প্ৰবন্ধাৱলী, (৪) অসম গৌৰৱ, (৫) দৌল দেৱালয়ৰ বিবৰণ, (৬) কামিনী কান্তৰ উপন্যাস, (৭) তুলসীদাসৰ অসমীয়া ৰামায়ণ, (৮) খাচীয়াৰ ইতিবৃত্ত আদি।

৯। নগাওঁত পাতিব খোজা আগন্তুক সাহিত্য সন্মিলন ডিচেম্বৰতে পাতিবলৈ অনুৰোধ কৰা হয়; আৰু সভাৰ সভ্যভৰ্ত্তিৰ শেষ দিন ৩০।৯।৫৮ তাং থিৰ কৰা হয়।

১০। কাছাৰ সাহায্য পুঁজি এটি পৃথকভাৱে স্থাপন কৰিবলৈ থিৰ কৰা হয় আৰু কাছাৰৰ বিষয়ে ইতিমধ্যে সম্পাদকে যি পাৰে কৰিবলৈ সাত নৈ বাকী আলোচনা পৰৱৰ্ত্তী অধিবেশনলৈ থয়।

১১। চলিত বছৰৰ আয় ব্যয়ৰ আঁচনি এখন গ্ৰহণ কৰি, অসমৰ কেবা ঠাইতো থকা সভাৰ পুঁজি-বিলাক দুঠাইত বা এঠাইত লবলৈ চেষ্টা কৰিবৰ নিমিত্তে সম্পাদকক ভাৰ দিয়ে।

সভাই দিবলগীয়া আৰু পাবলগীয়া ধনৰ বিষয়ে আলোচনা কৰি উপযুক্ত ব্যৱস্থা লবলৈ থিৰ কৰা হয়।

স্বাঃ—শ্ৰীপদ্মধৰ চলিহা স্বাঃ—শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা
সভাপতি। প্ৰধান সম্পাদক।

# পুথি পৰিচয়

(১) শিখা (নাটক) : লেখক—শ্ৰীসত্যপ্ৰসাদ বৰুৱা। প্ৰকাশক—পদ্ম প্ৰকাশ, উজান বজাৰ, গুৱাহাটী। মূল্য—২৲ (দুটকা), ১৯৫৭।

(২) জ্যোতিৰেখা (নাটক) : লেখক—শ্ৰীসত্যপ্ৰসাদ বৰুৱা। প্ৰকাশক—পদ্ম প্ৰকাশ, উজান বজাৰ, গুৱাহাটী মূল্য—১ ০, ১৯৫৮।

(৩) চুটি নাট সঙ্কলন : লেখক—শ্ৰীসত্যপ্ৰসাদ বৰুৱা। প্ৰকাশক—পদ্ম প্ৰকাশ, উজান বজাৰ, গুৱাহাটী। মূল্য—২৲ টকা, ১৯৫৭।

(৪) অনাগত (উপন্যাস) : লেখক—শ্ৰীসত্যপ্ৰসাদ বৰুৱা। প্ৰকাশক—পদ্ম প্ৰকাশ, উজান বজাৰ, গুৱাহাটী। মূল্য—১॥০।

(৫) শক্তি তত্ত্ব : লেখক—শ্ৰীচক্ৰেশ্বৰ ভট্টাচাৰ্য্য, ব্যাকৰণতীৰ্থ, দলৈ। প্ৰকাশক—শ্ৰীৰমেশ চন্দ্ৰ ভট্টাচাৰ্য্য, বি-এ, উগ্ৰতাৰা, উজান বজাৰ।
মূল্য—২॥০ টকা।

উদীয়মান নাট্যকাৰ শ্ৰীসত্যপ্ৰসাদ বৰুৱাৰ 'শিখা' এখনি চাৰিটা অঙ্কৰ সামাজিক নাটক। নাটখনৰ শেষ পৰিণতি এক প্ৰকাৰ দুখান্তকৰূপে দেখুৱা হৈছে। নাটখনৰ উদ্দেশ্য হ'ল শিখা আৰু প্ৰদীপৰ প্ৰণয়ো গতানুগতিকভাৱে বিবাহত পৰিসমাপ্তি নহৈ কেনেকৈ আদৰ্শৰ পথ বাছি লব লগাত পৰিল তাক দেখুৱা। মানুহৰ যৌন প্ৰেমে যেতিয়া দুৰাতিক্ৰম্য বাধা পায় তেতিয়া সেই প্ৰেমে আপোনা-আপুনি যৌন-প্ৰশান্তিৰ ( Sex sublimation ) উপায় স্বৰূপে একোটা আদৰ্শক অনুসৰণ কৰে। প্ৰদীপ আৰু শিখাৰ প্ৰেমেও sex sublimation ৰ পথকেই শেহান্তৰত গ্ৰহণ কৰিব লগা হৈছে। নাটৰ কথা বস্তু চমুকৈ এই—প্ৰদীপ বৰুৱা প্ৰতাপ চলিহাৰ যৌৱনৰ উদ্‌ভ্ৰান্ত প্ৰেমৰ ফল স্বৰূপ অবৈধ সন্তান। কিন্তু সমাজত তেওঁ ৺বিজয় বৰুৱাৰ সন্তান বুলিয়েই পৰিচিত। প্ৰতাপ চলিহাৰ বাদে সেই কথা কোনেও নাজানে। কালৰ চকৰিত ইতিমধ্যে ২২ বছৰ ঘূৰিল। প্ৰতাপ চলিহা এতিয়া প্ৰৌঢ়। তেওঁৰ একেটি মাত্ৰ কন্যা শিখা। প্ৰদীপ আৰু শিখাৰো ইতিমধ্যে পৰিচয় ঘটি ক্ৰমে পৰস্পৰে ভাল পাবলৈ ধৰে আৰু বিবাহ সূত্ৰত আৱদ্ধ হবলৈকো সংকল্প কৰে। প্ৰদীপৰ বন্ধু অমৰ আৰু তেওঁৰ দেউতাকে এই বিষয়ত সিহঁতক সহায় কৰে। কিন্তু বাধা সৃষ্টি হ'ল দুটা ফালৰ পৰা। শিখাৰ দেউতাক প্ৰতাপ চলিহা সিহঁতৰ মিলনত প্ৰধান অন্তৰায় স্বৰূপে থিয় দিলে। নিজৰ অতীত কলঙ্কৰ কাহিনী প্ৰকাশ কৰিবলৈ স্বাভাৱিকতে টান পাই আদৰ্শৰ দোহাই দি তেওঁ বিয়াত বাধা দিয়ে। দ্বিতীয় বাধা আহি পৰে প্ৰদীপৰ প্ৰতিদ্বন্দ্বী আৰু শিখাৰ প্ৰণয়াকাংক্ষী দেৱব্ৰতৰ পৰা। দেৱব্ৰতে শিখাৰ ওচৰত প্ৰণয় নিবেদন কৰি ব্যৰ্থ হৈ ষড়যন্ত্ৰ কৰি প্ৰদীপক শিখাৰ পৰা আঁতৰাই নিয়ে। প্ৰদীপে শিখাৰ প্ৰেমত সন্দেহ কৰি অভিমান কৰি আঁতৰি যায়। কিন্তু বন্ধু অমৰ আৰু উমেশৰ যত্নত দেৱব্ৰতৰ ষড়যন্ত্ৰ প্ৰকাশ পায়। গতিকে এই বাধা সাময়িক; প্ৰকৃত বাধা সৃষ্টি হয় প্ৰতাপ চলিহাৰ পৰা, কাৰণ জানিশুনি তেওঁৰ নিজৰ সন্তান দুটাক বিবাহ সূত্ৰত আৱদ্ধ হবলৈ দিব নোৱাৰে। কিন্তু শিখাৰ মানসিক আৰু শাৰীৰিক দুৰৱস্থাই শেষত তেওঁক সকলো কথা প্ৰকাশ কৰি দিবলৈ বাধ্য কৰিলে। অত্যধিক মানসিক দুশ্চিন্তা আৰু অশান্তিয়ে তেওঁৰ ৰক্তচাপ বৃদ্ধি কৰি মৃত্যু চমু চপায় আনে। মৃত্যুৰ আগ মুহূৰ্ত্তত প্ৰদীপ যে তেওঁৰে সন্তান সেই কথা প্ৰকাশ কৰি যায়। শিখা আৰু প্ৰদীপ পাৰস্পৰিক ভাল পোৱা অটুট ৰাখিও বিবাহৰ পৰা বিৰত থাকে

আৰু প্ৰতাপ চলিহাই নিৰ্দ্দেশ কৰা আদৰ্শৰ পথ অনুসৰণ কৰিবলৈ স্থিৰ কৰে।

নাটখনৰ কথাবস্তুৰ বিকাশ নিৰ্ভৰ কৰিছে দুটা সমান্তৰাল বিৰোধৰ ওপৰত। এটা দেৱব্ৰতৰ ষড়যন্ত্ৰ আৰু আনটো প্ৰতাপ চলিহাৰ বাধা। কিন্তু কথাবস্তুৰ বিকাশ আৰু পৰিণতিত দুটা সামান্য খুঁত আমাৰ চকুত পৰে। প্ৰতাপ চলিহাই শিখা আৰু প্ৰদীপৰ ককাই-ভনীৰ সম্পৰ্কটো প্ৰকাশ কৰি দিয়াৰ আগতে সিহঁতে বিয়া নকৰাবলৈ স্থিৰ কৰা কথাটোৱে শেষ দৃশ্যৰ নাটকীয় আকৰ্ষণ কমাই পেলালে। প্ৰেমিক-প্ৰেমিকাৰ প্ৰণয়ৰ ক্ষেত্ৰত ঈৰ্ষা, মান, অভিমান আৰু সন্দেহ থকাটো স্বাভাৱিক। সিয়ে বিবাহৰ প্ৰতিবন্ধক বুলি দেখুৱাবলৈ গলেও দৰ্শকৰ প্ৰতীতি জন্মাব নোৱাৰে। এই ক্ষেত্ৰত শিখাই দৰ্শোৱা যুক্তি বৰ Convincing নহয়। অৱশ্যে প্ৰতাপ চলিহাৰ বাধাৰ আচল কাৰণ নাট্যকাৰে শেষ পৰ্য্যন্ত প্ৰকাশ নকৰি নাটকীয় Suspense অব্যাহত ৰাখিছে। নাটখনক আমি বিয়োগান্তক বুলি মনে সুখান্তক বুলিম ? প্ৰতাপ চলিহাৰ কাহিনীটো যদি আমি নাটখনৰ প্ৰধান বিষয় বুলি ধৰি লওঁ তেন্তে ই দুখান্তক। আকৌ শিখা আৰু প্ৰতাপৰ প্ৰণয়ৰ কাহিনীটো প্ৰধান বুলি ধৰো তেন্তে ই কোন শাৰীত পৰে ? নাটখনত Tragic বা Comic impression কোনোটোৱেই ভালকৈ পৰিস্ফুট নহ'ল। ই দৰ্শকৰ মনত "আধা আলো-আধা ছাঁ"ৰ খেলিমেলি প্ৰভাৱ ৰাখি যাব।

আধুনিক বাস্তৱপন্থী কলা-কৌশলৰ সুপ্ৰয়োগ নাটখনত ঘটিছে আৰু নাটখনৰ সংলাপো আকৰ্ষণীয় হৈছে। ধূৰ্ত ( Villain ) চৰিত্ৰ হিচাপে দেৱব্ৰতৰ শেষৰ কাৰ্য্যখিনি বৰ স্বাভাৱিক নহল যেন লাগে। প্ৰতাপ চলিহাৰ মানসিক সংঘাত শেষৰ ফালে ভালকৈ পৰিস্ফুট হৈছে। কথাবস্তু ৰচনাত বৰুৱাই কৃতিত্ব প্ৰদৰ্শন কৰিছে।

(২) বিয়াল্লিছৰ গণ আন্দোলনৰ পটভূমিত ৮টা দৃশ্যৰ এই সৰু স্বদেশ প্ৰেমাত্মক নাটখন ৰচনা কৰা হৈছে। নাটখনত পুলিচৰ বিষয়া জ্যোতি বৰুৱাই চাকৰি পৰিত্যাগ কৰি কেনেকৈ গণ আন্দোলনৰ গুৰি ধৰি শেষত শাসকৰ অন্যায় আক্ৰোশৰ ফলত ফাঁচীকাঠত ওলমিব লগা হ'ল, কেনেকৈ অত্যাচাৰী বৃটিছ শাসকবৰ্গই অহিংস জনতাৰ ওপৰত অত্যাচাৰ-উৎপীড়ন চলাইছিল, গাৱঁৰ নিৰীহ প্ৰজাই স্বাধীনতাৰ "কৰিম, নহয় মৰিম" বাণীত উদ্বুদ্ধ হৈ কেনেকৈ বন্দুকৰ সন্মুখীন হৈছিল, স্বাধীনতা আন্দোলনৰ সেই গৌৰৱময় চিত্ৰ নাটখনৰ বিভিন্ন দৃশ্যত অঙ্কণ কৰা হৈছে। স্বাধীনতা আন্দোলনৰ চিত্ৰ দাঙি ধৰাই নাটখনৰ প্ৰধান বিষয়বস্তু, জ্যোতি বৰুৱা আৰু ৰেখাৰ পাৰস্পৰিক সম্পৰ্কটো গৌণ যেন হৈ পৰিছে।

নাটখনৰ কথাবস্তুৰ মৌলিকতা নাই, পৰিস্থিতি ৰচনাত হে লেখকেৰ মৌলিকতা দাবী কৰিব পাৰে। দৰাচলতে কবলৈ গলে কথাবস্তুৰ প্ৰকৃত বিকাশ (Development of plot) নাই, স্বাধীনতা যুঁজৰ বিভিন্ন চিত্ৰৰ সমষ্টি মাত্ৰ। জ্যোতি বৰুৱা আৰু ৰেখাৰ যি আকৰ্ষণৰ সূচনা নাটকত দাঙি ধৰিছে সিও অস্পষ্টভাৱে ৰ'ল।

আন্দোলনৰ চিত্ৰবিলাক সজোৰাত নাট্যকাৰে সফলতা লাভ কৰিছে। প্ৰত্যেকটো চিত্ৰই সজীৱ আৰু বাস্তৱধৰ্ম্মী আৰু ৰঙ্গমঞ্চৰ উপযোগী। চৰিত্ৰ কেইটা কাল্পনিক যদিও তিলক ডেকা, কুশল কোঁৱৰ আদিৰ জীৱনৰ ঘটনাৰ প্ৰভাৱ কিছু প্ৰভাৱ পৰা যেন লাগে। স্বাধীনতা আন্দোলনক ভেটি কৰি ৰচনা কৰা নাটৰ ভিতৰত জ্যোতিৰেখাই বিশেষ স্থান পাব।

(৩) চুটি নাট সংকলন তিনিখন ঐতিহাসিক এক অঙ্কীয়া নাটিকাৰ সমষ্টি। 'আনাৰকলি', 'কুনাল কাঞ্চন' আৰু ৰাণাদিল এই তিনিখন নাটৰ সমল সংগ্ৰহ কৰিছে প্ৰসিদ্ধ বুৰঞ্জীবিদসকলৰ ৰচনাৰ পৰা। প্ৰথমখনত চাহাজাদা চেলিম আৰু সেনাপতি মানসিংহৰ ব্যক্তিগত সংঘৰ্ষৰ বিষময় ফল অনাঘ্ৰাত পুষ্পৰ দৰে পবিত্ৰ আৰু কিশলয়ৰ দৰে কোমল আনাৰে কেনেকৈ ভোগ কৰিব লগা হ'ল তাক চিত্ৰিত কৰিছে। আনাৰৰ সৰলতা, পবিত্ৰতা আৰু কোমলতা, চেলিমৰ দৰদী, ভাৱ-প্ৰৱন আৰু অসংযম চিত্ত, মানসিংহৰ ঈৰ্ষা আৰু



ক্ৰূৰতা, মানবাঈৰ উদাৰতা নাট্যকাৰে কম পৰিসৰৰ ভিতৰতে ফুটাই তুলিবলৈ সক্ষম হৈছে। ৰাণাদিল নাটিকাত আওৰংজিবৰ ভণ্ডামি আৰু কামলুলুপতাৰ পৰা ৰক্ষা কৰিবলৈ চাহজাদা দাৰাৰ অন্যতমা সুন্দৰী পত্নী ৰাণাদিলে নিজকে বিকৃতা আৰু কুৰূপা কৰি পতিপ্ৰেম আৰু তেজস্বীতাৰ পৰিচয় দিছে। নাৰীৰ অতি হেঁপাহৰ বস্তু শাৰীৰিক সৌন্দৰ্য্য, সেই সৌন্দৰ্য্য নিজ হাতে নষ্ট কৰি দিয়াৰ কৰুণ চিত্ৰ নাট্যকাৰে অঙ্কণ কৰিবলৈ সক্ষম হৈছে। কুনাল-কাঞ্চন বৌদ্ধ যুগৰ কাহিনী। তেতিয়াও চণ্ডাশোক প্ৰিয়দৰ্শী অশোকত পৰিণত হোৱা নাই। চণ্ডাশোকৰ প্ৰিয়তমা পত্নী তিষ্যৰক্ষিতা এসময়ৰ প্ৰসিদ্ধ বাৰবণিতা। কুৰূপ অশোকৰ প্ৰেমত সন্তুষ্ট নাথাকি অশোকৰ প্ৰিয় পুত্ৰ ৰূপৱান কুনালৰ ওচৰত তাই প্ৰণয় ভিক্ষা কৰে। কিন্তু তথাগত বুদ্ধৰ অনুসৰণকাৰী কুনালে মাহীমাক তিষ্যৰক্ষিতাক বিমুখ কৰে। ব্যৰ্থকামা তিষ্যৰক্ষিতাই ছল কৰি কুনালক তক্ষশিলালৈ পঠায়। সিমানতো তিষ্যৰক্ষিতাৰ প্ৰতিহিংসাৰ নিবৃত্তি নহল। পুত্ৰমুখদৰ্শনেচ্ছুক অশোকৰ অসুস্থতাৰ সুবিধা লৈ তিষ্যৰক্ষিতাই অশোকৰ নামাঙ্কিত শিলমোহৰ ব্যৱহাৰ কৰি কুনালক নিজহাতে চকু দুটা উঘালি অন্ধ অৱস্থাত ৰাজসভাত উপস্থিত হবলৈ পত্ৰ প্ৰেৰণ কৰে। যথা সময়ত ভগৱান তথাগতৰ নাম লৈ অন্ধ কুনাল ৰাজসভাত উপস্থিত হয়। পুত্ৰ স্নেহাতুৰ অশোকে অন্ধ কুনালক দেখি আচৰিত হয়। কিন্তু কুনালৰ অনুৰোধত তিষ্যৰক্ষিতাক ক্ষমা কৰি পবিত্ৰ বৌদ্ধ ধৰ্ম্মত শৰণ লবলৈ আগবাঢ়ে। কলিঙ্গত তেজৰ সোঁত বোৱাই দিয়া চণ্ডাশোক ধৰ্ম্মাশোকত পৰিণতিৰ এয়ে প্ৰথম স্তৰ। নাটিকাখনত অশোকৰ নিষ্ঠুৰতা আৰু আনহাতে পুত্ৰবৎসলতা, তিষ্যৰক্ষিতাৰ ঈৰ্ষা, প্ৰতিশোধপৰায়ণতা আৰু শেষত অনুতাপ, কুনালৰ সত্যনিষ্ঠা, ক্ষমা আদি গুণ নাট্যকাৰে প্ৰকাশ কৰিবলৈ সক্ষম হৈছে। নাটখনৰ ভাষাৰ সৌষ্ঠৱ আৰু সংলাপৰ আকৰ্ষণীয় গুণ আছে, অৱশ্যে ঠায়ে ঠায়ে অতিনাটকীয় ভাৱপ্ৰৱন নোহোৱাকৈ থকা নাই। দীৰ্ঘাবয়ৱৰ নাট ৰচনাতকৈ চুটি এক অঙ্কীয়া নাট ৰচনাত শ্ৰীবৰুৱাৰ কৃতিত্ব প্ৰকাশ পাইছে। ঐতিহাসিক পৰিৱেশ ৰচনাত কিন্তু নাট্যকাৰৰ বিশেষ চেষ্টা নহল যেন লাগে।

(৪) নাট্যকাৰ বৰুৱাই 'শিখা'ৰ বিষয়বস্তুকে উপন্যাস ৰূপত 'অনাগত' নাম দি প্ৰকাশ কৰিছে। 'শিখা'ৰ কথাবস্তুৰ লগত মাত্ৰ ইমানেই প্ৰভেদ যে ইয়াত প্ৰদীপক প্ৰতাপ বৰুৱাৰ অবৈধ সন্তানৰূপে দেখুৱা নাই। সতিকে শিখাৰ বিবাহত বাধা দিয়াৰ কাৰণটো উপন্যাসত অলপ পৰিৱৰ্ত্তন কৰি দিব লগা হৈছে। দুই এটা নতুন চৰিত্ৰও সংযোগ কৰি দিছে। দেৱব্ৰত চৰিত্ৰৰো কিছু সংস্কাৰ কৰিছে।

(৫) শ্ৰীভট্টাচাৰ্য্যদেৱে এই গ্ৰন্থত শক্তিতত্ত্ব আৰু শক্তিপূজা আৰু বিভিন্ন ঋতুত অনুষ্ঠিত হোৱা পূজা, উৎসৱ, স্নান বিধিৰ আধ্যাত্মিক ব্যাখ্যা আৰু ঐহিক উপযোগীতা সম্পৰ্কে পুৰণি পদপুথিৰ ৰচনাৰীতিত আলোচনা কৰিছে। আমাৰ সমাজত একশ্ৰেণীৰ লোক আছে যি শাক্ত আৰু শক্তিপূজাৰ নামকে শুনিব নোখোজে। ভাৰতীয় ঐতিহ্যই কোনো ধৰ্ম্মকে ঘিণাবলৈ কোৱা নাই। সকলো ধৰ্ম্ম বা উপাসনা প্ৰণালীৰে আদৰ্শ একে। কিন্তু আনৰ ধৰ্ম্মমত নুবুজি বা বুজিবলৈ চেষ্টা নকৰি দূৰতে বিদূৰ কৰিবলৈ যোৱাতো অজ্ঞতাৰ পৰিচায়ক মাথোন। শাক্তধৰ্ম্ম, শক্তি উপাসনা, ছয় ঋতুৰ বিভিন্ন পূজা-উৎসৱ, স্নান, বলি, হোম আদিৰ সৰল আধ্যাত্মিক ব্যাখ্যাই সাম্প্ৰদায়িক মনোমালিন্য দূৰ কৰাত সহায়ক হব বুলি আমাৰ বিশ্বাস। পুথিখনত শক্তি আৰু শক্তিমানৰ (বিষ্ণুৰ) যে প্ৰভেদ নাই সেই কথা দেখুৱাই শক্তিতত্ত্ব আৰু বিষ্ণুতত্ত্বৰ সমন্বয় সাধন কৰিছে। পবিত্ৰ আৰু সুস্থ জীৱন অতিবাহিত কৰিবলৈ নিত্য আৰু নৈমিত্তিক কৰ্ম্মসমূহে কিমানদূৰ আমাক সহায় কৰিব পাৰে সেই কথাও পুথিখনৰ পৰা কিছু জানিব পাৰি। পুথিখনৰ আমি বহল প্ৰচাৰ কামনা কৰোঁ।

—সম্পাদক

# সম্পাদকীয় মন্তব্য

**(১) সাহিত্যিক সম্বৰ্দ্ধনা :** যোৱা ১৫ আগষ্টৰ পুণ্য তিথিত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ তৰফৰ পৰা ১১ জন জীৱিত অসম সাহিত্য সভাৰ সভাপতিক ৰাজহুৱাভাৱে মানপত্ৰ প্ৰদান কৰি সম্বৰ্দ্ধনা জনোৱা হয়। অসম প্ৰদেশ কংগ্ৰেছৰ এই কাৰ্য্য যে সময়োপযোগী আৰু প্ৰশংসনীয় হৈছে সেই বিষয়ে সন্দেহ নাই। যিসকল সাহিত্যিকে নানা প্ৰতিকূল অৱস্থাৰ মাজতো ভাষা-জননীৰ সেৱা কৰি আহিছে, যিসকলে জাতীয় সংস্কৃতিৰ সৌধ নিৰ্ম্মাণ কৰাত দেহে-কেহে আত্ম-নিয়োগ কৰিছে সেইসকলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰাতো ৰাইজ আৰু চৰকাৰৰ পৱিত্ৰ কৰ্ত্তব্য। কংগ্ৰেছৰ এই কাৰ্য্যই অনুষ্ঠানৰ মহানুভৱতা প্ৰকাশ কৰা নাই, গুণগ্ৰাহীতাহে প্ৰকাশ কৰিছে। এই বিষয়ত পথ প্ৰদৰ্শক পশ্চিম বঙ্গ কংগ্ৰেছ কমিটী; অসম কংগ্ৰেছে পশ্চিম বঙ্গ কংগ্ৰেছকেই এই বিষয়ত অনুসৰণ কৰিছে। কিন্তু দুটামান বিষয়ত অলপ আসোঁৱাহ আমাৰ চকুত পৰিছে, তাকেই আমি ইয়াত উল্লেখ নকৰি নোৱাৰিলোঁ।

এঘাৰজন সভাপতিক একেলগে আনি "সোপায়ং নমঃ" নকৰি জ্যেষ্ঠানুক্ৰমে প্ৰত্যেক বছৰে তিনিজনমানকৈ আমন্ত্ৰণ কৰি সম্বৰ্দ্ধনা জনোৱাহেঁতেন বেছি স্বাভাৱিক আৰু মৰ্য্যাদাপূৰ্ণ হ'লহেঁতেন। দ্বিতীয়তে সাহিত্য সভাৰ সভাপতিৰ পদটোকেই নিৰ্ব্বাচনৰ একমাত্ৰ মানদণ্ড স্বৰূপে নললৈ অলপ বহল দৃষ্টিৰে চোৱাহেঁতেন বেছি যুক্তিযুক্ত হ'লহেঁতেন। উদাহৰণ স্বৰূপে আমি মাত্ৰ দুই এজনক আঙুলিয়াই দিব খোজো। শ্ৰীৰাধানাথ ফুকন, শ্ৰীদেৱানন্দ ভৰালী শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা শ্ৰীৰত্নকান্ত বৰকাকতী আদিৰ অৱদান সাহিত্য সভাৰ সভাপতিসকলতকৈ কম নহয়। তেখেতসকলকো দুই এজনক সম্বৰ্দ্ধনা জনোৱাহেঁতেন কোনেও আপত্তি নকৰিলেহেঁতেন। তৃতীয়তে কেৱল সাহিত্যৰ ক্ষেত্ৰৰ পৰাই নাবাছি কলা-সংস্কৃতিৰ আন আন ক্ষেত্ৰৰ পৰাও দুই এজনক সম্বৰ্দ্ধনা জনোৱা হলে ভাল হ'লহেঁতেন।

**(২) চৰকাৰী প্ৰকাশন সমিতি :** অসম চৰকাৰে এখন পুথি প্ৰকাশন ব'ৰ্ড স্থাপন কৰিবলৈ দিহা কৰা দেখি আমি সন্তোষ পাইছো। এই ব'ৰ্ডৰ সদস্যৰূপে ইতিমধ্যে চৰকাৰে ভালেকেইজন সাহিত্যিক আৰু শিক্ষাবিদক মনোনীত কৰিছে আৰু অলপতে ব'ৰ্ড চলাবৰ কাৰণে এজন বিশেষ বিষয়াকো নিযুক্ত কৰিব বুলি শুনিছো। আমি আশা কৰোঁ চৰকাৰে উক্ত বিষয়া নিযুক্তিত দলীয় স্বাৰ্থ বা অবাঞ্ছিত প্ৰভাৱৰ বশৱৰ্ত্তী নহৈ উপযুক্ত লোক নিয়োগ কৰিব।

উক্ত প্ৰকাশন সমিতি বা ব'ৰ্ডে কি কি কাম হাতত লব সেই বিষয়ে আমি সঠিক একো নেজানো। আমাৰ বোধেৰে ব'ৰ্ডে দুই ধৰণৰ পুথি প্ৰকাশৰ দিহা কৰিব লাগিব। আমাৰ বহুত লেখকৰে উপযুক্ত পুথি পইচাৰ অভাৱত বা প্ৰকাশকৰ অভাৱত হাতে-লিখা অৱস্থাতে ভেকুৰা লাগিছে; বহুতো পুৰণি পুথি নষ্ট হব ধৰিছে। ব'ৰ্ডে তেনে হাতে-লিখা অৱস্থাত থকা অপ্ৰকাশিত পুথি উপযুক্ততা বিচাৰ কৰি প্ৰকাশৰ দিহা কৰিব লাগিব। দ্বিতীয়তে আমাৰ সাহিত্যৰ কলেবৰ আৰু সৌষ্ঠৱ বঢ়াবৰ কাৰণে বিদেশী গ্ৰন্থ অনুবাদ কৰাই প্ৰকাশৰ ব্যৱস্থা কৰিব লাগিব। বিশ্ব-সাহিত্যৰ শ্ৰেষ্ঠ পুথিসমূহ অসমীয়ালৈ অনুবাদ কৰাৰ ব্যৱস্থা কৰিব লাগিব।

কি কি আৰু কেনেকুৱা গ্ৰন্থ অনুবাদ কৰাব লাগিব



সেই বিষয়ে বিবেচনা কৰোতে ব'ৰ্ডে দুটা কথা মনত ৰাখি কাম কৰিলে ভাল হয়—(১) ভবিষ্যতে বিশ্ব-বিদ্যালয়ৰ শিক্ষাৰ মাধ্যম মাতৃ-ভাষা হলে যাতে উপযুক্ত পুথিৰ অভাৱ নহয় তালৈ চকু ৰখা, (২) বৰ্ত্তমান অসমীয়া সাহিত্যৰ ভঁৰাল যি যি বিষয়ত দুখীয়া সেই সেই বিষয়ৰ পুথি প্ৰণয়ন কৰা। আমাৰ ভাষা-সাহিত্যত দাৰ্শনিক আৰু বিজ্ঞানৰ পুথিৰ বিশেষ অভাৱ। এই দুবিধ সাহিত্যৰ অভাৱ পূৰণ কৰিবলৈ ব'ৰ্ডে দৃষ্টি ৰখা উচিত হব। আমি অতি শীঘ্ৰে ব'ৰ্ডৰ কাৰ্য্যপন্থা দেখিবলৈ পালে সুখী হম।

**(৩) মহাভাৰত অনুবাদৰ দিহা :** মহাভাৰত ভাৰতৰ জাতীয় মহাকাব্য ( national epic )। প্ৰাচীন ভাৰতৰ ইতিহাস, সংস্কৃতি, ধৰ্ম্ম, সম্প্ৰদায়, আচাৰ-নীতি, ৰাজনীতি, দাৰ্শনিক মতবাদ আৰু কাব্যিক সৌন্দৰ্য্য একেলগে এই বিৰাট সংস্কৃত মহাকাব্যত পোৱা যায়। ভাৰতৰ বিভিন্ন প্ৰান্তীয় ভাষাত এই গ্ৰন্থৰ আধুনিক অনুবাদৰ দিহা কৰিছে, আনকি এই বিৰাট জ্ঞান-ভাণ্ডাৰৰ স্বচ্ছদেশীয় সংস্কৰণ উলিয়াবলৈ আয়োজন কৰিছে। আমাৰ দেশত ৰামসৰস্বতীকে প্ৰমুখ্য কৰি বৈষ্ণৱ কবিসকলে ষোড়শ শতাব্দীত বৈষ্ণৱ সংস্কৰণ ৰচনা কৰি গৈছে। এই মধ্যযুগীয় সংস্কৰণ অনেক বিষয়ত আদৰ্শনীয় আৰু প্ৰশংসনীয়, কিন্তু উক্ত অনুবাদ মূল সংস্কৃত মহাভাৰতৰ পূৰ্ণ প্ৰতিৰূপ নহয়। বৈষ্ণৱ কবিয়ে অনেক ক্ষেত্ৰত মূলৰ কথা চমু কৰিছে, অনেক বিৱৰণ, কাহিনী আৰু আলোচনা বাদ দিছে আৰু অনেক ঠাইত নিজা কথাও সুমুৱাই দিছে। তাৰ উপৰিও, উক্ত অনুবাদ সাধাৰণ স্বল্পাক্ষৰী সাৰ্ব্বলীয়া ৰাইজক উদ্দেশ্য কৰি যুগুত কৰা হৈছিল। আধুনিক পাঠকৰ ৰুচিৰ অনুকূল নোহোৱাত আধুনিক গদ্যত মূল মহাভাৰতৰ এটা যথাৰ্থ অনুবাদ প্ৰয়োজন হৈছে। বৰ্ত্তমান শিক্ষামন্ত্ৰী বিত্তমন্ত্ৰী হৈ থাকোঁতেই মহাভাৰত অনুবাদ আঁচনিৰ প্ৰতি উৎসাহ প্ৰদৰ্শন কৰি প্ৰয়োজনীয় টকাৰে সহায় কৰিবলৈ সাত লয়। মন্ত্ৰী ডাঙৰীয়াৰ আশ্বাসকেই আশ্ৰয় কৰি বিশ্ববিদ্যালয়ৰ কৰ্ণধাৰ ডাঃ সূৰ্য্যকুমাৰ ভূঞাদেৱৰ সভাপতিত্বত আৰু কলা বিভাগ-সমূহৰ মুৰব্বী ডাঃ বিৰিঞ্চিকুমাৰ বৰুৱাৰ চেষ্টাত পণ্ডিতমণ্ডলীৰ এখন সভা বহি অনুবাদৰ দিহা-পৰামৰ্শ গ্ৰহণ কৰা হয়। ইতিমধ্যে মন্ত্ৰীমণ্ডলীৰ বিষয়বাব অদলবদল হোৱাত প্ৰয়োজনীয় টকা বিশ্ববিদ্যালয়ৰ হাতত নপৰাত অনুবাদ কাৰ্য্যত হাতে-কামে লাগিব পৰা নাই। আশাকৰো বৰ্ত্তমান বিত্তমন্ত্ৰীদপ্তৰে এই টকা সোনকালে বিশ্ববিদ্যালয়ৰ হাতত পৰাৰ দিহা কৰিব।

**(৪) অসমৰ বিপদ :** বৰ্ত্তমান বছৰটো অসম তথা অসমীয়াৰ পক্ষে বৰ সংকটপূৰ্ণ। বহিবিপদ আৰু আভ্যন্তৰিণ বিপদ দুয়োফালে অসম চৰকাৰ আৰু অসমীয়া ৰাইজে সজাগ দৃষ্টি ৰাখিব লগীয়া অৱস্থাৰ সৃষ্টি হৈছে। নগা সমস্যা এতিয়াও সমাধান নোহোৱাত নগাপাহাৰৰ সমীপৱৰ্ত্তী ঠাইবোৰৰ মানুহে সততে সন্ত্ৰস্ত অৱস্থাত থাকিব লগা হৈছে। আনফালে আকৌ পূৰ্ব্ববঙ্গৰ আশ্ৰয়প্ৰাৰ্থীৰ অবাধ সোঁতে অসমৰ অৰ্থনৈতিক জীৱন বিপন্ন কৰি তোলাৰ সম্ভাৱনাই দেখা দিছে। বঙ্গ ভাষাভাষীৰ অবাধ আগমনে অসমীয়া ভাষাৰ পক্ষেও বিপদজনক। এনে অবাধ সোঁত চলি থাকিবলৈ দিলে অদূৰ ভবিষ্যতত অসমীয়াই সংখ্যা গৰিষ্ঠতা হেৰুৱাই ঘৰতে আলহী হব লাগিব। অসম চৰকাৰে আশ্ৰয়প্ৰাৰ্থীৰ পিয়ল কৰাই প্ৰকৃত সংখ্যা নিৰ্দ্ধাৰণ কৰি আশ্ৰয়প্ৰাৰ্থীৰ নামত অহা পূৰ্ব্ববঙ্গ নিবাসীৰ অবাধ আগমন বন্ধ কৰা উচিত। কোনো কোনো ঠাইত পাকিস্তানৰ গুপ্তচৰে মৈমনচিঙীয়া পমুৱাৰ মাজত সোমাই দেশদ্ৰোহীতাৰ বীজ সিচি ফুৰিছে। অলপতে লোকসভাত এই বিষয়ে প্ৰশ্নও উঠিছিল। পাকিস্তানৰ সীমান্তত থকা দুই এখন ভাৰতীয় সাৰ্ব্বৰ সংখ্যালঘু সম্প্ৰদায়ৰ পাকিস্তানপ্ৰীতিও অসমৰ পক্ষে বিপদজনক হৈ উঠিছে। এইবোৰৰ উপৰিও পাকিস্তানৰ উস্কণি আছেই। ভাৰত আৰু অসমৰ চৰকাৰে অসমৰ সংহতি, স্বাতন্ত্ৰ্য আৰু নিৰাপত্তা যাতে অটুট থাকে তাৰ উদ্দেশ্যে দৃঢ় নীতি অৱলম্বন কৰা উচিত। অসম চৰকাৰে অসমীয়াৰ স্বাৰ্থ যাতে ক্ষুণ্ণ নহয় সেইফালে সততে দৃষ্টি ৰাখিবলৈ আমি অনুৰোধ জনালোঁ।

# পৰিশিষ্ট

তলত দিয়া সভাৰ 'বজেট' আৰু শাখা সভা আদিৰ বিৱৰণ পলমকৈ পোৱাত পৰিশিষ্ট আকাৰে ছপা কৰি দিব লগা হ'ল। পাঠকে এইবিলাক বিৱৰণ 'সাহিত্য সভাৰ বাহিৰে-ভিতৰে' শীৰ্ষক বিষয়ৰ অন্তৰ্গত বুলি বুলি আশা আশা কৰিলো।

সম্পাদক

## চলিত বছৰৰ কাৰণে তলত দিয়া 'বজেট' গ্ৰহন কৰা হয়

### জমা

| | |
|---|---|
| যোৱা বছৰৰ হাতে জমা— | টি, ১৩৫০'২৫ ন প |
| ইউনাইটেড বেঙ্ক অব্ ইণ্ডিয়া | ১৯'৪৭ ,, ,, |
| এপেক্স বেঙ্ক, শিৱসাগৰ— | ৩৭৫'৮৬ ,, ,, |
| যোৰহাট ডাকঘৰ— | ২২৭'৬২ ,, ,, |
| গুৱাহাটী ডাকঘৰ— | ৩০০৲ |
| চৰকাৰী অনুদান— | ৬০০০৲ |
| কাছাৰ পুঁজিলৈ দান— | |
| শ্ৰীযুত নীলকান্ত বৰুৱাৰ— (মাহে ৫৲ হি:) | ৬০৲ |
| শ্ৰীযুত অনন্ত ৰাম দাসৰ— | ১০০৲ |
| শাখা সভাৰ বৰঙণি— | ২০০০৲ |
| পত্ৰিকাৰ বৰঙণি— | ১০০০৲ |
| সুত আদি— | ১০০৲ |
| পুথি বিক্ৰী— | ৫০০৲ |
| ঘৰভাৰা— | ১২০০৲ |

### ওপৰঞ্চি জমা

| | | |
|---|---|---|
| ১। | আজীৱন সভাৰ পুঁজি— | |
| | (ক) ষ্টেট বেঙ্ক অব্ ইণ্ডিয়া— শিলং | ৫০০০'৬২ ন:প: |
| | (খ) নে: চেভিংচ চাৰ্টিফিকেট— | ৫০০০৲ |
| | গুৱাহাটী বেঙ্ক— | ১০৬৪'৫০ ,, ,, |
| | (ঘ) গুৱাহাটী বেঙ্ক | ১০২'১৯ ,, ,, |
| | (ঙ) গুৱাহাটী বেঙ্ক— | ৫১'৫৩ ,, ,, |
| ২। | নবদেৱ ন্যাস পুঁজি— | |
| | (ক) ষ্টেট বেঙ্ক অব্ ইণ্ডিয়া— ডিব্ৰুগড় | ৫০০০৲ |
| | (খ) যোৰহাট ডাকঘৰ (সুত)— | ৫৭০'৪৪ ন:প: |
| ৩। | কমলা দেৱী ন্যাস পুঁজি— | |
| | (ক) এপেক্স বেঙ্ক, যোৰহাট— | ২০০০৲ |
| | (খ) যোৰহাট, ডাকঘৰ (সুত) | ১১৬০'৫৫ ন:প: |
| ৪। | চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ন্যাস পুঁজি— | ১৫৫০৲ |

### খৰচ

| | | |
|---|---|---|
| ১। | প্ৰধান কাৰ্য্যালয় যোৰহাট— | |
| | (ক) কেৰেণী (মাহে ৫০৲) | ৬০০৲ |
| | (খ) চকিদাৰ (মাহে ৫০৲) | ৬০০৲ |
| | (গ) মাটিৰ খাজনা | ৫৮'২৫ ন:প: |
| | (ঘ) মিউনিচিপেল টেক্স— (তিনি মাহত ১১'৫০ হি:) | ৪৬৲ |
| | (ঙ) ফুলনি— | ৬০৲ |
| | (চ) বিজুলী চাকি— | ১০০৲ |
| | (ছ) টেলিফোন— | ২৮৮৲ |
| ২। | পুথিভঁড়াল— | ২০০৲ |
| ৩। | সাধাৰণ ছপা খৰচ | ৬০০৲ |
| ৪। | কাৰ্য্যালয়ৰ খৰচ— | ৬০০৲ |
| ৫। | ভ্ৰমন বানচ— | ২০০০৲ |
| ৬। | সংগঠন প্ৰচাৰ— | ১০০০৲ |
| ৭। | পত্ৰিকা প্ৰকাশ— | ৩০০০৲ |
| ৮। | পুথি প্ৰকাশ— | ১০০০৲ |
| ৯। | কাছাৰ জিলাৰ সাহায্য পুঁজি— | ১০০৲ |



| | | |
|---|---|---|
| ১০। | গোৱালপাৰালৈ সাহায্য— | ১০০৲ |
| ১১। | ৰাধাকান্ত সমিতিৰ স্মৃতি সমিতিলৈ দান— | ১২০০৲ |
| ১২। | ৰাধা সন্দিকৈ স্মৃতি দিবস পালন— | ২৫৲ |
| ১৩। | আকস্মিক ব্যয়— | ৪০০৲ |

## এতিয়ালৈকে নতুন বছৰত হোৱা আজীৱন সভ্যসকল

শ্ৰীযুত মহেন্দ্ৰ মোহন চৌধুৰী, এম, এল, এ—গুৱাহাটী
শ্ৰীযুত ৰাধাগোবিন্দ বৰুৱা—গুৱাহাটী
শ্ৰীযুত নাৰায়ণ চন্দ্ৰ বৰুৱা—গুৱাহাটী
শ্ৰীযুত টঙ্কেশ্বৰ শৰ্ম্মা বৰুৱা—তিনিচুকীয়া
শ্ৰীযুতা চাৰুবালা দাস—তেজপুৰ
শ্ৰীযুত কালীপ্ৰসাদ চন্দ বি, এল—শিৱসাগৰ

## গুৱাহাটী সাহিত্য সভা

১০।১১ জুলাইত গুৱাহাটী সাহিত্য সভাৰ প্ৰথম বছেৰেকীয়া অধিবেশন অধ্যাপক শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকাদেৱৰ সভাপতিত্বত বহে। অধ্যাপক হুমায়ুন কবিৰে সভাৰ উদ্বোধন কাৰ্য্য সমাধা কৰে। সভাত গৃহীত হোৱা প্ৰস্তাৱবিলাকৰ ভিতৰত গুৱাহাটীত সাহিত্য সভাৰ এটি স্থায়ী ঘৰ সজা আৰু অসমীয়াক অসমৰ ৰাজ্যিক ভাষাৰূপে ঘোষণা কৰিবলৈ চৰ্কাৰক অনুৰোধ কৰা আদিয়েই প্ৰধান।

## আন আন সাহিত্য সভা

টীয়ক সাহিত্য সভাৰ বছেৰেকীয়া অধিবেশন ৩ আগষ্টত শ্ৰীনকুল চন্দ্ৰ ভঞা দেৱৰ সভাপতিত্বত বহে। শ্ৰীযুত মিত্ৰদেৱ মহন্তদেৱে সভা উদ্বোধন কৰে। শ্ৰীযুত পদ্মধৰ চলিহা আদিয়ে সময়োচিত একোটি বক্তৃতা দিয়ে। এই সভাতে স্থানীয় সাহিত্যিক আৰু শিক্ষাবিদ শ্ৰীযুত লক্ষেশ্বৰ শৰ্ম্মা বৰুৱা আৰু শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱাক সম্বৰ্দ্ধনা জনোৱা হয়।

ইয়াৰ বাহিৰে ৰংপুৰ সাহিত্য সভা শ্ৰীযুত বিনন্দ চন্দ্ৰ বৰুৱাৰ সভাপতিত্বত আৰু ডুমডুমা সাহিত্য সভা; যোৰহাট সাহিত্য সভা শ্ৰীযুত দেৱেশ্বৰ শৰ্ম্মাৰ সভাপতিত্বত; জাঁজী সাহিত্য সভা শ্ৰীযুত পদ্মধৰ চলিহাদেৱৰ সভাপতিত্বত হৈ গৈছে বুলি সংবাদ পোৱা গৈছে।

## নেফা দিৱস

অসম সাহিত্য সভাৰ নিৰ্দ্দেশ অনুসৰি অসমৰ প্ৰায় সকলো ঠাইতে বিশেষকৈ শাখা সভাবিলাকৰ উদ্যোগত সভা, শোভাযাত্ৰা আদিৰে নেফা দিৱস পালন কৰা হয়। শাখা সভা নথকা ঠাইতো ৰাজহুৱা ভাৱে এই দিৱস পালন কৰা বিশেষ সন্তোষৰ কথা। ৯ জুন নেফা দিৱসৰ দিনা সোমবাৰ পৰাতো স্কুলীয়া ছাত্ৰসকলে এবেলা সভা, শোভাযাত্ৰাত অনেক ঠাইতে যোগ দিয়াৰ সংবাদ পোৱা হৈছে। 'নেফাত' অসমীয়া মাধ্যম, আগৰ দৰেই প্ৰবৰ্ত্তন কৰিবলৈ লোৱা প্ৰস্তাৱ সকলোবোৰ সভাতে গ্ৰহণ কৰা হয়।

বাতৰি কাকতৰ যোগে জানিবলৈ পোৱা বা এনেয়ে খবৰ পোৱা সভা সমিতিৰ সংখ্যা অনেক। আমাৰ সাহিত্য সভালৈ নিয়মিতভাৱে বিৱৰণ পঠোৱা শাখা সভা আদিৰ নাম তলত দিয়া হল।

যোৰহাট তেজপুৰ, গুৱাহাটী, সোণাৰী, নলবাৰী, শলগুৰি, বিহগুৰি, বঙাইগাওঁ, হৰিশিঙা, দুনী, কাকপথাৰ, জ্ঞানোদয় সমাজ নলবাৰী, খোৱাং, পেঙেৰী, ডিগবৈ, ধেমাজি, টিঙ্, ধুবুৰী, ধিং, মদাৰখাট, শিলচৰ, নাজিৰা, তিনিচুকীয়া, টীয়ক, চাৰিং, জাঁজী, মৰিয়নী।

## অসম সাহিত্য সভা দিৱস

অসম সাহিত্য সভাৰ দুকুৰি বছৰীয়া বুৰঞ্জীত "অসম সাহিত্য সভা দিৱস" পালন কৰা নতুন কথা। যোৱা তিনিচুকীয়া অধিবেশনৰ প্ৰস্তাৱমতে কাৰ্য্যনিৰ্ব্বাহক সভাই ৯ ছেপ্টেম্বৰ দিনটোকে এই দিৱসৰ নিমিত্তে নিৰ্দ্ধাৰিত কৰি দিয়ে আৰু এই দিৱস কেনেকৈ পালন কৰিব লাগে তাক থিৰ কৰি দিয়ে। অলপ দীঘলীয়া আলোচনাৰ মূৰত তলত দিয়াদৰে কাৰ্য্যসূচী নিৰ্দ্ধাৰিত কৰা হয়।

১। সমস্ত হলে শোভাযাত্ৰা,

২। সভা,

৩। গোটেই দিনটো সভাৰ প্ৰকাশিত কিতাপ বেচা আৰু সভাৰ কাৰণে প্ৰস্তুত কৰা চাৰিঅনীয়া টিকট বেচি পুঁজি সংগ্ৰহ কৰা।

৪। সাধুলি সাহিত্য সভাৰ শাখা কাৰ্য্যালয় আৰু তেনে বিধৰ অন্য অনুষ্ঠান-ঘৰত বন্তি জলোৱা।

এই মৰ্ম্মে সকলো শাখা আৰু স্বীকৃত সভালৈ চিঠি দিয়া হয় তাত কাৰ্য্যতালিকা জনোৱাৰ উপৰিও সেইদিনা বেচিবৰ নিমিত্তে কাক কিমান কিতাপ আৰু পতাকা লাগে তাকো খাই কাৰ্য্যালয়ত সোনকালে জনাবলৈ নিৰ্দ্দেশ দিয়া হয়।

এই কামটো নতুন হোৱাৰ কাৰণেই অনেক শাখা সভাই আগতে পতাকাৰ সংখ্যা নপঠালে সাহিত্য সভাই এটা আনুমানিক সংখ্যাতে পতাকা ছপা কৰিবলগীয়া হল। তাৰ উপৰি কোনো কোনো শাখা সভাই বেছি পলমকৈ বা একেবাৰে কোনো উত্তৰ নিদি, এনেয়ে পঠাব বুলি ভাবিলে। সতিকে ভালেখিনি শাখাসভাৰ কিতাপ পতাকা নিয়াই নহল আৰু খন-চেৰেকে চিঠি দিয়া পলম কৰাত পঠাব পৰা নহল। দুই এদিনৰ আগতে 'জন্মাষ্টমীৰ' আৰু দেওবাৰৰ বন্ধ পৰাতো নওলবাৰৰ আগতে পোৱাকৈ পঠোৱা অসুবিধা হল, পতাকাবিলাকো যথেষ্ট সময়ৰ আগত নোপোৱাৰ কাৰণে 'চৰ্কাৰী বাচ'ৰ যোগে বা তেনে আন উপায়েৰে পঠাবলগীয়া হয়।

অনভিজ্ঞতাৰ দোষতেই বা অন্য কাৰণতেই প্ৰথম বাৰত থাকি যোৱা এই দোষবোৰৰ স্বত্বেও শাখা সভা-বিলাকে যথেষ্ট কিতাপ নিছে। অৱশ্যে পতাকা আশানুৰূপভাৱে প্ৰচাৰ নহল। এই কথা লিখাৰ সময়লৈকে আমি শাখাসভাৰ হিছাপ-পত্ৰ পোৱা নাই। তথাপি পাঁচ হেজাৰৰ কম-বেছ পতাকা বিক্ৰী হৈছে বুলি জানিব পৰা গৈছে। বৰ্ত্তমানলৈকে পোৱা বিবৰণীৰ মতে 'সোণাৰী' শাখা সভাৰ উৎসাহ উদ্যোগ বিশেষভাৱে প্ৰশংসনীয়। এই শাখা সভাই পতাকা আৰু পুথিও ভালেখিনি নিছে। নেফা দিবসতো এওঁবিলাকৰ একে উদ্যোগ দেখা গৈছিল।

এই দিবসৰ বিষয়ে ভবিষ্যতে ভাবিবলৈ আমি বহুত মতামত পাইছো। এইবিলাকৰ ভিতৰত এই দিবস তিনিদিনীয়া কৰা আৰু পৰা পক্ষে তাৰ ভিতৰত এটা দেওবাৰ সুমুৱা, পতাকাবিলাক পুজি আৰু প্ৰচাৰ দুইটালৈ মন কৰি কম দামৰ বহুত বেছি কৰা আৰু আগতে 'হেণ্ডবিল' আদিৰে জাননী দিয়া আদি।

সাহিত্য সভা দিবসৰ সভাবিলাকে প্ৰায় সকলো ঠাইতে সভাৰ বছেৰেকীয়া অধিৱেশনত গৃহীত হোৱা নেফা, ডিমাপুৰ, ৰেডিঅ', পাঠ্য পুথি আদিৰ প্ৰস্তাৱ বিলাক পুনৰ সমৰ্থন কৰে আৰু তাৰ উপৰিও অসমীয়া ভাষা ৰাজ্যিক ভাষা হব লাগে বুলি দাবী জনায়।

আমি তলত দিয়া শাখা সভাবিলাকৰ পৰা এতিয়ালৈকে সাহিত্য সভা দিবসৰ কাৰ্য্য বিবৰণী পাইছোঁ—

শিলচৰ, হাফলং, বেবেজীয়া, ডমৌ, উত্তৰ গুৱা-হাটী, কমাৰবন্ধা, নাজিৰা, কৰৰা, কাঠকটীয়া, প্ৰদীপ পুথি ভঁড়াল, জ্ঞানোদয় সমাজ নলবাৰী, নমাতি আলোচনা চক্ৰ, বগুৱান সাহিত্য সভা, তেজপুৰ সাৰস্বত সভা, টীয়ক সাহিত্য সভা, প্ৰগতি শাখা সভা বেয়ন, যোৰহাট, পেঙেৰী, ৰংপুৰ সাহিত্য সভা, চিদলী, জাঁজী।

**ত্ৰুটী স্বীকাৰ**

এই সংখ্যাত প্ৰকাশ পোৱা শ্ৰীলীলা গগৈৰ "লোক সাহিত্য" শীৰ্ষক প্ৰবন্ধটো অন্য এখন আলোচনীত প্ৰকাশ হোৱা দেখা পালো। লিখকে আমাক আন আলোচনীলৈ পঠোৱা বুলি জনোৱা নাছিল। উক্ত দুনাই প্ৰকাশ পোৱাত আমি দুখিত আৰু লজ্জিত হৈছোঁ।

—সম্পাদক—

## পত্ৰিকাৰ নিয়মাৱলী

১। অসম সাহিত্য সভা পত্ৰিকা বছেৰেকত তিনিখন ওলাব। সাধাৰণতে সকলো গ্ৰাহকে প্ৰথম সংখ্যাৰ পৰা কাকত পাব, যেতিয়াই গ্ৰাহক হওক।

২। ইয়াৰ বছেৰেকীয়া বৰঙণি ৪৲ টকা আগ ধৰি দিব লাগে। প্ৰতি সংখ্যাৰ বেচ ডেৰ টকা। সাহিত্য সভাৰ কাৰণে বছেৰেকীয়া বৰঙণি ৩৲ টকা।

৩। ইয়াত প্ৰকাশ কৰিবলৈ পঠোৱা প্ৰবন্ধ আদি (সপ্তদশ বছৰৰ কাৰণে) এপিঠিত, ফটফটীয়াকৈ লিখি, "ডাঃ সত্যেন্দ্ৰনাথ শৰ্ম্মা, সম্পাদক, অসম সাহিত্য সভা পত্ৰিকা, বিহাবাৰী গুৱাহাটী" এই ঠিকনাত পঠাব। সকলো টকা-কড়ি আৰু কাকত সম্পৰ্কে চিঠি-পত্ৰ "শ্ৰীযতীন্দ্ৰনাথ গোস্বামী সহকাৰী সম্পাদক, অসম সাহিত্য সভা, যোৰহাট" এই ঠিকনাত পঠাব।

৪। অমনোনীত প্ৰবন্ধ ঘূৰাই পঠোৱা আৰু সেই প্ৰসঙ্গৰ কোনো প্ৰশ্নৰ উত্তৰ দিয়া নহয়।

৫। মৌলিক আলোচনা, অনুসন্ধান আদিৰ গৱেষণামূলক প্ৰবন্ধইহে ইয়াত ঠাই পাব।

## জাননীৰ নিৰিখ

| | |
|---|---|
| এপিঠিত | ৪০৲ (প্ৰতি সংখ্যাত) |
| আধা পিঠিত | ২২৲ ( ,, ,, ) |
| সিকি পিঠিত | ১২৲ ( ,, ,, ) |
| বেটুপাতৰ ৩য় পিঠিত | ৪৫৲ ( ,, ,, ) |
| বেটুপাতৰ ৪ৰ্থ পিঠিত | ৫০৲ ( ,, ,, ) |

**শ্ৰীযতীন্দ্ৰনাথ গোস্বামী**
সহকাৰী সম্পাদক
অসম সাহিত্য সভা
যোৰহাট।

# অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত পুথি

**অসম সাহিত্য সভাৰ ভাষণাৱলী** ( প্ৰথম ভাগ )—অসম সাহিত্য সভাৰ প্ৰথম বাৰজন সভাপতিৰ ( ৺পদ্মনাথ গোহাঞি বৰুৱা, কালিৰাম মেধি, অমৃতভূষণ দেৱ অধিকাৰী, হেমচন্দ্ৰ গোস্বামী, কনকলাল বৰুৱা, ৰজনীকান্ত বৰদলৈ, বেণুধৰ ৰাজখোৱা, তৰুণৰাম ফুকন, লক্ষ্মীনাথ বেজবৰুৱা, কমলাকান্ত ভট্টাচাৰ্য্য, শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা আৰু শ্ৰীমফিজুদ্দিন আহমদ হাজৰিকা ) বহুমূলীয়া আৰু তথ্যপূৰ্ণ অভিভাষণ আৰু তেওঁলোকৰ চমু চিনাকি এই গ্ৰন্থত পাব। সাহিত্য সভাৰ পুৰণি বিষয়ববীয়াসকলৰ তালিকা আদিয়েও পুথিৰ মূল্য বঢ়াইছে। বেচ ৮৲ টকা ( সভাৰ সভ্যৰ কাৰণে ৬৲ টকা )।

**অসম সাহিত্য সভাৰ ভাষণাৱলী** ( দ্বিতীয় ভাগ )—অসম সাহিত্য সভাৰ ত্ৰয়োদশ অধিবেশনৰ পৰা পঞ্চবিংশ অধিবেশনৰ সভাপতিৰ ( ৺নগেন্দ্ৰনাৰায়ণ চৌধুৰী, ৺জ্ঞানদাভিৰাম বৰুৱা, ৺আনন্দচন্দ্ৰ আগৰৱালা, শ্ৰীৰঘুনাথ চৌধাৰী, শ্ৰীকৃষ্ণকান্ত সন্দিকৈ, ডঃ মফিদুল ইচলাম বৰা, শ্ৰীনীলমণি ফুকন, শ্ৰীঅম্বিকাগিৰি ৰায়চৌধুৰী, ডঃ সূৰ্য্যকুমাৰ ভূঞা, শ্ৰীমতী নলিনীবালা দেৱী, শ্ৰীযতীন্দ্ৰনাথ দুৱৰা আৰু শ্ৰীবেণুধৰ শৰ্ম্মা ) অভিভাষণলৈকে ১৩খন বহুমূলীয়া আৰু তথ্যপূৰ্ণ ভাষণ আৰু তেওঁলোকৰ চমু চিনাকি। বেচ ৮৲টকা ( সভ্যৰ কাৰণে ৬৲ টকা ), দুয়োখন একেলগে নিলে সভ্যৰ বাবে ১০৲ টকা।

**অসম সাহিত্য সভাৰ বাৰ্ষিকী** ( প্ৰথম ভাগ )—অসম সাহিত্য সভাৰ ত্ৰয়োবিংশ অধিবেশনৰ সভানেত্ৰী শ্ৰীযুতা নলিনীবালা দেৱী, অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীযুত ৰাধানাথ ফুকন, বুৰঞ্জী শাখাৰ সভাপতি শ্ৰীযুত সুৰেশচন্দ্ৰ ৰাজখোৱা, বিজ্ঞান শাখাৰ সভাপতি ডঃ হিৰণ্যচন্দ্ৰ ভূঞাৰ অভিভাষণ আৰু প্ৰধান সম্পাদকৰ প্ৰতিবেদন আদি একেলগে সঙ্কলিত মূল্যবান বছেৰেকীয়া সংগ্ৰহ। বেচ ২৲ টকা ( সভ্যৰ কাৰণে এটকা )।

**অসম সাহিত্য সভা বাৰ্ষিকী** ( দ্বিতীয় ভাগ )—অসম সাহিত্য সভাৰ চতুৰ্ব্বিংশ অধিবেশনৰ সভাপতি শ্ৰীযুত যতীন্দ্ৰনাথ দুৱৰা, অভ্যৰ্থনা সমিতিৰ সভাপতি ন্যায়াধীশ শ্ৰীযুত হলীৰাম ডেকা, বিজ্ঞান শাখাৰ সভাপতি ডঃ ৰোহিণীকান্ত বৰুৱা, বুৰঞ্জী শাখাৰ সভাপতি ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা আৰু প্ৰধান সম্পাদকৰ প্ৰতিবেদন আদি একেলগে সঙ্কলিত বছেৰেকীয়া সংগ্ৰহ। বেচ ২৲ টকা, ( সভ্যৰ কাৰণে আধা )।

**শ্ৰীশ্ৰীব্ৰহ্মবৈবৰ্ত্ত পুৰাণ**—বলোৰাম দ্বিজ ৰচিত। শ্ৰীশ্ৰীনৰদেৱ গ্ৰন্থাৱলীৰ ৩য় গ্ৰন্থ। বেচ এটকা ( সভ্যৰ কাৰণে আধা )।

**সাত্বত তন্ত্ৰ**—ভাগৱতী মিশ্ৰ বিৰচিত। শ্ৰীশ্ৰীনৰদেৱ গ্ৰন্থাৱলীৰ ৪ৰ্থ গ্ৰন্থ। বেচ দহ অনা ( সভ্যৰ কাৰণে আধা )।

**লৱ-কুশৰ যুদ্ধ** ( সচিত্ৰ )—হৰিবৰ বিপ্ৰ ৰচিত। শ্ৰীশ্ৰীনৰদেৱ গ্ৰন্থাৱলীৰ ৫ম গ্ৰন্থ। ডঃ মহেশ্বৰ নেওগ সম্পাদিত। বেচ দুটকা ( সভ্যৰ কাৰণে আধা )।

**বুৰঞ্জীমূলক প্ৰৱন্ধৰ তালিকা** ( প্ৰথম ভাগ )—১৮৪৬ চনৰ পৰা বৰ্ত্তমান সময়লৈকে অসমীয়া আলোচনীত প্ৰকাশিত বুৰঞ্জীমূলক প্ৰৱন্ধৰ তালিকা। ডঃ সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত। বেচ দুটকা ( সভ্যৰ কাৰণে আধা )।

**শ্ৰীশ্ৰীবনমালীদেৱৰ চৰিত্ৰ** ( ৰমাকান্ত দ্বিজ ৰচিত )—শ্ৰীশ্ৰীনৰদেৱ গ্ৰন্থাৱলীৰ ২য় গ্ৰন্থ। ( নতুন প্ৰকাশ, ১৯৫৬ চন )। বেচ বাৰ অনা। ( সভ্যৰ কাৰণে ছয় অনা ) ডাক খৰচ সুকীয়া।

**শ্ৰীযতীন্দ্ৰনাথ গোস্বামী**
সহকাৰী সম্পাদক
অসম সাহিত্য সভা

চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট

গুৱাহাটী ট্ৰিবিউন প্ৰেছত মুদ্ৰিত আৰু শ্ৰীযতীন্দ্ৰনাথ গোস্বামীৰ দ্বাৰা যোৰহাট কাৰ্য্যালয়ৰ পৰা প্ৰকাশিত হ'ল।